# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE FIFTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

## BUDGET SESSION

VOLUME—I

No. 12

DATED THE 24TH FEBRUARY, 1976

Price Rs. 15·70

# CONTENTS

BUDGET SESSION

Volume I No. 12

Dated, the 24th February, 1976


Pag

1. Starred Questions and Answers ....
2. Matter Under Rule 301 ....
3. Resolution ....
4. Adjournment ....

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

Tuesday, February 24, 1976

The House met at ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

STARRED

QUESTIONS AND ANSWERS

Date ; 24th February, 1976

**Starred Questions No. 134 was not put, the member being absent.**

**Re : Bakery Workers of Silchar**

Shri Sudarsan Das asked :

*135. Will the Minister, Labour be pleased to state—

(a) Whether the Government is aware that some Bakery Workers of Silchar namely Orient Bakery, New Deshapriya Bakery, Baroda Bakery etc., have been victimised by retrenchment violating the instruction of Labour Officer ?

(b) If so, the steps taken by Government in this regard ?

Shri Gajen Tanti ( Minister, Labour ) replied :

(a) The complaint of retrenchment of workers received by the Government are as follows ;—

| | |
|---|---|
| Orient Bakery | 4 |
| Baroda Bakery | 1 |
| New Deshapriya Bakery | 1 |
| Siv Sankar Bakery | 1 |

(b) The cases have already been taken up by local Labour Department and is proceeding as per provisions of Law (Industrial Disputes Act, 1947) is pending.

### Re: Bakery Workers of Silchar

Shri Sudarshan Das asked:

*136. Will the Minister, Labour be pleased to state—

(a) Whether Government is aware that the Bakery Workers of Silchar are made to work for unlimited hours in a day without any weekly holiday?

(b) If so, the steps taken by Government in this regard?

Shri Gajen Tanti (Minister, Labour) replied:

(a) Yes, for the first time it was brought to the notice of Government in September, 1975.

(b) Provision of weekly holiday has been made at Government intervention through an agreement arrived at on 4th February, 1976.

Shri Sudarsan Das: Sir, may I know from the hon'ble Minister whether it is a fact that the Labour Officer vide his Letter No: L T S. 3/65/7459-75, dated 17.9.75 instructed the Bakery owners not to retrench workers till the dispute is settled and accordingly an agreement was reached to this effect between owners of the Bakeries and the Union in the presence of the Labour Officer on 9.10.75 and this has been violated by bakeries owners in retrenching the workers?

Shri Gajen Tanti (Minister). Sir, I have already told that the cases have already been taken up by local Labour Department and proceeding is pending under the Industrial Disputes Act.

### বিঃ দৈয়াং নৈব জামুগুৰিত পকা দলং

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে:

*১৩৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

(ক) গোলাঘাট মহকুমাৰ দৈয়াং নৈৰ ওপৰত জামুগুৰিত পকা দলং এখন পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাৰ ভিতৰতে নিৰ্মাণ কৰাৰ যি আঁচনি ভুক্ত কৰা হৈছিল সেই আঁচনি এতিয়া কি অৱস্থাত আছে জনাবনে?

(খ) দৈয়াং নৈৰ এই দলংখন স্থায়ীকৈ নোহোৱাত বিভাগৰ আৰু ৰাইজৰ অস্থায়ী ব্যৱস্থাত বছৰি কিমান পৰিমাণৰ টকা খৰচ হয় জনাবনে?

শ্ৰীমহম্মদ ইদ্ৰিছ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) বৰ্ত্তমান এই আঁচনিৰ দৰকাৰী আৰু লাগতিয়াল কামৰ তথ্য-পাতি আদি দাখিল কৰাৰ বাবে বিভাগীয় জৰীপ কাৰ্য্য চলি আছে।

(খ) দলংখন নোহোৱাত বিভাগৰ বছৰি অস্থায়ী শীতকালিন দলংৰ কাৰণে ৫০,০০০ টকা আৰু ঘাট, নাও আদিৰ মেৰামতিৰ কাৰণে ৪০,০০০ টকাৰ পৰা ৪৫,০০০ টকাৰ ভিতৰত খৰচ হয়।

শ্ৰীসোনেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, এই দৈয়াং নদীৰ ওপৰৰ দলং-খন নিৰ্ম্মাণ কৰিবৰ কাৰণে কিমান টকাৰ আঁচনি কৰা হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): প্ৰায় ৩০ লাখ টকাৰ।

শ্ৰীসোনেশ্বৰ বৰা: এই আচনিখনৰ কাম কেতিয়া আৰম্ভ হব বুলি চৰকাৰে ভাবিছে?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): ৫ম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ টকা পালেই আৰম্ভ কৰিব পৰা যাব।

শ্ৰীনগেন বৰুৱা: ১৯৭৪-৭৫ চনৰ বাজেটত এই দলংখনৰ কাৰণে কিবা খৰছৰ শিতানত দেখুওৱা হৈছিল নেকি?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): হয় দেখুওৱা হৈছিল।

শ্ৰীসোনেশ্বৰ বৰা: বৰ্ত্তমান বছৰত এই দলংখনৰ এই ঠাইত অস্থায়ী দলং নিৰ্ম্মাণৰ ব্যৱস্থা গড়কাপ্তানী বিভাগে কৰিছে নেকি?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী): অসম চেনিকলেহে কৰিছে কিন্তু গড়কাপ্তানী বিভাগে কৰিব পৰা নাই।

শ্ৰীসোনেশ্বৰ বৰা: গড়কাপ্তানী বিভাগে নকৰি চেনিকলক কিয় কৰিবলৈ দিয়া হৈছে?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : গড়কাপ্তানী বিভাগে অস্থায়ী ভিত্তিত ইমান টকা খৰছ কৰিব নোৱাৰে।

শ্ৰীসোনেশ্বৰ বৰা : চেনিকলেই প্ৰতি বছৰি এই দলঙেদি বছৰি ৬।৭ টন কুঁহিয়াৰ অনা-নিয়া কৰে। তদুপৰি ওচৰ পাজৰৰ চাহবাগিছা আৰু বনবিভাগকে আদি কৰি কিছুমান বস্তু অনা নিয়া কৰিবলগীয়া হয়। এই কথা বিলাকৰ গুৰুত্ব উপলব্ধি কৰি এই দলংখন ততালিকে সজাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : গুৰুত্ব উপলব্ধি কৰিয়েই এই দলংখন ৫ম বাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্ভুক্ত কৰা হৈছে।

**Starred Questions No. 138 was not put, the member being absent.**

## বিঃ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*১৩৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটী মেডিকেল মহাবিদ্যালয়ৰ চিকিৎসালয়ত ৰোগী চিকিৎসাৰ বাবে ভৰ্ত্তি কৰোৱাৰ কি নিয়ম ?

(খ) ভৰ্ত্তি কৰা ৰোগীসকলক কোনে আৰু কেতিয়া চিকিৎসা কৰে ?

(গ) ৰাতি ৰোগীক চিকিৎসা কৰাৰ কি নিয়ম ?

(ঘ) ৰাতি ৰোগীক নিৰিক্ষণ কৰিবলৈ আৰু আৱশ্যক হলে চিকিৎসা কৰিবলৈ মহাবিদ্যালয়ৰ অভিজ্ঞ আৰু জেষ্ঠ অধ্যাপকসকল চিকিৎসালয়ত থকাৰ নিয়ম নাই নেকি ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৰোগী চিকিৎসা কৰাবলৈ হলে প্ৰথমতে বহিৰ্বিভাগত বা আকস্মিক বিভাগত নাম ভৰ্ত্তি কৰাব লাগে। নাম ভৰ্ত্তি কৰোৱাৰ পিচত ৰোগীবোৰৰ বেমাৰ অনুযায়ী বেলেগ বেলেগ বিভাগলৈ পঠোৱা হয়। তাত ৰোগীবোৰক এজন অধ্যাপক বা সহকাৰী অধ্যাপকৰ তত্বাৱধানত পৰীক্ষা কৰি যিবিলাকৰ জৰুৰী চিকিৎসাৰ দৰ্কাৰ সেই বিলাকত ততালিকে চিকিৎসালয়ত ভৰ্ত্তি কৰি চিকিৎসা কৰা হয়। কিন্তু

কিছুমান ৰোগীক ৰশ্মি-বিভাগত আৰু ৰোগ নিৰ্ণয় বিভাগৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি পিচত চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাৰ কাৰণে ভৰ্ত্তি কৰা হয়। যিবিলাক ৰোগীৰ চিকিৎসা বহি বিভাগৰ পৰা কৰিব পাৰি তেওঁলোকক সেই বিভাগত চিকিৎসা কৰা হয়। আকৌ যিবিলাক ৰোগীক ভৰ্ত্তি কৰাৰ দৰ্কাৰ কিন্তু তত্তালিকে ভৰ্ত্তি নকৰালেও হয় তেওঁলোকক এটা তাৰিখ দি ভৰ্ত্তি কৰাবলৈ মতা হয়।

(খ) চিকিৎসাৰ সুব্যৱস্থাৰ কাৰণে একোজন অধ্যাপকৰ অধীনত এজন সহকাৰী অধ্যাপক, এজন ৰেজিষ্ট্ৰাৰ, এজন ৰেচিডেণ্ট চাৰ্জন, ফিজিচিয়ান, আৰু ৩৪ জনকৈ হাউচ ষ্টাফ থাকে। এই ৫০ জন ৰোগীৰ সৰ্ব্বাংগিন চিকিৎসা অধ্যাপকৰ নিৰ্দ্দেশমতে কৰা হয়।

তাৰাপৰি ওপৰোক্ত ৰোগীবোৰৰ চিকিৎসাত সহায় কৰিবৰ কাৰণে ৰঞ্জন-ৰশ্মি বিভাগ, ৰোগ নিৰ্ণয়কাৰী বিভাগ (pathology) আৰু অস্ত্ৰোপ্ৰচাৰ কক্ষ ২৪ ঘণ্টা জুৰি খোলা ৰখা হয়।

(গ) ৰাতি একোটা বিভাগত একোজন 'ৰেজিষ্টাৰ' বা ৰেচিডেণ্ট চাৰ্জন / ফিজিচিয়ান একোজন / হাউচ চাৰ্জন / ফিজিচিয়ান আৰু একোজনকৈ এনাস্থেটিষ্ট ৰাতি ৯ বজাৰ পৰা ৰাতিপুৱা ৮ বজালৈ কৰ্ত্তব্যত ৰত থাকে। ইয়াৰ উপৰিও গধুলি ৬ বজাৰ পৰা ৰাতি ১০ বজালৈ চিকিৎসালয়ৰ প্ৰত্যেক বিভাগতে একোজনকৈ সহকাৰী অধ্যাপক কৰ্ত্তব্যত ৰত থাকে। ৰাতি ১০ বজাৰ পৰা ৰাতিপুৱা ৮ বজালৈ যিবিলাক অধ্যাপকৰ আকস্মিক 'ডিউটি' থাকে তেওঁলোকক দৰকাৰ হলে ঘৰৰ পৰা ৰোগী চাবলৈ মাতি অনা হয়।

(ঘ) নাই। কিন্তু দৰ্কাৰ হলে তেওঁলোকক মাতি অনা হয়।

শ্ৰীলক্ষীকান্ত শইকীয়া : মাননীয় মন্ত্ৰী মহোদয়ে, তেখেতৰ উত্তৰত কৈছে যে, নাম ভৰ্ত্তি কৰোৱাৰ পিছত ৰোগীবোৰৰ বেমাৰ অনুযায়ী বেলেগ বেলেগ বিভাগলৈ পঠোৱা হয়। কিন্তু মন্ত্ৰী মহোদয়ে এই কথাটোলৈ লক্ষ্য কৰিছে ন যে যিহেতু গুৱাহাটী মেডিকেল কলেজলৈ বহু ঠাইৰ পৰা ৰোগী আহে আৰু মাত্ৰ এঠাইতহে পঞ্জিয়ন কৰিবলগীয়া হোৱাৰ কাৰণে নানান হুলস্থুল আৰু গণ্ডগোল হয় আৰু ফলত ৰোগী বিলাকো অসুবিধাত পৰে। এই কথাটোলৈ লক্ষ্য ৰাখি প্ৰত্যেক বিভাগতে পঞ্জিয়ন কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : এইটোৰ ব্যৱস্থা কৰাটোৰ কাৰণে বিবেচনা কৰাটো সম্ভৱপৰ নহয় যিহেতু টকাৰ নাটনি। নতুন কলেজ হব ধৰিছে আৰু তাত ব্যৱস্থা কৰিব পৰা হব।

শ্ৰীলক্ষীকান্ত শইকীয়া : মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে, ৰাতি চিকিৎসাৰ কাৰণে দিনৰ ১ বজাৰ পৰা সন্ধ্যা ৬ বজালৈ আৰু গধূলি ৯ বজাৰ পৰা পুৱা ৮ বজালৈকে কেই গৰাকীমান শিক্ষা লোৱা ছাত্ৰ ডাক্তৰৰ বাহিৰে তালৈ কোনো নাহে। ফলত ৰাতি ৰোগীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা কথাটো মন্ত্ৰী মহোদয়ে জানেনে আৰু যদি জানে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : অন্যান্য ডাক্তৰখানা যেনেকৈ চলিছে আমাৰ ডাক্তৰখানাও তেনেকৈয়ে চলিছে। ৰাতিয়ে দিনে ডাক্তৰ নেথাকে কিন্তু প্ৰয়োজন হলে ডাক্তৰ সকলক মাতি অনা হয়। ১ বজাৰ পৰা ৪ বজালৈ ডাক্তৰ সকল খাবলৈও যাব লাগে। সকলো সময়তে ডাক্তৰ সকলক পহৰা দি থক'ৰ নিয়ম পৃথিৱীৰ কোনো দেশতে নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া : পৃথিৱীৰ লগতে আমাকো ৰখাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছোঁ। মন্ত্ৰী মহোদয়ে এইটো কথা লক্ষ্য কৰিছে নেকি যে গুৱাহাটী মেডিকেল কলেজৰ ওচৰত অধ্যাপকসকলক ৰখাৰ কোনো ব্যৱস্থা নাই আৰু আৱশ্যক হলেও ডাক্তৰ সকলক পোৱা নাযায় এই অসুবিধালৈ লক্ষ্য ৰাখি ডাক্তৰ সকলক আৱশ্যক হলে মেডিকেল কলেজৰ ওচৰত ৰখাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : মই পৃথিৱীৰ বহু হাস্পাতাল ৰ গৰি বাগৰি অহাৰ কাৰণে পৃথিৱীৰ কথাটো কৈছো। হাস্পাতালৰ ওপৰত ঘৰৰ ব্যৱস্থা ৰখা হৈছে। দৰকাৰ হলে তেওঁলোকক মতা হয়।

শ্ৰীসোনেশ্বৰ বৰা : মন্ত্ৰী মহোদয়ে বোধকৰো জানে যে বেমাৰী বিলাকৰ বেমাৰ দিনতকৈ ৰাতি বেছি হয়। এই গুৰুত্বলৈ লক্ষ্য কৰি ডাঙৰ ডাঙৰ ডাক্তৰ ৰাতি চিকিৎসাৰ কাৰণে ৰখাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : এজন সহকাৰী অধ্যাপক প্ৰায় ১২ ঘণ্টাই থাকে।

শ্ৰীসোনেশ্বৰ বৰা : 'ডাঙৰে কৰিলে লীলা' সকল্প কৰিলে বান্ধি ধৰি কিলা। ডাঙৰক ৰাতি টোপনি ক্ষতি কৰাই শাস্তি দিয়লৈ টান পাই সক সকলৰ ওপৰত এই ধৰণৰ দায়িত্ব দিয়া হৈছে নেকি?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): সহকাৰী অধ্যাপক সক নহয়।

শ্ৰীসোনেশ্বৰ বৰা : ডাঙৰ ডাক্তৰ সকল ৰাতি নথকাৰ কাৰণ কি?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): দৰকাৰ হলে থাকে।

শ্ৰীজগদীশ চন্দ্ৰ দাস : চিকিৎসালয় বিলাকত ধনী, অৱস্থাপন্ন মানুহ আৰু নেতা সকলে যি ধৰণে চিকিৎসা পায়, সেই ধৰণে দুখীয়া গাঁৱলীয়া সকলে চিকিৎসা নাপায়, এই কথাটো নজানে?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): আমাৰ সদস্য সকলে ভি, আই, পি, ডি, আই, পি বুলি কৈ চিট বিচাৰে।

শ্ৰীজগদীশ দাস : এজনী নাৰ্চে দিনে কিমান ৰোগী চাব লাগে?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী: এজনী নাৰ্চে কেতিয়াবা ৫০ পৰাকী থাকিলে তিনি ভাগৰ এক অংশ থাকিব লাগে।

শ্ৰীজগদীশ দাস : সেই অনুপাতে নাৰ্চৰ সংখ্যা চিকিৎসালয়ত কম; এইটো জানেনে?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): নাৰ্চৰ বহু বিভাগ আছে। নাৰ্চৰ নাটনি আৰু এ, এন, এমৰ সংখ্যা বেচি। প্ৰশিক্ষণ দিয়াৰ কাৰণে যথেষ্ট ব্যৱস্থা লৈছো।

শ্ৰীসোনেশ্বৰ বৰা : মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা এইটো কথা বুজিব পাৰিছো যে মাননীয় সদস্য সকলে মেডিকেল কলেজ আৰু হাস্পাতাল বিলাকত ভি, আই, পি বুলি চিট লয়। ইয়াৰ বাবে দুখীয়া ৰোগী বিলাক ভালকৈ চিকিৎসা পোৱাৰ পৰা বঞ্চিত হয় নেকি?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): কেতিয়াও নহয়। সেই সকলক বেচিকৈ তত্বাৱধান কৰা যায়।

শ্ৰীহাচিম উদ্দিন আহম্মদ : ৰাতি যেতিয়া বেমাৰী টান হয়, লাচিত নগৰৰ পৰা ডাক্তৰ নি মেডিকেল কলেজ পায়মানে ৰোগীৰ মৃত্যু হোৱা খবৰ মন্ত্ৰী মহোদয়ৰ আছেনে?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): তেনেকুৱা খবৰ নাই।

শ্ৰীজগদীশ দাস: মৃত্যুৰ সংখ্যা জনাবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): সেইটো খবৰ লব লাগিব।

Starred Question No. 140 was not put the member being absent.

**বিঃ অসম আৰু মেঘালয় পথ পৰিবহন নিগমৰ বাছ**

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে:

*১৪১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে !

(ক) অসম পৰিবহন নিগমে অসমৰ সকলো কেইখন জিলা আৰু মহকুমা সদৰ আৰু অসমৰ অস্থায়ী ৰাজধানী দিশপুৰৰ লগত বাছ চলাচল কৰাইছে নে ?

(খ) যদি নাই ক'ত ক'ত হোৱা নাই আৰু কিয় ?

(গ) যদি হৈছে, কেইখন বাছেৰে এই যোগাযোগ ৰক্ষা কৰা হৈছে ?

(ঘ) বৃহত্তৰ গুৱাহাটী আৰু অস্থায়ী ৰাজধানী দিশপুৰৰ লগত যাতায়তৰ সুব্যৱস্থা কৰা হৈছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) অসম আৰু মেঘালয় পৰিবহন নিগমে মৰিগাওঁ মহকুমা সদৰ ব্যতিৰেকে সকলো জিলা সদৰ আৰু মহকুমা সদৰৰ লগত অস্থায়ী ৰাজধানী দিশপুৰৰ সৈতে বাছ চলাচলৰ যোগাযোগ ব্যৱস্থা ৰাখিছে।

(খ) পৰ্য্যায় ক্ৰমে পথ ৰাষ্ট্ৰীয়কৰণ কৰি থকা হৈছে আৰু ইতিমধ্যে মহকুমা সদৰ মৰিগাঁৱৰ যোগাযোগৰ ব্যৱস্থাও নিগমে হাতত লৈছে।

(গ) বৰ্ত্তমানে থকা যোগাযোগখিনি ৰাখিবৰ কাৰণে দৈনিক ৯৮ খন বাছ চলাব লাগে।

(ঘ) দিশপুৰ আৰু গুৱাহাটীৰ মাজত পৰিবহন নিগমে বেচৰকাৰী চিটি বাচ চাৰ্ভিছৰ লগতে সমান্তৰাল ভাৱে চিটি বাছ পৰিচালনা কৰি আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, জিলা আৰু মহকুমাৰ সদৰ ঠাইৰ লগত অস্থায়ী ৰাজধানী দিশপুৰৰ যোগাযোগ ব্যৱস্থা কৰিছে বুলি কৈছে। ডুৱনিৱতীয়া পথৰ গাড়ী বিলাক অচল হৈ পৰি থাকে সেই অৱস্থাটোৰ উন্নতি কৰিবৰ কাৰণে পৰিবহন নিগমে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : ডুৱনিৱতীয়া পথত কেতিয়াবা কেতিয়াবা বিজুতি ঘটে। তেনেকুৱা যাতে নহয় তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে জনাইছে যে বিভিন্ন জিলা আৰু মহকুমা সদৰ ঠাইবোৰৰ অস্থায়ী ৰাজধানীৰ লগত যোগাযোগৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মই জনা মতে, সেই বিশেষ গাড়ী বিলাক দিশপুৰলৈ নাহে, গুৱাহাটীৰ সদৰ কাৰ্য্যালয়লৈ আহে। গতিকে পোনপতিয়া ভাৱে দিশপুৰলৈ অহাৰ ব্যৱস্থা নতুনকৈ প্ৰৱৰ্তন কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : সেইটো কথা চিন্তা কৰা হৈছে। দিশপুৰত যিটো ষ্টেচন আছে ইয়াত পাৰ্কিঙৰ ঠাই কম। সেই কাৰণে সেইটো কৰিব পৰা হোৱা নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : ওচৰ সদৰৰ ঠাইৰ পৰা গুৱাহাটীলৈ অহাৰ যিটো ভাৰা, গুৱাহাটীৰ পৰা দিশপুৰলৈ অহা ভাৰা তাতোকৈ অধিক হয়। এই অসুবিধালৈ লক্ষ্য ৰাখি অনতিপলমে বাচ বিলাক দিশপুৰলৈ অনাৰ সুব্যৱস্থা কৰিবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : সেইটোৰ কাৰণে যত্ন কৰা হৈছে। আৰু ভাল ঠাই পালে মাটি কিনি সেইটো কৰা হব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : গুৱাহাটী আৰু দিশপুৰৰ যোগাযোগৰ ব্যৱস্থা অৱশ্যে কিছু হৈছে, সঁচা। কিন্তু মধুলি অহা-যোৱা কৰাত যথেষ্ট অসুবিধা হয়। টেক্সিৰ কোনো ব্যৱস্থা নোহোৱাৰ কাৰণে যথেষ্ট অসুবিধা হয় আনহাতে গুৱাহাটীৰ টেক্সি বিলাকত কোনো মিটাৰৰ ব্যৱস্থা নাই ইয়াৰ ফলত অহা-যোৱা কৰোঁতে যথেষ্ট ভাৰা দাবি কৰে। এই কথালৈ লক্ষ্য কৰি গুৱাহাটী আৰু দিশপুৰৰ মাজত

চলা টেক্সি বিলাকত মিটাৰ প্ৰবৰ্তন কৰাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : গুৱাহাটী আৰু দিশপুৰৰ মাজত চিটি বাছ দিয়া হৈছে। শ্ৰীশইকীয়া ডাঙৰীয়াই যিটো কথা সুধিছে সেইটো সংখ্যা কম। তথাপি একেবাৰে যিমান থাকিব লাগে সিমান নাথাকিলেও যথেষ্ট পৰিমাণে গধূলি আছে বুলি ধাৰণা হৈছে। যিটো টেক্সি মিটাৰৰ কথা কৈছে সেইটো বহুৱাবৰ কাৰণে ইতিমধ্যে নিৰ্দেশ দিছো।

শ্ৰীআটাউৰ ৰহমান : অধ্যক্ষ মহোদয়, পল্টন বজাৰ আৰু মাছখোৱা এই দুটা পৰিবহন ষ্টেচনত কাউন্টাৰ ষ্টেচন আৰু কাউন্টাৰ এচিচটেন্টৰ অভাৱত যাত্ৰীয়ে টিকট নাপায় পাব্লিক বাচত বেছি পইচা ভৰি আহিব লগা হয়, এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ইয়াৰ বাবে এটা বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীজগদীশ চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, মৰীগাওঁৰ পৰা গুৱাহাটীলৈ অহা যোৱা কৰিবৰ কাৰণে কোনো ষ্টেট ট্ৰেন্সপৰ্টৰ ব্যৱস্থা নাই, তাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে তাৰ বিৱৰণী জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মৰীগাওঁক সংযোগ কৰিবৰ কাৰণে ইতিমধ্যে নগাওঁ মৰীগাওঁ জাগীৰোড ৰাস্তা ৰাষ্ট্ৰীয়কৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

Shri Bishwanath Upadhyaya : Sir, whether the Government is aware that there is no Waiting Room at Sonapur, Khleriat Jowai and Shillong for the passengers travelling between Silchar and Guwahati ?

Shri Indreswar Khound : Yes, Sir, this is a fact. We are trying to construct some rest houses.

শ্ৰীজগদীশ চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, মৰীগাওঁ মহকুমাক গুৱাহাটীৰ লগত সংযোগ কৰিবৰ কাৰণে কেইখন বাছ দিব আৰু কেতিয়াৰ পৰা দিব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : সেই বিষয়ৰ সিদ্ধান্ত এতিয়াও হোৱা নাই।

শ্ৰীহাচিমুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, আগেয়ে অভাৱ বাদ দিবলৈ

২৫ মাইল ৰাস্তাৰ অনুমোদন দিছিল, আজিকালি ২৫ মাইলৰ ঠাইত ৩৫ আৰু ৪০ মাইল কৰা কথাটো সচাঁনে কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : ইয়াৰ বাবে এটা বেলেগ প্ৰশ্ন দিলে ভাল হয়।

শ্ৰীজগদীশ চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, নগাওঁ লংকা লাইনত যিখন বাছ দিছিল হাইকৰ্টে এতিয়া বন্ধ কৰি দিছে, কথাটো সচাঁনে কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড, ( মন্ত্ৰী ) : সেই খবৰটো মই এতিয়া দিব নোৱাৰিম।

## বিষয় : সীমান্তবৰ্ত্তী স্কুলৰ অনুদান

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*১৪২। মাননীয় শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট সমষ্টিৰ অন্তৰ্গত দৈয়াং বনাঞ্চলত অৱস্থিত কোন কোন প্ৰাইমেৰী স্কুলত "সীমান্তবৰ্ত্তী স্কুলৰ ঘৰ নিৰ্মাণ বা মেৰামতি" শিতানত টকা মঞ্জুৰী যোৱা ২।৩ বছৰৰ ভিতৰত দিয়া হৈছিল ?

(খ) এই শিতানত দিয়া মঞ্জুৰী টকাৰ কামবোৰ শেষ হলনে ?

(গ) এনে শিতানত মঞ্জুৰী দিয়া "কলাজান প্ৰাইমেৰী স্কুল" খনৰ ঘৰ নিৰ্মাণ কাৰ্য্য কেনে অৱস্থাত আছে, মঞ্জুৰী টকাখিনি কোন আঁচনিত খৰচ কৰা হল আৰু ঘৰটো সম্পূৰ্ণ হোৱাত কি অন্তৰায় হল ? (10 times answered)

শ্ৰীমতী ছৈয়দা আমোৱাৰা টাইমুৰ, ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক)—যোৱা ২।৩ বছৰৰ ভিতৰত ২২ খন প্ৰাইমেৰী স্কুলক অনুদান দিয়া হৈছে। (নামৰ তালিকা এখন সদনৰ মেজত ৰখা হল)।

(খ)—১৪ খন বিদ্যালয়ৰ কাম এতিয়াও শেষ হোৱা নাই কিন্তু কামবোৰ শেষ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। (নামৰ তালিকা এখন সদনৰ মেজত ৰখা হল)।

(গ)—কলাজান প্ৰাইমেৰী স্কুলখনৰ বৰ্ত্তমান ৩০´× ১৮´ ফুট এটা

ঘৰৰ পকা ভেটি আৰু আধা বেৰ পকা গাঁথনি কৰা হৈছে। তাৰোপৰি তিনিটা পকা খুটা সম্পূৰ্ণ হৈছে আৰু বাকী ৫ টা আধা কৰা অৱস্থাত আছে। পুঁজিৰ অভাৱত বাকী কাম হৈ উঠা নাই।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো দৈয়াং বনাঞ্চলৰ ওপৰত আছিল। কিন্তু মন্ত্ৰী মহোদয়াই মাহীৰ গুৱে পেহীৰ গুৱে একেলগ কৰি একখন দীঘলীয়া লিষ্ট দিছে। যি ধৰণেৰে প্ৰশ্নটো উত্থাপন কৰা হৈছিল সেই ধৰণেৰে উত্তৰ দিব নোৱাৰাটো অৱশ্যে স্বাভাৱিক। মোৰ প্ৰশ্নটো আছিল সীমান্তৱৰ্ত্তী স্কুলঘৰ নিৰ্ম্মাণ বা মেৰামতি আচঁনিৰ শিতানত। কলাজান প্ৰাইমেৰী স্কুলখনৰ বাবে কিমান টকাৰ আচঁনি গ্ৰহণ কৰা হৈছিল ?

ছৈয়দা আনোৱাৰা টাইমুৰ, ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কলাজান প্ৰাইমেৰী স্কুলখনৰ ঘৰ নিৰ্মাণৰ বাবে তিনি হাজাৰ টকাৰ অনুদান দিয়া হৈছে আৰু তাৰ কাম এতিয়া আধা হৈ আছে। তাৰ ডি আই মহোদয়ে কৈছে যে ১০ হেজাৰ টকা হলেহে কাম সম্পূৰ্ণ কৰিব পৰা হব।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, কলাজান প্ৰাইমেৰী স্কুলখনৰ বাবে যি তিনি হাজাৰ টকা অৰ্থ সাহাৰ্য্য দিয়া হৈছে সেই টকা কাম কৰাৰ আগেয়ে দিয়া হৈছিল নে পিছত দিয়া হৈছে?

ছৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কাম কৰাৰ আগেয়ে দিয়া হৈছে?

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, যি তিনি হেজাৰ টকাৰ চৰকাৰৰ সাহাৰ্য্য পোৱা হৈছে সেই টকাৰ লগত বাইজৰ ফালৰ পৰা কিমান টকা পোৱা হৈছে?

ছৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ৰাইজৰ ফালৰ পৰা পোৱা সাহাৰ্য্যৰ খবৰটো মোৰ নাই।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, তেখেতে প্ৰশ্নৰ উত্তৰত কৈছে যে দহ হেজাৰ টকা, নিশ্চয় ভাবে ৭ হেজাৰ টকা ৰাইজৰ পৰা পোৱা হব লাগিব। এই কামখিনি কৰাৰ আগতে আঁচনি খনত বিভাগীয় অনুদান দিয়া হৈছিল নেকি ?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, প্ৰাইমেৰী স্কুলৰ ঘৰ নিৰ্মাণৰ বাবে তেনে কোনো আঁচনি আমাৰ নাই। তথাপিও সেই স্কুলখনৰ বাবে তিনি হেজাৰ টকা দিয়া হৈছিল কিন্তু ডি আয়ে জনাইছে যে দহ হেজাৰ টকা হলেহে ঘৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হব।

শ্ৰীনগেন বৰুৱা: অধ্যক্ষ মহোদয়, কলাজান আঁচনিখনৰ কাৰণে তিনি হেজাৰ টকা দিয়া হৈছিল বুলি মন্ত্ৰী মহোদয়াই কৈছে। তাৰ ভিতৰত চৰকাৰ বা ৰাইজে কি কাম কৰিবলৈ লৈছে আৰু কৰা কামখিনি সম্পূৰ্ণ হ'ল নে নাই? দহ হেজাৰ টকা লাগিব বুলি কৰা আঁচনিখন কেতিয়া লোৱা হৈছিল?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, পিছত তেওঁলোকে জনাইছে আৰু কিমানখিনি কাম কৰা হৈছে সেই বিষয়ে আগতেই কোৱা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, এই কামখিনিৰ ইউটিলাইজেচন চাৰ্টি-ফিকেট কোনে দিছে?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, তাৰ ডি আই মহোদয়ক চাবৰ কাৰণে কোৱা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, মই সুধিছো ইউটিলাইজেচন চাৰ্টি-ফিকেট কোনে দিছে?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, প্ৰভিন্সিয়েলাইজেচন আঁচনিক ঘৰ নিৰ্মাণৰ কাম দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, ইউটিলাইজেচন চাৰ্টিফিকেট মতে টকা পইচা ঠিকমতে খৰচ কৰা হৈছে নে নাই?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, সেই খবৰ মোৰ হাতত নাই।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, এই কথাটো সঁচানে কি যে স্কুল কেতিয়াও পৰিদৰ্শন নকৰাকৈয়ে ইউটিলাইজেচনৰ চাৰ্টিফিকেট দিয়া হৈছে?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, চাব লাগিব।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, এই কথা সঁচানে কি যে সেই স্কুল খনৰ বাবে যিখিনি টকা দিয়া হ'ল সেইখিনি খৰচ হল বুলি ইউটিলাইজেচন

চাৰ্টিফিকেট দিয়া হল কিন্তু তাৰ আধাখিনি কামো শেষ নহল?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, সত্য নহয় বুলি কব নোৱাৰো, কাৰণ আগতেই কৈছো যে কাম কৰিবলৈ ব্যৱস্থা লোৱা হৈছে আৰু এতিয়াও শেষ হোৱা নাই। ঘৰৰ ভেটি আৰু তিনিটা খুটা পকা কৰা হৈছে।

শ্ৰীনগেন চন্দ্ৰ বৰুৱা: অধ্যক্ষ মহোদয়, সেই কলাপানী স্কুলখনৰ বাবে যি তিনি হেজাৰ টকা দিয়া হৈছে সেইখিনি ১৯৭৪ চনৰ বাজেটৰ পৰা দিয়া হৈছিল। কিন্তু মন্ত্ৰী মহোদয়াই কৈছে যে প্ৰভিন্সিয়েলাইজেচন হোৱাৰ পিচত ডি, আই মহোদয়ে ইউটিলাইজেচন চাৰ্টিফিকেট দিছে। এই কথা সত্য নহয়। গতিকে, মন্ত্ৰী মহোদয়াই এই বছৰত ধৰা বুলি কোৱা কথাটো অঙ্গীকাৰ কৰি দিয়ক।

শ্ৰীচৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, হয়, এই টকা ১৯৭৪ চনৰ বাজেটৰ টকা। সেই টকাৰে কাম কৰা হৈছে আৰু ইউটিলাইজেচন চাৰ্টিফিকেট দিয়া বুলি মই জানো।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, এই কথা সচাঁনে কি যে যি খিনি টকা খৰচ কৰা হৈছিল সেই টকাৰ হিচাবৰ ভুল হোৱা বাবে এটা অনীতি হোৱা বাবেই তাৰ এজন শিক্ষকক বদলী কৰি আন এঠাইত দিয়া হৈছে?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, নানা কাৰণত শিক্ষকক এঠাইৰ পৰা আন এঠাইলৈ বদলি কৰা হয়। মাননীয় সদস্য গৰাকীয়ে যি অনীতিৰ কথা কৈছে সেইটো সত্য হয় নে নহয় মই চাম।

শ্ৰীসোনেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, এই স্কুলখনৰ ওপৰিও একে শিতানতে আৰু একে সময়তে মেৰেৰী বিল, মেৰাপানী—নৱগ্ৰাম স্কুলৰ বাবে দিয়া টকা খিনিৰ খৰচ শুদ্ধ ভাৱে কৰা হৈছে নে?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ইয়াৰ বাবে এটা বেলেগ প্ৰশ্ন দিলে ভাল হয়। তাৰ উপৰিও মই (খ) প্ৰশ্নৰ উত্তৰতে কৈছো যে ১৪ খন স্কুলৰ কাম এতিয়াও শেষ হোৱা নাই আৰু কাম বোৰ শেষ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, যি জন এচ আই য়ে স্কুল পৰিদৰ্শন নকৰাকৈয়ে ইউটিলাইজেচন চাৰ্টিফিকেট দিব পাৰে আৰু এই টকা খিনি অপব্যৱহাৰ কৰাৰ সম্পৰ্কত তদন্ত কৰি কিবা এটা ব্যৱস্থা চৰকাৰে কৰিবনে ?

চৈয়দা আনোৱাৰা টাইমুৰ, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে তদন্ত কৰিব লাগিব ।

**বিষয় : সাংস্কৃতিক যাদুঘৰ আৰু দপ্তৰখানা নিৰ্মাণ আঁচনি**

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*১৪৩ । মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সাংস্কৃতিক যাদুঘৰ আৰু দপ্তৰখানা নিৰ্মাণৰ আঁচনি কাৰ্য্যকৰী কৰা হৈছে নেকি ?

(খ) এই আঁচনিত কিমান টকা ব্যয় কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( সাংস্কৃতিক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) এতিয়ালৈকে হোৱা নাই ।

(খ) প্ৰশ্ন নুঠে ।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে কৈছে হোৱা নাই । কিন্তু হবলৈ কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া, (মন্ত্ৰী) : এই কাম সাংস্কৃতিক বিভাগে কৰিব । এতিয়া অৱশ্যে পৰিক্ৰমা বিভাগেই কৰি আছে ।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : এই আচনিত কিমান টকা ধৰা হৈছে আৰু আচনি সম্পুৰ্ণ হলে কি সংগ্ৰহ কৰা হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া, (মন্ত্ৰী) : এই আচনিৰ বাবে ১৯৭৫-৭৬ চনত ধুবুৰী, যোৰহাট আৰু শিলচৰত ৩ টা আঞ্চলিক অফিচৰ বাবে ৫০,০০০ হেজাৰকৈ খৰচ কৰা হব । তাৰোপৰি ডিফু আৰু হাফলঙত দুটা নিয়মীয়া ধৰণৰ সংগ্ৰহালয় হব যত ৩০ হেজাৰকৈ খৰচ হব ।

অসমৰ সকলো জাতি উপজাতিৰ পুৰনি সাজ-পোচাক, বাদ্যযন্ত্ৰ, অলংকাৰপাতি, অসমীয়া নাটক, গ্ৰামোফোন ৰেকৰ্ড, লোকগীত আদিৰ

টেপ ৰেকৰ্ড কৰি ৰাখিবৰ বাবে গুৱাহাটীত এটা কলা বিষয়ৰ সংগ্ৰহালয় স্থাপন কৰিবলৈ ৫ম বাৰ্ষিক পৰিকল্পাত প্ৰাৰম্ভিক ভাবে ৰবীন্দ্ৰভৱনতে প্ৰস্তাব কৰা হৈছে। এই কামৰ বাবে মাত্ৰ এজন সংগ্ৰাহক, এজন টেপৰেকৰ্ডিষ্ট ৰখাৰ কথা ধৰা হৈছে। এতিয়া এই অৱস্থাত আছে।

শ্ৰীজগদীশচন্দ্ৰ দাস ঃ বৰদোৱা থানত শ্ৰীশঙ্কৰদেৱৰ দিনৰে কিছুমান আপুকগীয়া বস্তু পৰি আছে। সেইবোৰ আনি যাদুঘৰত ৰখা ব্যবস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া, (মন্ত্ৰী) ঃ সময়ত সেইবোৰ অনা হব।

বিষয় ঃ নগোৰা আলি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*১৪৪। মাননীয় পড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট মহকুমাৰ গোলাঘাট সমষ্টিত অৱস্থিত নগোৰা আলিটো পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাৰ কালছোৱাৰ ভিতৰতে পিচ দি পকা কৰাৰ যি আঁচনি আছিল সেই আঁচনি এতিয়া কি অৱস্থাত আছে জনাবনে ?

(খ) এই নগোৰা আলিটোৰেদি অসম সমবায়ৰ চেনি কলৰ বহুভাগ কুহিয়াৰ আৰু সমীপৰ চাহ বাগিছা বনাঞ্চল আদিৰ উদ্যোগজাত অনেক সামগ্ৰী নিতৌ কঢ়িওৱা হয়, এই কথা সঁচানে ?

(গ) উক্ত আলিটোৰ উপৰোক্ত গুৰুত্বলৈ লক্ষ্য ৰাখি আলিটোৰ তেল দিয়া কাম খৰখেদাকৈ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ, (পড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—আৰ্থিক নাটনিৰ বাবে উক্ত কামটো হাতত লব পৰা নাই।

(খ)—সঁচা।

(গ)—উপৰোক্ত (ক) প্ৰশ্নোত্তৰ মতে প্ৰশ্ন নুঠে।

শ্ৰীসোনেশ্বৰ বৰা: আৰ্থিক নাটনি কেতিয়া গুচিব বুলি চৰকাৰে ভাবিছে ?

শ্ৰীমহমদ ইদ্ৰীচ, (মন্ত্ৰী): ভাৰত চৰকাৰে যিমান সোনকালে দিব পাৰে। মাননীয় সদস্যৰ জ্ঞাতাৰ্থে জনাও যে ভাৰত চৰকাৰে ৰাস্তাৰ কথাটো লো প্ৰায়ৰিতি দিয়ে। সেইকাৰণে ৫ম পৰিকল্পনাত যিমান টকা ধৰা হৈছে সিমান পোৱা হব বুলি সন্দেহ আছে।

শ্ৰীসোনেশ্বৰ বৰা: ৰাজ্যিক পৰ্য্যায়ত নিশ্চয় কিছুমান ৰাস্তা লৈছে। এই ৰাস্তাটোৰ গুৰুত্বলৈ চাই অগ্ৰাধিকাৰ দিবনে ?

শ্ৰীমহমদ ইদ্ৰীচ, (মন্ত্ৰী): পঞ্চম পৰিকল্পনাত এই ৰাস্তাটো আছে। টকা নোহোৱাৰ বাবেহে হোৱা নাই। টকা পালেই অটাইবোৰ কাম আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীপ্ৰেমধৰ বৰা: পঞ্চম পৰিকল্পনাত অনগ্ৰসৰ অঞ্চলৰ বাবে টকা নিদিয়াৰ বাবেই এই অৱস্থা হৈছে। কৃষি প্ৰধান অঞ্চলত যাতায়তৰ সুবিধা দৰকাৰ। গতিকে গাৱঁলীয়া ৰাস্তাৰ উন্নতিৰ বাবে চেষ্টা কৰিবনে ?

শ্ৰীমহমদ ইদ্ৰীচ, (মন্ত্ৰী): আমাৰ ফালৰ পৰা চেষ্টা কৰা হয়। কিন্তু আৱশ্যকীয় পুজিৰ অভাবতহে কিছুমান কাম লব পৰা নাই।

শ্ৰীসোনেশ্বৰ বৰা: মন্ত্ৰীয়ে কৈছে গোটেই টকা পালেই গোটেই ৰাস্তাৰ কাম কৰা হব। মোৰ প্ৰশ্ন হৈছে এই ৰাস্তাৰ গুৰুত্বলৈ চাই অগ্ৰাধিকাৰ দিয়াৰ কথা বিবেচনা কৰিবনে ?

শ্ৰীমহমদ ইদ্ৰীচ, (মন্ত্ৰী): পঞ্চম পৰিকল্পনাৰ টকা পালে অগ্ৰাধিকাৰ দিয়াৰ কথা বিবেচনা কৰা হব।

শ্ৰীসোনেশ্বৰ বৰা: নিৰ্মান আচনিত কিমান টকা ধৰা হৈছে ?

শ্ৰীমহমদ ইদ্ৰীচ, (মন্ত্ৰী): ৭ লাখ ৯৮ হাজাৰ টকা।

শ্ৰীজগদীশচন্দ্ৰ দাস: পঞ্চম পৰিকল্পনাৰ যোজনাবিলাকৰ মাৰ্চ মাহত পাবলগীয়া টকা কেতিয়া পাব আৰু এমাহে আছে ?

শ্ৰীমহমদ ইদ্ৰীচ, (মন্ত্ৰী): দৃষ্টান্ত দিলেহে কব পৰা হব।

শ্ৰীসোনেশ্বৰ বৰা: নগোৱা আলিৰ কাৰণে চাৰে সাত লাখ টকা ধৰা হৈছে। ইয়াতো আংশিক ভাবে কাম কৰাব ব্যৱস্থা কৰিবনে ?

শ্ৰীমহমদ ইদ্ৰীচ, (মন্ত্ৰী): প্ৰত্যেক মহকুমাতে কাম লোৱা হৈছে। গোলাঘাটতো কিছু কাম হৈ আছে।

বিষয় ঃ গোসদন

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*১৪৫। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কিমান গোসদন আছে আৰু ক'ত ক'ত ?

(খ) এই সদনবোৰলৈ চৰকাৰে কি ধৰণে সাহাৰ্য্য আগবঢ়ায় ?

(গ) ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনত এই শিতানত কিমানত টকা ব্যয় কৰা হৈছে ?

(ঘ) মঙ্গলদৈ মহকুমাত কেইখন গোসদনত সাহায্য দিয়া হৈছে ?

ডা ঃ লুটফুৰ ৰহমান, (পশু পালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত মাত্ৰ এখন গোসদন আছে। এই গোসদন কামৰূপ জিলাৰ অঙ্গাৰকাটাত অৱস্থিত।

(খ) ওপৰোক্ত গোসদনখন চৰকাৰৰ দ্বাৰা পৰিচালিত গতিকে ইয়াত সাহাৰ্য্য দিয়াৰ কথা নুঠে।

(গ) এই সদনখনৰ বাবে চৰকাৰে ১৯৭৪-৭৫ চনত মুঠ ১৫,৪৩৬ টকা আৰু ১৯৭৫-৭৬ চনত অৰ্থাৎ ১৯৭৬ চনৰ জানুৱাৰীৰ পহিলা তাৰিখলৈ মুঠ ৯,৬২০ টকা ব্যয় কৰা হৈছে।

(ঘ) এই প্ৰশ্ন নুঠে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ অধ্যক্ষ মহোদয়, মুঠ কিমানখন গোশালা আছে জনাবনে ?

ডাঃ লুটফুৰ ৰহমান, (মন্ত্ৰী) ঃ প্ৰশ্নটো হৈছে গোসদনৰ তথাপি কওঁ অসমত মুঠ ১২ খন গোশালা আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ গোসদন আৰু গোশালা একেই। অৱশ্যে মন্ত্ৰীয়ে কৈছে ১২ খন। বছৰি কিমান আৰ্থিক সাহাৰ্য্য দিয়া হয় ?

ডাঃ লুটফুৰ ৰহমান, ( মন্ত্ৰী ) ঃ যোৱা বছৰ দিয়া হৈছিল। কিন্তু এই প্ৰশ্নটো গোসদনৰহে।

বিষয় ঃ গাওঁবুঢ়া

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*১৪৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কিমানজন গাওঁবুঢ়া আছে ?

(খ) তেওঁলোকক কি কি দায়িত্ব দিয়া হৈছে ?

(গ) তেওঁলোকক সেই দায়িত্বৰ বিনিময়ত কি কি দিয়া হয় ?

(ঘ) এই ব্যৱস্থাৰ কিবা সালসলনি কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৫৬৮৬ জন।

(খ) অসম ভূমি ৰাজহ নিয়মাৱলীৰ ১ নং গ্ৰন্থ খণ্ডৰ ৮ নং অনুচ্ছেদৰ অষ্টম অংশৰ ১৬৭ ধাৰাত গাওঁবুঢ়া সকলৰ দায়িত্ববোৰ উল্লেখ আছে আৰু তাৰ এটা নকল সদনৰ মেজত ৰখা হৈছে।

(গ) গাওঁবুঢ়া সকলৰ সম্ভাব্য ব্যয়ৰ কাৰণে দিয়া ১০ টকা লৈ মুঠ ২৫০ টকা বছৰে দিয়া হয়। ইয়াৰ বাহিৰে তেখেত সকলৰ কাৰণে আন চৰকাৰী কৰ্ম্মচাৰীৰ দৰে বিনামুলীয়া চিকিৎসাৰ ব্যৱস্থা আছে। বিশিষ্ট গাওঁবুঢ়া সকলক উপাযুক্তই সোণৰ আঙুঠি পুৰস্কাৰ দিয়ে।

(ঘ) তেনেকুৱা কোনো প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীনত নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, এই গাওঁবুঢ়াসকলক কোনে আৰু কেনেকৈ নিয়োগ কৰে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : এই গাওঁবুঢ়া সকলক এচ,ডি,ও বিলাকে নিয়োগ কৰে আৰু এচ, ডি, চি ৰ ৰিকোমেণ্ট অনুসৰি এই নিযুক্তি দিয়া হয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : এই গাওঁবুঢ়া সকলক চৰকাৰী চাকৰীয়াল হিচাপে বিবেচনা কৰা হয় নে নহয় ?

ডাঃ ভূমিধৰ বৰ্মণ, (মন্ত্ৰী) : চৰকাৰী চাকৰীয়াল বুলি ধৰা নহয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : এই গাওঁবুঢ়া সকলক যেনে ধৰণে কাম দিয়া হৈছে আৰু যিটো মুনাফা তেওঁলোকক দিয়া হৈছে সেইটো যথেষ্ট বুলি ভাবে নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ, (মন্ত্ৰী) : তেওঁলোকক যিটো কাম দিয়া হৈছে সেইটো কাম হোল টাইম নহয়। তেওঁলোকে ইয়াৰ উপৰিও নিজৰ নিজৰ কাম

কৰে। অৱশ্যে বেছিকৈ দিব পাৰিলে ভাল আছিল। কিন্তু টকাৰ অৱস্থা চাই এইখিনিয়েই দিয়া হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া: যদিও তেওঁলোক চৰকাৰী কৰ্মচাৰী নহয়, কিন্তু তেওঁলোকক যিটো কামৰ তালিকা দিছে সেইটো সম্পূৰ্ণ চৰকাৰী চাকৰীয়ালৰ কাম কৰিব লাগে। অধ্যক্ষ মহোদয়, ২০ টকাত ইমান কাম কৰা সাধাৰণতে কোনো ধৰণে সম্ভৱপৰ নহয়। এইটো কথালৈ লক্ষ্য ৰাখি টকা বঢ়াই দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী): এই সম্পৰ্কে পৰীক্ষা কৰি চাব পাৰিম।

শ্ৰীআব্দুল মুক্তাদাৰ চৌধুৰী: কাছাৰ জিলাত গাওঁবুঢ়া দিয়া হৈছে নেকি?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী): দিয়া হোৱা নাই।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ: গাওঁবুঢ়া এচ, ডি, চি, ৰ ওপৰত নিৰ্ভৰ কৰি নিযুক্তি দিয়া হয়। এই নিযুক্তি দিওঁতে মৌজাদাৰ সকলৰ পৰা কিবা ৰিপৰ্ট লোৱা হয় নেকি?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী): এচ,ডি,চি, সকলে গাওঁবুঢ়াক নিযুক্তি দিওঁতে তিনিটা কথাৰ ওপৰত নিৰ্ভৰ কৰে। (১) মৌজাদাৰৰ চাৰ্টিফিকেট, (২) কেৰেক্টাৰ চাৰ্টিফিকেট, (৩) পৰিয়ালৰ ভাল-বেয়া বিবেচনা কৰি চাই এই নিযুক্তি দিয়া হয়।

অযোধ্যা ৰাম দাস: গোৱালপাৰা আৰু কাছাৰ জিলাত গাওঁবুঢ়া নিযুক্তি দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি?

ডাঃ ভূমিধৰ বৰ্মণ, (মন্ত্ৰী): বিশেষকৈ বৃটিচৰ দিনতেই গাওঁবুঢ়াৰ সৃষ্টি হৈছিল। কাৰণ গাওঁলৈ গলে আন মানুহৰ পৰা সহায় নাপাব বুলিয়েই এই গাওঁবুঢ়াৰ সৃষ্টি কৰিছিল। কিন্তু বৰ্ত্তমান আন আন বহুতো সংস্থান আছে যেনে পঞ্চায়ত ইত্যাদি। গতিকে নতুনকৈ আৰু গাওঁবুঢ়া দিয়াৰ সমিচিন নহয় বুলিয়েই ভাবো।

শ্ৰীসোনেশ্বৰ বৰা: গ্ৰামস্ত মণ্ডল্য ৰাজ্য, তস্যমন্ত্ৰী গাওঁবুঢ়া, বোলা কথাটো ইয়াত প্ৰতিপন্ন হৈছেনে নাই?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : নাই।

শ্ৰী কেহোৰাম হাজৰীকা :- নিযুক্তিতকৈ নিৰ্ব্বাচনৰ কথাটো ভাবি চাবনে?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : চৰকাৰে সেইটো ভবা নাই।

শ্ৰীসোনেশ্বৰ বৰা : ইতিমধ্যেই কোনো কোনো গাওঁবুঢ়াক কামৰ পৰা বৰ্খাস্ত কৰা হৈছে নেকি?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : বেয়া সকলক চাছপেণ্ড কৰাৰ ব্যৱস্থা আছে।

শ্ৰীসোনেশ্বৰ বৰা : জৰুৰীকালীন অৱস্থাত কাৰোবাক বৰখাস্ত কৰা হৈছে নেকি?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : তেনেকুৱা খবৰ মোৰ হাতত নাই।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কলে যে গাওঁবুঢ়া সকল চৰকাৰী চাকৰিয়াল নহয়। মই সুধিব খুজিছো যে, মহামান্য হাইকৰ্টৰ আদালতত তেওঁবিলাকক চৰকাৰী চাকৰিয়াল বুলি ঘোষণা কৰাৰ কিবা হুকুম আছেনেকি?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : সেই বিলাক খবৰ মোৰ হাতত নাই।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : মন্ত্ৰী মহাশয়ৰ উত্তৰৰ পৰাই তেওঁবিলাকক চৰকাৰী চাকৰিয়াল নহয় বুলি ধৰি লব পাৰোনে?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : চৰকাৰী চাকৰিয়াল নহয় বুলি মই আগতেই কৈছো।

শ্ৰীজগদীশ দাস : গাওঁবুঢ়া বিলাকে যদিও নানা বিলাক কাম কৰিব লাগে সেই অনুপাতে তেওঁবিলাকক ভাল কাম কৰাৰ কাৰণে কিবা পাৰিতোষিক দিয়াৰ নিয়ম আছেনেকি?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : চৰকাৰৰ পৰা দি থকা হৈছে।

শ্ৰীজগদীশ চন্দ্ৰ দাস : কিমানক দিয়া হৈছে?

ডাঃ ভূমিধৰ বৰ্ম্মণ, (মন্ত্ৰী) : কিমানক দিয়া হৈছে সেইটো খবৰ মোৰ হাতত নাই।

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, গাওঁবুঢ়া সকলক 'অনাৰেৰিয়াম' বছৰেকত ২৫০ টকা দিয়া হয়। কামৰ তুলনাত এইটো একেবাৰেই কম। তথাপিও এই ২৫০ টকাও থিকমতে নোপোৱা

কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ? আৰু যদি জানে তেতিয়াহলে, সেইটো থিকমতে দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ, ( মন্ত্ৰী ) : নোপোৱাৰ কথা নহয় । যদি মাননীয় সদস্যজনে তেনেকুৱা কিবা কেছ দৃষ্টিগোচৰ কৰে সেইটো নিশ্চয় চাম ।

## Re : Bakery Workers of Silchar

**Shri Kehoram Hazarika asked :**

* 134. Will the Minister. Labour be pleased to State—

( a ) Whether Government is aware that the Bakery workers at Silchar are to work more than eight hours a day without any overtime allowance ?

( b ) Whether Government is also aware that the Bakery Workers at Silchar have not been given even weekly rest by employers ?

( c ) Whether Government is also aware that the Bakery workers are being retrenched during Emergency period defying legal Provisions ?

( d ) If so, the steps taken by Government in this regard ?

**Shri Gajen Tanti, ( Minister, Labour ) replied :**

( a ) — Yes.

( b )— Yes, it was a fact.

( c )— Seven persons infour Bakeries have been retrenched during December/January. 1975-76

( d )— Cases have been taken up by the Government under provisions of the Industrial Disputes Act, 1947.

Shri Promode Chandra Gogoi : Sir, what are grounds furnished by the management for retrenchment of the Bakery workers ?

Shri Sarat Chandra Sinha, ( Minister ) : They have not said specific grounds, but then their industry is very small and therefore they cannot maintain such a large staff, these were the Graunds.

শ্ৰীকেহোৰাম হাজৰীকা : মাননীয় অধ্যক্ষ মহাশয়, অ'ভাৰ টাইম'ৰ ব্যৱস্থাটো নথকাকৈয়ে ১৪।১৫ ঘণ্টা কাম কৰিব লগীয়া হোৱাৰ কাৰণে ভেণ্ডৰবিলাকে তাৰ আপত্তি কৰাৰ কাৰণেই শেষত এই অবস্থা হোৱা কথাটো সঁচানে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ, (মূখ্যমন্ত্ৰী) : সেইটো নহয়। গোটেই কথাবিলাক ডি, চিয়ে ব্যৱস্থা কৰি এটা চেটেলমেণ্ট কৰি দিছে।

**বিষয় : চৰকাৰী চাকৰিয়ালৰ চিকিৎসাৰ বাবদ হোৱা খৰচ**

শ্ৰীকেহোৰাম হাজৰিকাই সুধিছে :

*১৪০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰী কৰ্ম্মচাৰী সকলৰ চিকিৎসাৰ বাবদ খৰচ হোৱা খৰচখিনি ঘূৰাই দিয়াৰ চৰকাৰী নিয়ম আছেনে ?

(খ) যদি আছে, কাক ফিৰাই দিয়া হয় আৰু কি কি কাৰণত ফিৰাই দিয়া হয় ?

(গ) এই কথা সচাঁনে চৰকাৰৰ চাকৰি কৰা ডাঙৰ সকলে পৰামৰ্শ (ব্যৱস্থা পত্ৰ) দিলে চিকিৎসাৰ খৰচ ফিৰাই দিয়া হয় আৰু চৰকাৰী চাকৰি নকৰা ডাক্তৰ সকলে দিলে ফিৰাই দিয়া নহয় ?

(ঘ) যদি নহয়, কিয় নহয় ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নিয়ম আছে,

(খ) চৰকাৰী কৰ্ম্মচাৰীক চৰকাৰী চিকিৎসাবিধিৰ নিয়ম অনুসায়ী চৰকাৰী চিকিৎসালয়ত বা চৰকাৰী হাস্পতালত লোৱা চিকিৎসাৰ কাৰণে চৰকাৰী হাস্পতালত নথকা বিশেষ ঔষধ পাতি কিনাৰ খৰচ চৰকাৰী অনুমুদিত দৰবৰ তালিকা অনুযায়ী ঘূৰাই দিয়া হব,

(গ) এইটো কথা সত্য। চৰকাৰী চিকিৎসাবিধিৰ নিয়ম অনুযায়ী চৰকাৰী ডাক্তৰে দিয়া ব্যৱস্থা পত্ৰ অনুসাৰে দৰবৰ দাম দিয়া হয়। বেচৰকাৰী ডাক্তৰে ব্যৱস্থা পত্ৰ দিলে চিকিৎসাৰ খৰচ ঘূৰাই দিয়া নহয়।

(ঘ) বেচৰকাৰী চিকিৎসাৰ খৰচ ঘূৰাই দিয়াৰ ব্যৱস্থা নাই।

শ্ৰীকেহোৰাম হাজৰিকা : বেচৰকাৰী ডাক্তৰে পৰামৰ্শ পত্ৰ দিয়ে সেই মতে ঔষধৰ খৰচ পাতিবোৰ ঘূৰাই নিদিয়া কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : বেচৰকাৰী ডাক্তৰে দিলেই নহয়।

শ্ৰীকেহোৰাম হাজৰিকা : চৰকাৰী ডাক্তৰে দিলেই ঘূৰাই দিয়াৰ ব্যৱস্থা আৰু বেচৰকাৰী ডাক্তৰে দিলে নিদিয়ে। কি কাৰণে এইটো কৰা নহয় ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : এইটো আইনৰ কথা।

শ্ৰীপিটসিং কোৱঁৰ : বেচৰকাৰী ডাক্তৰে দিয়া ঔষধ যদি চৰকাৰী ডাক্তৰে 'এপ্ৰোভ' কৰে তেতিয়া ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : এই ক্ষেত্ৰত দিয়া হব পাৰে ?

শ্ৰীজগদীশ চন্দ্ৰ দাস : কোনো বেমাৰ নোহোৱাকৈয়ে টকা লৈ ডাক্তৰে পত্ৰ আৰু ঔষধ পাতি দিয়াৰ ব্যৱস্থা কৰি দুৰ্নীতি কৰি থকা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : মই নেজানো। বহুতো সময়ত এম, এল, এ, সকলেই এনেকুৱা কৰে।

শ্ৰীকেহোৰাম হাজৰিকা : কথাটো হ'ল সময়ত কেতিয়াবা চৰকাৰী ডাক্তৰ পোৱা নাযায় আৰু বেমাৰে চৰকাৰী ডাক্তৰৰ কাৰণে ৰৈ নাথাকে। তেনেকুৱা সময়ত কোনো কোনো সময়ত বেচৰকাৰী ৰেজিষ্টাৰ্ড মেডিকেল প্ৰেকটিচনাৰে যদি চিকিৎসা কৰে তেনেহলে সেই চিকিৎসাৰ খৰছটো চৰকাৰী ডাক্তৰৰ পৰামৰ্শমতে ঘূৰাই দিয়াৰ ব্যৱস্থা চৰকাৰ কৰিবনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : কথাটো একেই হৈছে আমাৰ যিখন চৰকাৰী আইন সেই আইনত এই কথাটো নাই সেই কাৰণে কৰিব পৰা নহয়। মই দুখেৰে এটা কথা কৈছো মাননীয় সদস্য এগৰাকীৰ প্ৰশ্নোত্তৰত মই ধেমালীৰ চলেৰে বিধান সভাৰ সদস্য সকলে এই বিলাক কৰে বুলি কৈছিলো। মই কথাটো উঠাই লৈছো। প্ৰকৃততে তেনে প্ৰমাণ নাই। গতিকে মই কথাটো উঠাই লৈছো আৰু ক্ষমা বিছাৰিছো। মান-

মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটো সম্পুৰ্কে তেনে আইনৰ ব্যৱস্থা কৰাটো মৰো আশা কৰো।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া: মই এইখিনিতে মাননীয় অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো কাৰণ কথাই কথাই মাননীয় মন্ত্ৰী সকলে এম এল এ ইটো কৰে এম এল এ সিটো কৰে বুলি লেটিওৱা কথাবিলাক পৰিহাৰ কৰিব লাগে।

মাননীয় অধ্যক্ষ: তেখেতে ক্ষমা খুজিছে।

ডাঃ কোষেশ্বৰ বৰা: ভাৰত চৰকাৰৰ আৰু অসম চৰকাৰৰ কৰ্ম্মচাৰীবিলাক বেলেগ বেলে নেকি? গভাৰত চৰকাৰৰ কৰ্ম্মচাৰী সকলে বেচৰকাৰী মেডিকেল প্ৰেকটিচনাৰে চিকিৎসা কৰা খৰচপাতি পায় কিন্তু অসম চৰকাৰৰ ক্ষেত্ৰত নাপায়। গতিকে এই বৈষম্যটো কিয়? গতিকে এইটো আইনত আছেনে নাই মন্ত্ৰী মহোদয়ে কথাটো ভালকৈ চাব লাগে আৰু মই জানিব বিছাৰিছো ভাৰত চৰকাৰৰ কৰ্ম্মচাৰীৰ দৰে অসম চৰকাৰৰ কৰ্ম্মচাৰী সকলকো এই সুবিধাকন দিবনে?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): আইনত আছে কিন্তু সেই ব্যৱস্থা আমাৰ ডাক্তৰে এচেনচিয়েল বুলি চাৰ্টিফিকেট দিব লাগিব তেতিয়াহলে পৰা যায়।

ডাঃ কোষেশ্বৰ বৰা: আমি ভাবো ৰেজিষ্টাৰ্ড মেডিকেল প্ৰেকটিচনাৰে কৰা চিকিৎসাৰ খৰচ দিয়াটো বাঞ্চনীয় কাৰণ যিহেতু ভাৰত চৰকাৰে দিয়ে অসম চৰকাৰে দিয়াটোত কোনো বাধা নাই গতিকে এই ব্যৱস্থাটো সোনকালে প্ৰযোজ্য হব লাগে।

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): পৰীক্ষা কৰি চোৱা হব।

শ্ৰীনগেন্দ্ৰ বৰুৱা: আমাৰ বহুতো চৰকাৰী হস্পিটল আছে য'ত এক্সৰে প্লেট নাই বা নাথাকে তেনেকুৱা অৱস্থাত বাহিৰৰ কোনোবা ঠাইত যদি এক্সৰে কৰে আৰু সেই এক্সৰে যদি চৰকাৰে বা আমাৰ ডাক্তৰে গ্ৰহণ কৰে তেনেহলে সেই এক্সৰেৰ খৰছ চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী): মই ভাবো সকলো ঠাইতে এক্সৰে প্লেটৰ ব্যৱস্থা আছে আৰু ক'ৰবাত নাথাকিবও পাৰে। বাহিৰৰ পৰা যদি এক্সৰে কৰি আনে তেনেক্ষেত্ৰত দিয়া হয় আৰু যদি ক'ৰবাত কিবা হৈছে মোক জনালে মই চাম।

## MATTER UNDER RULE 301

Mr. Speaker :—Question hour is over. Now item No. 2, Shri Soneswar Bora.

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি ৰাজ্যখনৰ আৰু জনস্বাৰ্থৰ অত্যন্ত আৱশ্যকীয় বিষয়টো সদনত আলোচনা হবৰ অৰ্থে আৰু যথাযথ উত্তৰ পাবৰ অৰ্থে উত্থাপন কৰিলো। বিষয়টো যোৱা ১২-২-৭৬ তাৰিখে প্ৰকাশিত দৈনিক অসম বাতৰি কাকতত প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে। প্ৰকাশিত বিষটোৰ শিৰোনামা এই

"গৰমপানী চৰম বিপৰ্য্যয়ৰ সন্মুখীন"

উক্ত শিৰোনামাৰে প্ৰকাশিত বাতৰিটোৱে জনতীৰ্থস্থান বুলি খ্যাতি থকা এই গৰম পানীৰ বিপৰ্যয়ৰ বাবে ৰাইজৰ মাজত এক আতংকৰ সৃষ্টি কৰিছে। প্ৰকৃতিৰ অৱদান এই "গৰম পানী"ক সোনত সুৰগা চৰাই কৰিব পৰা উন্নতিত চৰকাৰে বিশেষ একো কৰিব নোৱাৰাত ৰাইজৰ মাজত এক হতাশাই দেখা দিছে। এতেকে বিষয়টো সদনত উত্থাপণ কৰিলো।

Dr. Lutfur Rahman (Minister, Tourism) : Sir, the attention of the Government. has been drawn to the news item dated ll th February, 1976 in "Dainik Asom". This is concerning Garampani in Mikir Hills district on the road between Golaghat and Dimapur. Sir, not only this news item' but before that also Govt's attention was drawn to the site and to the problem. We have several hot springs also in different parts of this State. One was Garampani in North Cachar Hills district and the other known as the Garampani in this particular spot a little away from the Golaghat. Though our attention was drawn to both of these, we had first taken up the development of Garampani, rather we were thinking of taking up the development of Garampani in North Cachar Hills and Garampani in between Golaghat and Dimapur. These hot springs are really assets of the State whether it is in North Cachar Hills or Mikir Hills. But our effort was first to develop it in North Cachar Hills. But unfortunately that will go under water if the Kopili barage is constructed as planned. There-fore, for the present we have given up any construction work for Garampani in North Cachar Hills. Regarding the present one, this hot spring drew the attention of the Government as far back as 1952, not only for its springs but for its wild life and so by notification in the year 1952 Government converted an area of about 6 sq. K. M. including this spring

into a sanctuary. Effort were made to protect this spring by making embankment, constructing some shelter for bathing, but from that time on wards nothing much was done. Recently the position. is not very good. About 2 years back I visited the spot and recommended something as Minister, P. W. D. to Tourism Department saying that it must try to do something. But then fund was not made available. The Government of Assam took up the matter with the Centre. We had an estimate of about 2 lakhs rupees, but at the beginning the Government of India could not do anything. But later on, they agreed to an estimate of Rs. 1 lakh and that fund also did not come during 4th plan. The Government of Assam then by itself in the 5th plan wanted to do something and estimate of Rs. 1 lakh was made and the Tourism Department thought that the work will be taken up in the 5th plan. But the fund was not made available in the first 3 years, but in the 4th and 5th year of the plan. Therefore, the Government in the Forests and Tourism Departments was thinking of the protection of the good hot spring, which is very much rich in sulphar and other chemicals contents and popular among the people of the western countries and local people for hot bath. Recently I visited the spot about a month back and there were some officials of the Forests and Tourism Department along with me. The problem that arose at that time is that picnicers in hundreds use to collect and make the spot as filthy as anything. Therefore, the S. D. O. had to, under Section 144 prevent picnicing in and around the hot spring. There are other problems, The embankment of the hot spring was eroded by the river Nambar and some protection on one side was done. This year we find that at another side the river is eroding the bank and probably it will pass through the hot spring. There are quite a number of hot springs and if the river Nambar goes on like this the whole thing may vanish, Protection work was done on one side and on the other

side there was no protection and the river is eroding it, I asked the Forest Department officials to take some action at least even if it is of temporary nature before the permanent protection work is started, Difficulty is there not only from the river Nambar, but elephants are there in plenty and they come for salty water and damage the embankment, The Forest Department took up a scheme for protecting the area on a temporary measure and the estimate was for about Rs, 6 to 10 thousand rupees and the Department will find out Rs. 6,000 by 31st March and we can do some work so that the erosion is prevented. We have some savings from the work we were to do in N. C, Hills hot spring which we could not take up as the area is going to be submerged by Kapili barrage lake. Therefore, we have a savings there on account of that work and that money diverted to one Tourist Lodge at Haflong. But the P, W, D, has informed us that they cannot utilise the whole amount there, and I have asked the Tourism Department that Rs, 15 to 20 thousand may be diverted to the hot spring so that at least we can put the fencing around the hot spring not only to protect it from the animals but also from the human beings picnicing there and making the place filthy for which people, particularly the foreign tourists cannot go there. We have other idea also. We want to construct a Tourist Lodge and transport system to Garampani for the tourists coming to Kaziranga so that when they come to Kaziranga they can go to Garampani to see the wild life there and take bath in the hot spring which is good for health because of sulphar do her chemical contents in the water. The Government is quite aware of the impor- tance of the hot spring. We will gradually develop the site. We feel, there should be a good Tourist Lodge and good communication system and bathing system which we can make by some shower-bath system so that the people are not required to go to the tank and make it filthy.

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰ দিলে নাম্বৰ নদীখন খহোৱা ইত্যাদি সম্পৰ্কত। মন্ত্ৰী মহোদয়ে এই কথাটো জানেনে য, নদীখনৰ

পানী উঠি তাৰ বালিয়ে পুখুৰী পুতি পেলাইছে। এই বালিখিনি পেলাই দিলে বা দিব পাৰিলে এই খিখিনি এফালে পুতি দিছে প্ৰকৃততে সেইটো নোহোৱা হৈ যাব। অলপ খৰছ কৰিলেই গড়কাপ্তানী বা 'টৰিইজম' বিভাগে এইটো কৰিব পাৰিব। আবিষ্কাৰ নোহোৱাকৈ নাম্বৰ ৰিজাৰ্ভত এনেকুৱা বহুতো বিলাক গৰম পানীৰ উহ আছে। ৰাজ আলিত থকাৰ কাৰণেহে এইটো এনেকুৱা হৈছে। হাবিৰ মাজত সেই বিলাক ললে এনেকুৱা বিলাক বিপৰ্য্যয়ৰ সন্মুখীন হব নেলাগিব। সেই বিলাক দৰ্শকৰ কাৰণে আকৰ্ষণীয় কৰা ইত্যাদি কথা বিলাক মন্ত্ৰী মহোদয়ে চাবনে?

ডঃ লুটফুৰ ৰহমান (মন্ত্ৰী): সেইবিলাক আকৰ্ষণীয় কৰাৰ ব্যৱস্থা কৰা হৈছে। এম-বেংকমেণ্টটো ভালকৈ মাৰিব পাৰিলে পানীৰ তললৈ যাব নোৱাৰে পানীৰ লেভেল উঠি গলে পাইপ দি নোযোৱাৰ ব্যৱস্থা কৰি দিব পাৰি। তাত এফালেই নহয়। চাৰিওফালেই স্প্ৰীং আছে। কিন্তু তাত হাতী, বাঘ, হৰিণ, পহু আদিও আছে। হলেও সকলো বিলাক জেগাকেই যাতে উদ্দেশ্যৰ ভিতৰলৈ আনিব পাৰি তাৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে। আৰু তাত যাতে এটা 'টৰিষ্ট চেণ্টাৰ' হব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে।

## RESOLUTION

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ:- মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, প্ৰস্তাৱটোৰ সমৰ্থনত মই ইয়াকে কব বিচাৰিছো যে আমাৰ ৰাজ্যখনত এই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ মাজেদি শিক্ষাৰ ক্ষেত্ৰত আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত এটা ডাঙৰ পদক্ষেপ হব আৰু বিশেষকৈ আমাৰ দেশখনৰ যি সকল দৰিদ্ৰ লোক সেই লোকসকলৰ আৰ্থিক উন্নতিৰ কাৰণে যি ব্যৱস্থা চৰকাৰে ইতিমধ্যে হাতত লৈছে আৰু সেই লোক সকলক সাংস্কৃতিক মান উন্নত কৰাৰ কাৰণেও তেনেকুৱা ব্যৱস্থা লোৱা নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে আৰু এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ মাজেদি আমাৰ ৰাজ্যখনত বিশেষকৈ যিসকল এতিয়া শিক্ষাৰ ক্ষেত্ৰত পিচপৰি আছে যিসকল আমাৰ দেশখনৰ পিছপৰা সম্প্ৰদায়ৰ লোক অনুসূচীত জাতি আৰু জনজাতীয় লোক সেই লোক সকলৰ শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ কাৰণে ইয়াৰ যোগেদি এটা ডাঙৰ বৰঙণি যোগোৱা হব। ইতিমধ্যে ভাৰতবৰ্ষৰ বহুতো প্ৰদেশে এটা নিৰ্দ্দিষ্ট স্তৰলৈ বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে কিন্তু গোটেই ৰাজ্যৰ তথ্য মোৰ হাতত নাই।

(থুলৰ অভাৱত সদন কিছু সময়ৰ কাৰণে বন্ধ থাকে)

উপাধ্যক্ষ ডাঙৰীয়া ইভিমধ্যে ভাৰতবৰ্ষৰ বহুতো প্ৰদেশে এটা নিৰ্দ্দিষ্ট স্তৰ পৰ্য্যন্ত বিনামূলীয়া শিক্ষা প্ৰবৰ্ত্তন কৰাৰ ব্যৱস্থা হাতত লৈছে কিন্তু গোটেই বিলাক ৰাজ্যৰ তথ্য পাতি মোৰ হাতত নাই কিন্তু এইটো জানো যে অন্ধ্ৰপ্ৰদেশ, উড়িষ্যাত ছোৱালী শিক্ষাৰ কাৰণে এনেকি বিশ্ববিদ্যালয় পৰ্য্যন্ত বিনামুলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা চৰকাৰে লৈছে আৰু সৰহভাগ ৰাজ্যতে অষ্টমমান শ্ৰেণী-লৈকে ইত্তিমধ্যে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা লৈছে আৰু আমাৰ ৰাজ্যৰ কথাও যদি আমি বিবেচনা কৰি চাওঁ ১৯৭১ চনৰ চেন্সাচৰ তথ্য মতে আমাৰ ৰাজ্যখনত শিক্ষিত লোকৰ সংখ্যা হৈছে প্ৰায় শতকৰা উনত্ৰিশ জন। গতিকে আমাৰ নিৰক্ষৰতা দুৰীকৰণৰ ক্ষেত্ৰত কৰিবলগীয়া এতিয়াও বহুখিনি বাকী ৰৈ গৈছে, তাৰোপৰি আৰু এটা কথা আমি লক্ষ্য কৰিব লাগিব যে আমাৰ এই ব্যৱস্থা প্ৰবৰ্ত্তন কৰিবলৈ যাওঁতে এটা প্ৰশ্ন নিতান্তই আহিব পাৰে যে ইয়াৰ কাৰণে যিখিনি অৰ্থৰ প্ৰয়োজন হব সেইখিনি চৰকাৰে বৰ্ত্তমান অৱস্থাত বহন কৰিব প্যাৰিব নে নোৱাৰে। এতিয়ালৈকে আমাৰ ৰাজ্যখনত এহেজাৰ চাৰিশ আঠাৱন্ন খন হাই বা হায়াৰ চেকেণ্ডাৰি স্কুল আছে আৰু সেই বিলাকৰ ভিতৰত ইতিমধ্যে বহু কেইখন স্কুলত অন্ততঃ প্ৰায় সকলো বিলাক স্কুলতেই ষষ্ঠমান শ্ৰেণীলৈকে বিনামুলীয়া শিক্ষাৰ ব্যৱস্থা কৰিছে আৰু এইটো কথাও ঠিক যে ইতিমধ্যে আমাৰ শিক্ষাৰ শিতানত ৰাজহৰ এটা বুজন অংশ বাজেটত শিক্ষাৰ শিতানত প্ৰায় চল্লিশ কোটি টকা খৰচ কৰা হৈছে সেই কথালৈ লক্ষ্য ৰাখি এই কথা বিলাক বিবেচনা কৰি চাব লগিব। এতিয়াও আমাৰ দেশত বহুত দৰিদ্ৰ মানুহ আছে যিবিলাকে ফিজ দিয়াৰ অভাৱতে লৰাছোৱালীক উচ্চ শিক্ষাৰ বাবে দিব নোৱাৰে আৰু সেই কাৰণে যদিহে এটা নিৰ্দ্দিষ্ট স্তৰলৈকে ফিজ উঠাই দিয়া হয় অন্ততঃ কম পক্ষে অষ্টম মান শ্ৰেণীৰ পৰ্য্যায়লৈকে উঠাই দিলেও এই লোকসকলৰ বহুত লাভবান হব। আমাৰ ৰাজ্যখনত অৰ্থনৈতিক ভাৱে পিচপৰা আৰু যিবিলাকৰ আৰ্থিকৰ অৱস্থা বেয়া সেই সকলৰ কাৰণে ই এটা ডাঙৰ সহায় হব আৰু বিশেষকৈ এই কথাও আমি লক্ষ্য কৰিব লাগিব যে আজি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত চৰকাৰে এনে এটা ব্যৱস্থাকে হাতত লৈছে। গতিকে আমাৰ ৰাজ্যতো সকলো বিলাক কথা চৰকাৰে বিবেচনা কৰি এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ যোগেদি অন্যান্য প্ৰদেশৰ লগতে আমাৰ ৰাজ্যকো আগুৱাই লৈ যোৱাৰ কাৰণে কৰ্ম্মপদ্ধতি তৈয়াৰ কৰিব পাৰে সেই

কাৰণে মই আশা ৰাখিছো যে এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ মাজেদি আমাৰ ৰাজ্যখনৰ বিশেষকৈ যিসকল দৰিদ্ৰ পিচপৰা লোক সেই সকল আগুৱাই নৈ যোৱাৰ কাৰণে এটা ডাঙৰ বৰঙণি হব আৰু সেই কাৰণেই মই আশা ৰাখিছো যে ৰাজ্যিক চৰকাৰে এই প্ৰস্তাৱ গ্ৰহণ কৰি তাক কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা হাতত লব।

চৈয়দা অনোৱাৰা টাইমুৰ (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই সদনত যিটো প্ৰস্তাৱ মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড, হাজৰিকা ডাঙৰীয়া আৰু গগৈ ডাঙৰীয়াই অষ্টম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিয়াৰ বাবে যিটো প্ৰস্তাৱ আনিছে আমাৰ ৰাজ্যখনৰ আৰ্থিক অৱস্থালৈ লক্ষ্য কৰি এই প্ৰস্তাৱ গ্ৰহণ কৰাটো কঠিন। আমাৰ গগৈ ডাঙৰীয়াই কৈছে যে শতকৰা প্ৰায় উনত্ৰিশ জন লোক বা আঠাইশ দশমিক ন জন লোক হে মাত্ৰ স্বাক্ষৰ হৈছে। অৰ্থাত দেখা যায় যে বেছি সংখ্যক লোকেই নিৰক্ষৰ হৈ আছে। দৰিদ্ৰ পিচপৰা লোকসকলৰ দেড় কোটি জনসংখ্যাৰ ভিতৰত প্ৰায় এক কোটিৰো অধিক লোক গাওঁতেই বাস কৰে অথবা পিচপৰা অঞ্চলত বাস কৰে। সেই লোকসকলৰ লৰা ছোৱালীক অষ্টম মান শ্ৰেণীৰ পৰা দশম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰা কথা এটা জাতীয় নীতিৰ কথা। যিসকলৰ হাইস্কুলত লৰা ছোৱালীয়ে পঢ়িছে সেই সকলে শিক্ষাৰ পোহৰ কিছু পৰিমাণে পাইছে আৰু এই সকলৰ ভিতৰত নিম্ন মধ্যবিত্ত পৰিয়ালৰ লৰা ছোৱালী বেছি আছে। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ পৰা দেখা গৈছে যে এতিয়ালৈকে ডি-আই সকলে পৰিদৰ্শন কৰি প্ৰায় পাচশ আঠান্নবৈ খন ভেন্সাৰ প্ৰাথমিক স্কুলৰ লিষ্ট এখন দাখিল কৰিছে আৰু চৰকাৰক লোৱাৰ কাৰণে দিয়া হৈছে। এই স্কুল সমূহ এতিয়ালৈকে সম্পূৰ্ণৰূপে লোৱা হোৱা নাই। তাৰ বাহিৰেও আৰু বহুত গাৱঁলীয়া অঞ্চলত ৰাইজে ৰাজহুৱা ভাৱে স্কুল স্থাপন কৰিছে সেই বিলাক প্ৰাথমিক বিদ্যালয়ত চৰকাৰী শিক্ষা দিব পৰা হোৱা নাই। আজি আমাৰ দৰিদ্ৰ জনতাৰ শতকৰা আশী ভাগ গাওঁত বাস কৰে। গতিকে সেই ক্ষেত্ৰতহে অগ্ৰাধিকাৰ দিব লগীয়া হৈছে।

প্ৰায় ১৯ হাজাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকলৰ সেৱা চৰকাৰী কৰণ কৰা হৈছে। এই ক্ষেত্ৰত আমাৰ বোজা বাঢ়িছে। আমাৰ প্ৰায় ১৪ লাখ লৰাছোৱালীয়ে প্ৰাথমিক বিদ্যালয়ত এতিয়া শিক্ষা লাভ কৰি আছে। ইয়াৰ পৰা বুজিব পাৰি আমাৰ জনতাৰ ডাঙৰ এটা অংশৰ সৰু সৰু লৰা ছোৱালীৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰিবৰ কাৰণে আমাৰ এতিয়াও বাকী আছে।

সেই বাবে আমাৰ ৰাজ্য খনৰ অৰ্থনৈতিক অৱস্থালৈ চাই আমি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দি এই কাম খিনি সম্পূৰ্ণ কৰাৰ পিচত নিশ্চয় পিচৰ পৰ্য্যায়ত বিনামূলীয়াৰ শিক্ষাৰ ব্যৱস্থা কৰাৰ কথাটো চিন্তা কৰাটো উচিত হব। মাননীয় সদস্য ডাঙৰীয়াই কৈছে যে আমাৰ প্ৰায় শতকৰা ২৯ ভাগ লোকহে স্বাক্ষৰ হৈছে। সেই ক্ষেত্ৰত চৰকাৰে বিশেষ জোৰ দিছে আৰু সেই বাবে অসমত অনা-অনুষ্ঠানিক শিক্ষা কেন্দ্ৰৰ ব্যৱস্থা গ্ৰহন কৰা হৈছে। মাননীয় সদস্য সকলে এই সদনত বহুত সময়ত কয় যে বাইজৰ ফালৰ পৰা যি ভেন্সাৰ স্কুল আদি আৰম্ভ কৰা হয়। সেই বিলাকহে চৰকাৰে চাই চিতি লয়। নিৰক্ষতাৰ দূৰীকৰণৰ কাৰণে চৰকাৰে দায়িত্ব লৈ ব্যৱস্থা আদি গ্ৰহন কৰিছে। আজি ৭৫০ খন অনা-অনুষ্ঠানিক শিক্ষা কেন্দ্ৰ গোটেই অসমৰ প্ৰায় জিলা বিলাকত কৰা হৈছে। ৯ বছৰৰ পৰা ১১ বছৰৰ পিচপৰা অঞ্চলৰ লৰা ছোৱালী যি বিলাকে মাক দেউতাকৰ অযত্নৰ কাৰণে বিদ্যালয়লৈ নোযোৱাকৈ থাকিল, সেই লৰা ছোৱালী গোটাই চৰকাৰৰ ফালৰ পৰা সা-সজুলী যোগাৰ দি, শিক্ষক নিযুক্তি দি ক্লাব ঘৰ, নামঘৰ, ৰাজহুৱা অনুষ্ঠানত শিক্ষা কেন্দ্ৰ খোলা হৈছে। এই শিক্ষা কেন্দ্ৰত বিনা মূলীয়াকৈ সকলো সা-সজুলিৰ যোগান ধৰা হৈছে। ইয়াৰ বাহিৰেও ৭৬ খন বয়স্ক শিক্ষা কেন্দ্ৰ কৰা হৈছে। বয়স্ক লোক সকল স্বাক্ষৰতাৰ যোজনা হাতত লোৱা হৈছে। ইয়াৰ বাহিৰেও আমাৰ বাগান বোৰৰ মজদুৰ সকলৰ মাজৰ পৰা যাতে নিৰক্ষৰতা দূৰীকৰণ কৰিব পৰা যায় সেই বাবে যোৱা বছৰ ১৫ বছৰৰ পৰা ২৫ বছৰৰ বয়সৰ কাৰণে এশ খন বয়স্ক লোকৰ বাবে অনা অনুষ্ঠানিক শিক্ষা কেন্দ্ৰ স্থাপন কৰা হৈছে। ৫ম পঞ্চ-বাৰ্ষিক পৰিকল্পনাত গোটেই বাগান বোৰত ৭৫০ খন এনে বিদ্যালয় চৰকাৰৰ ফালৰ পৰা খোলাৰ ব্যৱস্থা ৰখা হৈছে। শতকৰা ৮০ ভাগ খেতিয়কৰ মাজত শিক্ষা প্ৰসাৰণৰ কাৰণে যি বয়স্ক শিক্ষা কেন্দ্ৰ বিলাক আছে তালৈ বহু বয়স্ক লোক যাবলৈ নিবিচাৰে। তেওঁলোকে কয় বুঢ়া শালিকাই কত মাত লব? আমাৰ এতিয়া কৃষক সকলৰ স্বাক্ষৰতাৰ কাৰণে আচনি লোৱা হৈছে। ইয়াৰ বাবে ২৪০ টা এনে কেন্দ্ৰ কাচাৰ আৰু গোৱালপাৰা কামৰূপ, শিৱসাগৰ আদি জিলাত লোৱা হৈছে। যি সকলৰ মাটি এডৰা থাকে, এনে দুখীয়া খেতিয়কৰ ৩০ জন লৈ একোটা শিক্ষা কেন্দ্ৰ কৰা হৈছে। ৰেডিওৰ লগত যোগাযোগ ৰাখি সময়ে সময়ে যাতে উন্নত ধৰণৰ খেতি পথাৰ কৰিব পাৰে তাৰ কাৰণে এই কেন্দ্ৰবোৰত পৰামৰ্শ আগ ঢোৱা হয়। তাৰ বাবে কৃষি বিষয়ক পাঠ্যপুথি

ৰেডিও তেওঁলোকক যোগানধৰা হৈছে। সেই ধৰণে নিৰক্ষৰতা দুৰীকৰণ কৰাৰ কাৰণে যথেষ্ট চেষ্টা কৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহম্মদে কৈছিল যে আন্তৰ্জাতিক মহিলা বৰ্ষত বহুত ঢাক ঢোল মাৰি মিটিং কৰা হৈছে, শিক্ষাৰ ক্ষেত্ৰত কিবা কৰিছে নে নাই? ১৯৭৫ চনত শিক্ষাৰ কাৰণে যথেষ্ট আচনি গ্ৰহন কৰা হৈছিল। সেই বিষয়ে সমাজ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে যথেষ্ট উত্তৰ দি গৈছে।

৬০ লাখ টকা খৰচ কৰি দুইশ প্ৰাইমাৰী স্কুলৰ শিক্ষায়িত্ৰীৰ আবাস গৃহ বন্ধা হৈছে। ১৩০ গৰাকী মহিলাক প্ৰশিক্ষন দি প্ৰাক প্ৰাথমিক বিদ্যালয়ত নিযুক্তি দিয়া হৈছে। একলাখ টকাৰ হোষ্টেল কৰাৰ খৰচ কৰা হৈছে। দুই লাখ ৯০ হাজাৰ টকাৰ ছাত্ৰীক বৃত্তি দিয়া হৈছে। ১৯৭৫ চনত মহিলা শিক্ষাৰ অগ্ৰগতিৰ বাবে খৰচ এইখিনি কৰা হৈছে। ইয়াৰ বাহিৰেও মহিলা দৰ্শক হিচাবে পালন কৰিবলৈ লোৱা হৈছে। এই দশকটোত যাতে মহিলা শিক্ষাৰ প্ৰসাৰণতা আৰু হয় তাৰ কাৰণে আচনি যুগুত কৰা হৈ আছে। টেকনিকেল শিক্ষা বিভাগটো মহিলা সকলে শিক্ষা সাং কৰি যাতে হাতে কামে লাগি কাম কৰিব পাৰে তাৰ বাবে ড্ৰেচ মেকিং, ফল সংৰক্ষন প্ৰশিক্ষণ আচনি আদি গ্ৰহণ কৰিবলৈ লোৱা হৈছে। আমাৰ ৰাজ্যখনৰ যি বিলাক প্ৰাথমিক ভেন্সাৰ স্কুল আছে সেইবোৰ চৰকাৰে স্বীকৃতি দিয়াৰ পিচত দ্বিতীয় পৰ্য্যায়ৰ উচ্চ মাধ্যমিক বিনা মুলীয়া শিক্ষা দিয়াৰ কথাটো চিন্তা কৰাটো উচিত হব। বৰ্ত্তমান এম, ই স্কুললৈ বিনামূলীয়া শিক্ষা দিয়া হৈছে। ১২ শ এম, ই স্কুল মাটি মজুৰীলৈ অনা হৈছে আৰু, প্ৰায় ১১ শ ঘাটি মঞ্জুৰীলৈ আনিবলৈ বাকী আছে। মাননীয় সদস্য শ্ৰীআহমেদ ডাঙৰীয়াই ৰাচিয়া আৰু কিউবাত বিনামূলীয়া শিক্ষা দিয়াৰ কথা কৈছিল। সেই দেশবোৰৰ আৰ্থিক অৱস্থা ভাল আৰু জনসংখ্যা কম। সেইবোৰ দেশত কাপোৰকানি আদি কৰি সকলো সা সৰঞ্জাম ছাত্ৰ-ছাত্ৰীক চৰকাৰে দিয়া হয় আৰু বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে বিনামুলীয়া শিক্ষা দিয়া হয়। শ্ৰীগগৈ ডাঙৰীয়াই অন্ধ্ৰ প্ৰদেশত তেনে ধৰণে ব্যৱস্থা গ্ৰহন কৰিছে বুলি কৈছে। আমাৰ ৰাজ্যতো ভৱিষ্যতে তেনে ধৰণে কৰাৰ কথাটো নিশ্চয় চিন্তা কৰা হব। আমাৰ প্ৰাথমিক বিদ্যালয়লৈ বহুতো লৰা ছোৱালীয়ে কিতাপ পত্ৰৰ অভাবত নাযায়। এই সকলক যাতে বিনামুলীয়াকৈ কিতাপ পত্ৰৰ যোগান ধৰিব পৰা যায় তাৰ কাৰণে চিন্তা কৰা হৈছে। প্ৰাথমিক বিদ্যালয়ত ৬ বছৰৰ পৰা ১১ বছৰীয়া লৰা ছোৱালীয়ে পঢ়াটো বাধ্যতামূলক কৰা হৈছে। সেইবাবে প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা সম্পূৰ্ণ ভাবে প্ৰথমতে কৰিবলৈ লোৱা হৈছে তাৰ পিচত

এই কথা বিলাক নিশ্চয় বিবেচনা কৰা হব। কিন্তু এই অবস্থাত গ্ৰহন কৰাটো কঠিন হব। সেই কাৰণে শ্ৰীহাজৰিকা আৰু শ্ৰীগগৈ দেৱক অনুৰোধ কৰিছো যাতে এই অবস্থাত প্ৰস্তাবটো উঠাই লয়।

শ্ৰীপ্ৰমোদ গগৈ :- উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে যিখিনি জবাব দিছে গোটেই খিনি গ্ৰহন যোগ্য নহয়। তেখেতে কৈছে আৰ্থিক অৱস্থাৰ কাৰণে গ্ৰহন কৰাটো টান হৈছে। আৰ্থিক অৱস্থা কাৰণে এটা প্ৰস্তাব কাৰ্য্যকৰী কৰাত কেতিয়াবা অসুবিধা থাকে। কিন্তু আমাৰ দেশৰ ভিতৰত বহুতো ৰাজ্যই ইতি- মধ্যে ৮ম, ১০ম শ্ৰেনীলৈ ফিজ মাফ দিয়াৰ ব্যৱস্থা কৰি দিছে। তঃখতে যিটো আবস্থাৰ কথা কৈছে তালৈ লক্ষ্য ৰাখিছো। এই প্ৰস্তাবটো গ্ৰহন কৰাৰ কাৰণে মই ডিভিজনত প্লেচ কৰিব বিচৰা নাই।

Mr Deputy Speaker—The mover is absent; it was moved by Shri Dulal Chandra Khound. Therefore I have to put the resolution. (After a pause) The resolution is rejected. Now we come to resolution No. 4-Shri Mal chandra Pegu is absent. Then resolution No. 5.

শ্ৰী প্ৰমোদ চন্দ্ৰ গগৈ :- এই প্ৰস্তাৱটো মই উত্থাপন কৰিব বিচাৰিছোঁ।

The house recommends to the Grovernment that necessary steps be taken to provide house-sites to all poor homeless families in rural and urban areas within June 1976.

উপাধ্যক্ষ মাহাদয়, এই প্ৰস্তাৱতো উত্থাপন কৰি মই ইয়াকে কব বিচাৰিছোঁ যে আমাৰ ৰাজ্য খনত এতিয়াও বহুতো লোক আছে যিবিলাকৰ নিজৰ ঘৰ- ভেটি নাই। তেনে ধৰণৰ লোক আমাৰ ৰাজ্যখনৰ যথেষ্ট পৰিমান আছে, নগৰ বিলাকত এই ধৰণৰ লোকৰ জনসংখ্যা কিমান আমাৰ ৰাজ্যখনত আছে তাৰ তথ্য আমাৰ হাতত নাই ইতিমধ্যে এই লোক সকলৰ কিমান অসুবিধা হৈছে সেই কথা আমাৰ সদনৰ মাননীয় সদস্য সকলে জানে, নগৰ অঞ্চলত যিবিলাকৰ ঘৰ-দুৱাৰ নাই সেই সকলে সদায় অইনৰ ভাড়া ঘৰত থাকিব লগীয়া হয় যদিও ৰাজ্যখনত এখন 'ৰেন্ট কণ্টোল এক্ট আছে যি খন আইনৰ জৰীয়তে নগৰ বিলাকত ভাড়া ঘৰৰ এটা নিৰিখ নিদ্ধাৰণ কৰা হৈছে কিন্তু এইটো কব লাগিব যে আমাৰ ৰাজ্যখনত ৰেন্ট কন্টোল এক্ট মতে ভাড়া ঘৰৰ ৰেন্ট, নিদ্ধাৰণ কৰা হৈছে সেইটো কোৱা টান। কাৰণ যেতিয়া ভাড়াতিয়া সকলে এই ৰেন্ট কণ্ট্ৰোল এক্ট মতে আইনৰ আদৰ্শ লব বিচাৰে বা ভাড়া লব বিচাৰে তেতিয়া হলে আমাৰ ৰাজ্যখনত কোনো মানুহে ঘৰ ভাড়া ৰেন্টৰ সেই নিৰিখত দিবলৈ প্ৰস্তুত নহব।

এই নগৰ বিলাকত যিবিলাক ভাৰা ঘৰত থাকে তেখেত সকলৰ বহুতে হয়তো ৬০০ টকাতকৈ কম বা কিছু বেচি পায় কিন্তু সেই লোক সকলে তেওঁলোকৰ পৰিয়ালক পোহপাল দিবলৈ যাওতে কেনে ধৰনে অৰ্থনৈতিক সমস্যা সন্মুখীন হব লগীয়া হয় তাকে বহলাই কোৱাৰ প্ৰয়োজন নাই। সেই একে সমীক্ষাতে শতকৰা ৮৪ জন নগৰ অঞ্চলত বাস কৰা যি সকল লোক আছে যাৰ উপাৰ্জ্জন মাহে চৰে তিনিশতকৈ কম আৰু তেনে ধৰণৰ যি সকল লোকৰ ঘৰ-দুৱাৰ নাই সেই সকলৰ বেচি ভাগ হ'ল নিম্ন বেতন ভোগী চৰকাৰী কৰ্ম্মচাৰী আৰু তেওঁ-লোকৰ বেচিভাগেই অনুসূচিত জাতি আৰু জনজাতিৰ লোক। এওঁলোকৰ অৰ্থনৈতিক অৱস্থা এনেধৰণৰ যে তেওঁলোকে নিজাকৈ ঘৰৰ ভেটি এটা কিনি লোৱাতো সম্ভব নহয়। তেওঁলোক সদায়েই নিস্পেষিত আৰু আশ্ৰয়হীন হৈ আছিছে। গাৱ অঞ্চল সেই সকল লোকৰ জনসংখ্যা কিমান তাক চৰকাৰী তথ্যৰ পৰা বাহিৰ কৰিব নোৱৰি। তেওঁলোকৰ ভেটি নাই সেইটোয়েই নহয় তেওঁলোক চিৰদিনেই সামাজিক ভাবে আৰু অৰ্থনৈতিক ভাৱে পিছপৰি আছে। আমাৰ ৰাজ্যত অইন প্ৰদেশৰ নিচিনা জমীদাৰ নাই যদিও অমাৰ গাও বিলাকত যি বিলাক মাটিৰ মহাজন আছে সেই সকলৰ ইচ্ছা আৰু অনিচ্ছাৰ ওপৰত তেওঁলোকে ভেটিৰ ওপৰত থাকিব পাৰে নাইবা সেই ভেটি এৰি গুচি যাব লাগিব। যেতিয়াই তেতিয়াই তেওঁলোকে সেই মানুহবিলাকক ভেটিৰ পৰা উচ্ছেদ কৰে। ইতিমধ্যে ১৯৬৯ চনত প্ৰজাস্বত্ব আইন পাচ হোৱাৰ পিচতে ৰাজ্যখনত বিশেষকৈ গাও অঞ্চলত যিবিলাক গৰীব শ্ৰেণী লোক আছে যাৰ মাটিৰ ভেটি বুলিবলৈ একো নাই সেইবিলাকো ব্যাপক ভাৱে উচ্চেদ কৰিছে। সেই কাৰণেও আজি আমাৰ বিশেষকৈ এই প্ৰস্তাৱৰ যিটো উদ্দেশ্য সেই উদ্দেশ্য বাস্তৱত ৰূপায়িত কৰিবলৈ গাওঁ অঞ্চলত যি সকল কৃষিহীন আৰু মাটিহীন লোক আছে যি সকলৰ কোনো ভেটি নাই আৰু নগৰ অঞ্চলতো যি সকলৰ কোনো মাটি নাই তেওঁলোকক সংস্থাপন কৰিবলৈ এই আইনৰ জৰীয়তে এটা ব্যৱস্থা হাতত লোৱা হওক। প্ৰধান মন্ত্ৰী ইন্দীৰা গান্ধীয়ে ঘোষনা কৰা কুড়ী দফীয়া আচঁনি কাৰ্য্যকৰী তুলিবলৈ হলে আমাৰ এই বহুত মাটিহীন আৰু ভূমিহীন লোক সকল যি সকল গাওঁ অঞ্চলত বাস কৰিছে বা নগৰ অঞ্চলত ভাড়া ঘৰত আছে সেই গৰীব লোক সকলৰ কাৰণে মাটি অধিগ্ৰহন কৰি সেই লোক সকলক তাত ভেটি-মাটি দি সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে নতুবা চৰকাৰৰ উদ্যোগতেই হওক, গৃহ নিৰ্ম্মানৰ আচঁনি লৈ সেই লোক সকলক সংস্থাপন কৰাৰ দিহা কৰা হওক। প্ৰধান

মন্ত্ৰীয়ে বোম্বাইত এখন সভাত কৈছিল যে আজি চৰকাৰৰ যিমান বিলাক আচঁনি গ্ৰহন কৰা হৈছে সেই আচঁনিৰ আটাইবিলাকতে কেৱল ধনী মানুহবিলাকে সুবিধা লৈছে আৰু যিবিলাক সমাজৰ অৱহেলিত আৰু গৰীব শ্ৰেণীৰ লোক সেই সকল তাৰ পৰা বঞ্চিত হৈ আহিছে। আমাৰ দেশৰ এই গৰীব শ্ৰেণীৰ লোক সকলক অৰ্থনৈতিক সামাজিক আৰু ৰাজনৈতিক ভাবে বিকাশ লাভ কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে কিয়নো সেই আচঁনিত কেৰাটাও দফা আছে সেই দফাগিতে যি সকল গৰীব শ্ৰেণীৰ লোক আছে সেই সকলক এই কুৰি দফীয়া আচঁনিৰ জৰীয়তে অৰ্থনৈতিক ভাৱে সংস্থাপন কৰাৰ কাৰণে সেই আচঁনিৰ এটা মূল দিশত ঘোষনা কৰা হৈছে।

কুৰি দফীয়া অৰ্থনৈতিক আচঁনিৰ মূল লক্ষ্য হল যে আমাৰ দেশখনৰ দৰিদ্ৰ লোক সকলৰ অৰ্থনৈতিক, ৰাজনৈতিক বিকাশ লাভ কৰাৰ কাৰণে এই আচঁনিত কেইবাটাও দফা আছে। যি সকল দুখীয়ালোক আৰু যি সকল গৃহহীন লোক সেই সকলক অৰ্থনৈতিক ভাৱে সংস্থাপন কৰাৰ কাৰণে সামৰি লব আৰু ইয়াৰ বাবেই এই আচঁনিৰ এটা মুল অৱস্থা ঘোষণা কৰা হৈছে। এই কথাও আমি জানো যে এই আচঁনি কাৰ্য্যকৰী কৰাৰ কাৰণে বিভিন্ন সময়ত নিৰ্দ্দিষ্ট সময় নিৰ্দ্ধাৰণ কৰা হৈছে। আমাৰ ৰাজ্যপালৰ ভাষণত এই কথাও কোৱা হৈছে যে এই বছৰৰ আগষ্ট মাহৰ ভিতৰতে চিলিঙৰ সৰ্বোস্ব মাটি যিসকল মাটিহীন লোক তেওঁলোকক বিতৰণ কৰা হব। হয়তো অনেকেই তৰ্ক কৰিব পাৰে যে এই কাম কাৰ্য্যকৰী কৰিবলৈ আমাক নিৰ্দ্দিষ্ট সময় বান্ধি দিয়াৰ কিবা প্ৰয়োজন আছে নেকি? প্ৰত্যেকটো আচঁনিৰে একোটা নিৰ্দ্দিষ্ট সীমা ৰেখাৰ প্ৰয়োজন। যদি এই যুক্তি আমি মানি নলৈ ইয়াৰ প্ৰয়োজন নাই বুলি কওঁ তেন্তে কুৰি দফীয়া আচঁনিৰ যি লক্ষ্য সেই লক্ষ্যক আওকান কৰা হব। কাৰণ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে বাৰে বাৰে এই কথা কৈছে যে চৰকাৰে বহুত আচঁনি লৈছে, কিন্তু এইবাৰ কুঁৰি দফীয়া আচঁনি কিয় লব লগীয়া হল? যিবিলাক আচঁনি বিভিন্ন সময়ত ঘোষণা কৰা হৈছিল সেই আচঁনিবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে তাৰ ভিতৰত যিবিলাক বিষয় জনসাধাৰণৰ কাৰণে আটাইতকৈ প্ৰয়োজন আৰু লাগতিয়াল বিশেষকৈ সমাজৰ যিসকল দৰিদ্ৰ, নিষ্পেষিত লোক সেই সকলৰ অৰ্থনৈতিক সামাজিক মান উন্নয়ণ কৰাৰ কাৰণে যিবিলাক বিষয় প্ৰয়োজন সেইবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে অগ্ৰাধিকাৰ দিয়া হৈছে আৰু এই অগ্ৰাধিকাৰ দিয়াৰ কাৰণেই কুৰিদফীয়া আচঁনিৰ

প্ৰয়োজন হৈছে। সেই কাৰণে এটা নিৰ্দ্দিষ্ট সময় লোৱাৰ কাৰণে চৰকাৰক আমি অনুৰোধ কৰিছো।

ইয়াৰ আগতেও চৰকাৰৰ পক্ষৰ পৰা ৰাজিক চৰকাৰে সেই কথা ঘোষণা কৰা নাই, কিন্তু কেন্দ্ৰীয় পক্ষৰ পৰা বিভিন্ন সময়ত এই কথা ঘোষণা কৰিছে। ইয়াৰ আগতেও ১৯৭৪ চনত এটা নিৰ্দ্দিষ্ট তাৰিখৰ ভিতৰত এই আইন বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে লোৱা হৈছিল। এতিয়া আমি অন্ততঃ ভাবো যে কুৰিদফীয়া অৰ্থনৈতিক আচনিৰ যি দফাটোৱে সমাজৰ আটাই-তকৈ নিষ্পেষিত লোক সকল জড়িত সেই দফাটো কাৰ্য্যকৰী কৰাৰ কাৰণে এটা নিৰ্দ্দিষ্ট সময় চৰকাৰে ঘোষণা কৰিব লাগে। সেই কাৰণে এই প্ৰস্তাৱটোত মই কৈছো যে নগৰ আৰু গাওঁ অঞ্চলৰ যিসকল প্ৰকৃততে ভেটি-হীন লোক সেই সকলক ১৯৭৬ চনৰ জুন মাহৰ ভিতৰতে ভেটিৰ মাটি দিয়াৰ কাৰণে চৰকাৰে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমি আশা ৰাখিছো এই প্ৰস্তাৱটোৱে যেনেকৈ আমাৰ ৰাজ্যখনৰ দৰিদ্ৰ লোক সকলৰ অৰ্থ নৈতিক উন্নয়ণৰ ক্ষেত্ৰত সহায় কৰিব সেইদৰে কুৰিদফীয়া অৰ্থনৈতিক আচঁনি কাৰ্য্যকৰী কৰাৰ কাৰণে আৰু বেছিকৈ খৰটকীয়া ব্যৱস্থা লোৱাত চৰকাৰক সহায় কৰিব। এই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ মাজেদি আমাৰ বিশেষকৈ নগৰ আৰু গাওঁ অঞ্চলৰ যিবিলাক ভেটিহীন লোক আছে সেই সকলক স্থাপন কৰিবৰ কাৰণে এটা ডাঙৰ পদক্ষেপ হব। এই কথা আমি জানো আৰু আলোচনাও কৰিছো যে এই অৰ্থনৈতিক আচঁনি কাৰ্য্যকৰী কৰিবলৈ যাওঁতে বহুতো বাধা আহি পৰে। সেই কাৰণে জৰুৰীকালীন অৱস্থা ঘোষনা কৰাৰ সময়ত এই কথা ভালকৈ চিন্তা কৰা হৈছিল। ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত বহুতো মাননীয় সদস্যই অংশ গ্ৰহণ কৰি কৈছে যে আমাৰ ভাৰতবৰ্ষত এনে কিছুমান শক্তি আছে যি সকলে বৰ্ত্তমান প্ৰচলিত ব্যৱস্থাটোক পৰিৱৰ্ত্তন কৰি ফেচিবাদৰ ৰাজত্ব প্ৰতিষ্ঠা কৰিব বিচাৰে। কাৰণ আমাৰ দেশখনৰ যিবিলাক ডাঙৰ এক চেতিয়া ধনী, বিদেশীৰ সাম্ৰাজ্যবাদী শক্তি আছে সেই সকলে এই ফেচিবাদ সমৰ্থন কৰে আৰু ইয়াক প্ৰতিষ্ঠা হোৱাটো কামনা কৰে। আজি জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত সেই শক্তিবিলাকে প্ৰকাশ্যে অৰাজকতা সৃষ্টি কৰিব পৰা নাই, কিন্তু সেই বুলি তেওঁলোক একেবাৰে নিমাত হৈয়ো থকা নাই। জৰুৰী অৱস্থা ঘোষণা কৰাৰ মাজেদি আমাৰ দেশখনৰ দৰিদ্ৰ লোকসকলৰ অৰ্থনৈতিক অৱস্থাৰ উন্নয়ণৰ যদি কোনো ব্যৱস্থাটোৰ মাজেদিয়েই সেই সমস্যা

সমাধান কৰা কঠিন হব।

সেই কাৰণে মই আশা ৰাখিছো যে ৰাজ্য চৰকাৰে এই গোটেই কথাবিলাক বিবেচনা কৰি মোৰ প্ৰস্তাৱটো গ্ৰহণ কৰি কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা কৰিব। এইখিনি কৈয়েই মই প্ৰস্তাৱটো উত্থাপন কৰিছো।

শ্ৰীকেহোৰাম হাজৰীকা: উপাধ্যক্ষ মহোদয়, প্ৰস্তাৱটোৰ সমৰ্থনত মই কেইটামান কথা কব বিচাৰিছো আমাৰ দেশনত বাস কৰা লোকসকলৰ ভিতৰত অসংখ্য কুবি-ভেটিহীন লোক আছে। এই কথাটো প্ৰধান মন্ত্ৰীয়ে গ্ৰহণ কৰা কুবি-দফিয়া অৰ্থনৈতিক আচঁনিয়েই প্ৰমাণ কৰিছে। যদিও আমাৰ দেশত বিশেষকৈ আমাৰ ৰাজ্যখনত ভেটি নাইকীয়া মানুহৰ সংখ্যা কিমান তাৰ এটা ঠিক হিচাব উলিয়াব পৰা নাই তথাপিও এই কথা কব পাৰি যে চহৰ আৰু নগৰাঞ্চলত লাখ লাখ মানুহ ভেতি নোহোৱাকৈ পৰৰ ভেটিত বাস কৰি আছে আৰু তেওঁলোকে আনৰ ঘৰত হাজীৰা কৰি পৰিয়াল পোহপাল দি আছে।

উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে আমাৰ গাওঁ বা চহৰ কিছুমানত এনে কিছুমান মানুহ আছে যিসকলে কোনো ৰকমে ভেটি এডোখৰৰ জোগাৰ কৰিব নোৱাৰে আৰু গছৰ তলত নাইবা অভাৰব্ৰিজৰ তলত ফটা-চিটা ট্ৰিপাল এডোখৰেৰে বছৰৰ পিচত বছৰ জুৰি বাস কৰিব লাগিছে। এই লোক সকলৰ কাৰণে আজি চিন্তা কৰোতা কোনো নাই। বৰঞ্চ জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচত এই সকল লোকৰ যিবিলাকে ৰাস্তাৰ কিনাৰত, ট্ৰিপালৰ তলত জেগা অকনমান জোগাৰ কৰি লৈছিল সেই সকলোকে তাৰ পৰা খেদি দিয়া হৈছে। সেই লোক সকলে ৰ'দে-বৰষুণে য'তে ৰাতি ত'তে কাটি কৰি থাকিবলৈ বাধ্য হৈছে। এই লোক সকলৰ কাৰণে চিন্তা কৰিবলৈ কোনো নাই বা কাৰো কতৃত্ব নাই। এনে ধৰণেৰে আজি আমাৰ মানুহে কাল কটাব লগা হৈছে। তাৰ বাদেও উপাধ্যক্ষ মহোদয়, আমাৰ যিসকল নিম্নতম বেটনৰ চাকৰিয়াল আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল আছে ঘৰ ভাৰা কৰি সেই সকল লোক থাকিবলৈ কোনো ৰকমে সক্ষম নহয়। সেই সকলৰ আজি নাজল, নাথল অৱস্থা হৈছে। ভোকে লঘোণে তেওঁলোক থাকিব লগা হৈছে। স্বাধীনতাৰ ২৮ বছৰৰ পিচতো আজি আমাৰ দেশত এনেদৰে মানুহে জীৱন ধাৰণ কৰিব লগা হৈছে। দুখীয়া গৰীৱৰৰ দুখ দূৰ কৰাৰ কথা সদায় কৈ থকা হৈছে, কিন্তু আজি আমাৰ মানুহৰ থকা ভেটীৰ সমস্যাটোৱেই দূৰ কৰিব পৰা নাই।

চৰকাৰৰ হিচাব মতে মাটিহীন পৰিয়ালৰ সংখ্যা হৈছে ৪ লক্ষৰো বেছি। এই পৰিয়াল বোৰৰ অনুপাতে হিচাবে যদি তিনি বা চাৰিজনো ধৰা হয় তেনেহলে গোটেই অসমত মাটিহীন লোকৰ সংখ্যা হব ১৪—১৫ লক্ষ। ইয়াৰ ভিতৰতে আধাতকৈয়ো বেচি মাটিহীন মানুহ হৈছে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোক।

ইয়াৰ ভিতৰত আধাতকৈ বেছি মানুহৰ থাকিবলৈ ঘৰৰ ভেটি এটা নাই। সেই সকল হৈছে অনুসূচিত জাতি জনজাতিৰ মাজত আছে আৰু অন্যান্য অংশ জনসাধাৰণৰ মাজত আছে। সেই সকলোৱে মাটি মহাজনৰ ওপৰত নির্ভৰ কৰিব লগা হৈছে। আৰু সেই মহাজন সকলে ঘৰ দুৱাৰ ভাঙি খেদি দিলে তেওঁলোকে গৈ হাবিয়ে জঙ্ঘলে বাস কৰিব লগা হৈছে। স্বাধীনতাৰ পাচৰ পৰা আজিলৈকে বহুত লক্ষ্য মাটি খেতিয়ক সকলক বিতৰণ কৰা হৈছে বুলি প্ৰচাৰ কৰা হৈছে কিন্তু প্ৰমাণ হৈছে যে আজিও লক্ষ্য লক্ষ্য খেতিয়ক ভূমিহীন হৈ আছে। যদিও দুখীয়া খেতিয়কক মাটি বিতৰণ কৰা কথা কোৱা হৈছে। আচলতে দুখীয়া খেতিয়কৰ মাজত মাটি পোৱা নাই। আচলতে এই শ্ৰেণীৰ অ-খেতিয়কৰ মাজত এই মাটি বিতৰণ দিয়া হৈছে। যাৰ মাটিৰ লগত কোনো সম্বন্ধ নাই সেই বিলাকে মাটি পাইছে আৰু যি খেতি কৰে সেই সকলে মাটি পোৱা নাই। ইয়াৰ ফলত গৰীৱ ৰাইজে জঙ্ঘল ভাঙি নিজৰ পৰিয়ালৰ তাড়নাত, নিজৰ পেটৰ তাড়নাত বসবাস কৰি নিজৰ উপাৰ্জনৰ কাৰণে চেষ্টা কৰিছে। উপাধ্যক্ষ মহোদয় আপুনি জানে যে, তেওঁলোকক বে-আইনি কাম কৰাৰ নামত তাৰ পৰাও উচ্ছেদ কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, এই বিধান সভাতে সিদিনা ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ সামৰণিত অসমৰ হাবি, জঙ্ঘল ফৰেষ্ট ৰিজাৰ্ভ আদিত বে আইনি ভাবে বসবাসকৰা লোকক উচ্ছেদ কৰাৰ কথা মুখ্যমন্ত্ৰীয়ে ঘোষনা কৰিছে। মই অসমৰ জঙ্ঘল বা ফৰেষ্ট ৰিজাৰ্ভৰ অনিষ্ট কামনা কৰা নাই। কিন্তু অসমৰ গৃহহীন লোকক জধাই মধাই উচ্ছেদ কৰি পশুপক্ষীৰ দৰে বাস কৰিবলৈ বাধ্য কৰাটো অন্যায় নহব নে? মই ভাবো আমাৰ নিজৰ ৰাষ্ট্ৰৰ মানুহৰ ওপৰত অত্যাচাৰ কৰা হব। নিজৰ ৰাষ্ট্ৰৰ ভিতৰত খেলিমেলি সৃষ্টি কৰা হব।

আজি জৰুৰী অৱস্থাত প্ৰথমতেই ২০ দফীয়া আঁচনিৰ কাৰ্য্যকৰি কৰাৰ প্ৰশ্ন উঠিছে আৰু এই আঁচনি সমৰ্থন কৰিছে কোনো দুখিয়া জনসাধাৰণ দেশৰ জৰুৰী অৱস্থাত কৃষক শ্ৰমিক শ্ৰেণীৰ লোক সবলেই প্ৰধান মন্ত্ৰীক সমৰ্থন দিছে। ২০

দকীয়া আঁচনি কাৰ্য্যকৰি কৰোতে ইয়াৰ ভিতৰত দেশৰ আৰ্থিক দুৰ্য্যোগৰ মাজত জনসাধাৰণক দেশৰ প্ৰতিক্ৰীয়াশীল শক্তিৰ পৰা ৰক্ষা কৰা। এই শক্তি উচ্ছেদ কৰিবলৈ দুখীয়া মানুহৰ যি সংস্থান সেই সংস্থান দিব লাগিব। কিন্তু ইয়াৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে, দেশৰ দুখীয়া কিছু মাটিহীন মানুহক মাটি দিয়া হৈছে। কিন্তু ইয়াৰ গতি ইমান মন্থৰ যে, শামুকৰ সামুকীয়া গতিতকৈও ই মন্থৰ গতিত চলিছে। এই জৰুৰী কালিন অৱস্থাত যি তৎপৰতা থাকিব লাগিছিল সেই তৎপৰতা নাই। আমাৰ অসমত কিমান ভেটি নোহোৱা মানুহ আছে, ইয়াৰ এটা হিচাবো আজিলৈকে চৰকাৰে উলিয়াব পৰা নাই। দেশখনত কিমান মাটি আছে কিমান ভুমিহীন পৰিয়াল আছে তাৰ এটা জৰীপ কৰি, মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজিকালি প্ৰত্যেক অফিচাৰ সকলে টেবুলৰ আগত "কথা কম কাম বেচি" বুলি লিখি থোৱা হৈছে।

তাকে যদি বাস্তৱত কাৰ্য্যকৰী কৰিবলৈ হয় তেনেহলে জুন মাহৰ ভিতৰতে সংস্থান দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু অৰ্থ সাহাৰ্য্য দিব লাগে। উপাধ্যক্ষ মহোদয় আপুনি শুনিছে যে, জৰুৰী কালিন অৱস্থাৰ পাচৰে পৰা এই ৰাজ্যত মাটি বিতৰণৰ ব্যৱস্থাৰ আৰম্ভ হৈছে। কিন্তু এই কাম তৎপৰতাৰে হোৱা নাই। কিন্তু কেৰেলা ৰাজ্যত জৰুৰীকালিন অৱস্থাৰ আগতে ৫৫ হাজাৰ গৃহহীন লোকক তেওঁলোকৰ চৰকাৰৰ তৰফৰ পৰা ঘৰ সাজি দিছে। কিন্তু আমাৰ ৰাজ্যত সেইটো হৈ উঠা নাই। সেইখিনি হৈ উঠিবলৈ হলে বাস্তৱত তৎপৰতাৰ প্ৰয়োজন। সেই তৎপৰতাৰ অভাৱৰ কাৰণেই অসমত সেইটো সম্ভৱ হোৱা নাই। অসমত ৭ হাজাৰ মানুহক ভেটী দিয়া বুলি কোৱা হৈছে। কিন্তু তাকো নামতহে দিয়া হৈছে কামত নাই। অৰ্থাৎ মাটি দিছে বহুৱাব পৰা নাই। কিছুমানক কাগজে পত্ৰইয়ে দিয়া হৈছে কিন্তু বাস্তৱ ক্ষেত্ৰত দিব পৰা নাই।

মাননীয় সদস্য শ্ৰীজগদীশ ডাঙৰীয়াই এটা কথা কৈছে যে অনুসুচিত জাতি আৰু জনজাতিৰ কাৰণে এবিঘাকৈ মাটি দিবলৈ বন্দোবস্ত কৰা হৈছে কিন্তু তেওঁলোকে ২০ মাইল আঁতৰত মাটি এবিঘালৈ জীৱন নিৰ্বাহ কৰিব কেনেকৈ? তেওঁলোকক তাত থাকি জীৱন নিৰ্ব্বাহৰ কোনো ব্যৱস্থা নাই। গতিকে তাৰ কাৰণে চৰকাৰে তেওঁলোকক উপায় দিব লাগিব। যি দুই চাৰিঘৰ তালৈ যাবলৈ ইচ্ছা কৰে তেওঁলোকৰ ও টকাৰ অভাৱত ঘৰ সাজি লবলৈ উপায়

নাই। গতিকে অকল ভেটিমাটি দিলেই নহব লগতে ঘৰ সজাৰ কাৰণে যিখিনি প্ৰয়োজনীয় অৰ্থ সেই অৰ্থ দিয়াৰ ব্যৱস্থাও কৰিব লাগিব। অধ্যক্ষ মহোদয়, মই বেছি কথা নকওঁ আমাৰ দেশত ভেটিমাটি নোহোৱা লোক সকলক ভেটিমাটি দিয়াৰ সোনকালেই ব্যৱস্থা কৰিব লাগে আৰু লগতে আৰ্থিক সাহাৰ্য্য দি ঘৰ সজোৱাৰ ব্যৱস্থা কৰি দিব লাগে। যি কাৰণে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিবলগীয়া হ'ল সেই প্ৰতিক্ৰীয়াশীল শক্তিবিলাকে যাতে আমাৰ কুৰিদফীয়া কাৰ্য্যসূচী কাৰ্য্যকৰী কৰাত ব্যাঘাট জন্মাব নোৱাৰে তাৰ কাৰণে চৰকাৰক সজাগ হবলৈ অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীঅযোধ্যাৰাম দাস: মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই পবিত্ৰ সদনৰ মাননীয় সদস্য শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ, শ্ৰীচলাল চন্দ্ৰ খাউণ্ড, শ্ৰীকেহোৰাম হাজৰীকা আৰু শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই যিটো প্ৰস্তাব আগবঢ়াইছে দুখীয়া ভূমিহীনক ভূমি দিয়া সম্পৰ্কে সেই প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা দাঙি ধৰিব খুজিছো। এই প্ৰস্তাৱৰ অন্তৰ্নিহিত যিখিনি কথা এই কথা আগতেই ঘোষণা কৰা হৈছে এতিয়া মাত্ৰ হাতে কামে তৎপৰতাৰে কাৰ্য্যকৰী কৰিবলৈ লৈছে সেই সংক্ৰান্তৰ কেইটামান কথা আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। এই নীতি জৰুৰী অৱস্থা ঘোষণা কৰাৰ পাচৰ নহয় এই নীতি জৰুৰী অৱস্থাৰ আগতে লোৱা নীতি আৰু সেই নীতিমতে গৃহহীন লোকক গৃহ বা মাটি দিয়া আৰু তাকেই জৰুৰী অৱস্থাত বেছি তৎপৰ কৰি তোলা হৈছে। আমাৰ চৰকাৰে এই আঁচনি অতি তৎপৰতাৰে কৰিবৰ কাৰণে চৰকাৰী আৰু বেচৰকাৰী সদস্যক লৈ বিভিন্ন পৰ্য্যায়ত কমিটি কৰি দিছে যেনে ৰাজ্যিক ভিত্তিত উচ্চ ক্ষমতা সম্পন্ন ভূমি সংস্কাৰ কমিটি তাত আমাৰ মন্ত্ৰী থকাৰ উপৰিও চৰকাৰী আৰু বেচৰকাৰী সদস্যক ৰখা হৈছে। এই কমিটিৰ তলত মহকুমা পৰ্য্যায়ত একোখন ভূমিসংস্কাৰ কমিটি আৰু প্ৰত্যেক চাৰ্কোলত একোখন কমিটি সকলো চৰকাৰী আৰু বেচৰকাৰী সদস্য সকলক লৈ কৰা হৈছে। ইয়াৰ উপৰিও গাওঁ পঞ্চায়ত ভিত্তিতও একোখন সেই একে আৰ্হিৰে কমিটি কৰি দিয়া হৈছে। ইয়াৰ উদ্দেশ্য হ'ল ৰাইজৰ সক্ৰীয় সহযোগিতাৰ দ্বাৰাহে এই কঠিন কাম কৰা সম্ভৱপৰ হব। এই কমিটিৰ সদস্য সকলে স্বাৰ্থত্যাগ কৰি যদি তেওঁলোকৰ নিজ নিজ এলেকাত স্বকীয় ভূমিকা গ্ৰহণ কৰি এই আঁচনি কাৰ্য্যকৰী কৰাত সহায় কৰে আৰু বিভাগীয় কৰ্ম্মচাৰী সকলক বিভিন্ন দিহা পৰামৰ্শ দিয়ে তাৰ বাবে মই অনুৰোধ কৰিলো। গণতান্ত্ৰিক দেশ এখনত আমাৰ বিবেচনাৰে ভূমিৰ ওপৰত

সকলোৰে সমান অধিকাৰ থকা উচিত বুলি আমি ভাবো। কিন্তু আজিৰ যুগত কিছুমানৰ এশ দেৰশ বিঘা মাটি থাকিব আৰু কাৰোবাৰ ভেটি মাটিখিনিও নাথাকিব এই কথা আমি কেতিয়াও স্বীকাৰ কৰিব নোৱাৰো। সেই কাৰণে চৰকাৰে আজি ভূমিহীনক ভূমি দিয়াৰ যি নীতি ঘোষণা কৰিছে সেই নীতি কাৰ্য্যকৰী কৰিবলৈ জনসাধাৰণৰ সক্ৰীয় সহযোগ লাগিব। সঁচা-কৈ চৰকাৰে জৰুৰীকালীন অৱস্থাৰ সময়ত প্ৰায় ৮ হাজাৰৰ ও অধিক পৰিয়ালক মাটি দিয়া কথা ঘোষণা কৰি এটা চমকপ্ৰদ কাম কৰিছে। এই কাম কৰিবলৈ যাওঁতে অসুবিধাও নিশ্চয় নথকা নহয় সেই অসুবিধা বিলাক আমি নিজে নিজেই আঁতৰ কৰি লব লাগিব আৰু তাত ৰাইজৰ সক্ৰীয় সহযোগ থাকিলেহে এই সমস্যাৰ সমাধান কৰিবলৈ সক্ষম হব। এই ভূমি বিতৰণৰ ক্ষেত্ৰত আমি কিছুমান অসুবিধা দেখিছো সেই বিলাকলৈ চৰকাৰে বিশেষ দৃষ্টি দিব লাগে সেই বিলাক হ'ল এটা পৰিয়ালক এবিঘা মাটি দিয়া হব তেওঁ যদি থকা ঠাইতে নেপায় তেনেহলে তেওঁলোকে ইয়াৰ পৰা উঠিগৈ জীৱননিৰ্ব্বাহ কৰাটো সম্ভৱপৰ নহব। গতিকে দুখীয়ালোক সকলে যাতে তেওঁলোকৰ সুবিধামতে মাটি পায় তাৰ কাৰণে চৰকাৰে বিশেষ চকু দিব লাগে। লগতে মাটিহীনক মাটি দিয়া নীতি অনুসূচীত বুলিয়ে নহয় সকলো শ্ৰেণীৰ দুখীয়ালোকে যাতে পায় সেইটোও চাবলগীয়া। এই সকলোবিলাকৰ কাৰণে আমাৰ যিবিলাক কমিটিৰ সদস্য আছে সেই সদস্য সকলে স্বাৰ্থ ত্যাগ কৰি নিষ্ঠাৰে আৰু তৎপৰতাৰে সহায় কৰিলে চৰকাৰে কৰিবলগীয়া কামখিনি ফলপ্ৰসু হব। ৰাজ্যপালে তেখেতৰ ভাষণত মাটিহীনক মাটি দিয়া সম্পৰ্কে উল্লেখ কৰিছে আৰু সেইমতে আমাৰ চৰকাৰেও তৎপৰতাৰে কাম কৰি আছে। এই অৱস্থাতে এই আলোচনা দাঙি ধৰাটো ভাল হৈছে। লগতে জনসাধাৰণৰ মাজত এই কথাবিলাক প্ৰচাৰ কৰি যাতে এখন শুদ্ধ তালিকা প্ৰস্তুত কৰিব পৰা যায় তাকো চেষ্টা, কৰিব লাগে। ভূমিহীনৰ নামত মাটি থকা মানুহেও মাটি পোৱা দেখা গৈছে গতিকে এই তালিকা অকল চৰকাৰে প্ৰস্তুত কৰিব নোৱাৰে তাৰ কাৰণে ৰাইজৰ সহযোগিতা নিশ্চয় লাগিব। এই প্ৰস্তাৱত চৰকাৰে যিখিনি কথা উল্লেখ কৰা হৈছে সেইখিনি চৰকাৰৰও কথা মাত্ৰ আমি অসুবিধাবিলাকৰ কথা উনুকিয়াইছো। গতিকে মই কব বিছাৰিছো এবিঘাকৈ যিবিলাকক মাটি দিয়া হয় সেই-খিনি যাতে বাসোপযোগী হয় আৰু কৰ্ম্মক্ষেত্ৰৰ ওচৰতে হয় সেইখিনি

কথালৈ আৰু লগতে এবিঘাকৈ পোৱা মানুহবিলাকে যাতে য'ত থাকে তাত জীৱননিৰ্ব্বাহৰ বিকল্প ব্যৱস্থা উলিয়াব পাৰে তালৈ মন্ত্ৰী মহোদয়ৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰি আৰু আঁচনিবিলাক যাতে সোনকালে কাৰ্য্যকৰী কৰিব পাৰে তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

শ্ৰীগোবিন্দ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱ সম্পৰ্কত মই কেইষাৰ-মান কথা কব খুজিছো । আজি আমাৰ দেশ স্বাধীন হোৱাৰে পৰা আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰাৰ কাৰণে নানান ধৰণৰ ব্যৱস্থা লোৱা হৈছে । মহাত্মা গান্ধীয়ে এই অৰ্থনৈতিক স্বাৱলম্বনৰ কাৰণে আন্দোলন কৰিছিল আৰু তাৰ পিচত দেশ স্বাধীন হল যদিও অৰ্থনৈতিক স্বাধীনতা এতিয়াও পোৱা হোৱা নাই । আজি দেশৰ পৰা কেনেকৈ দৰিদ্ৰতা দূৰী-কৰণ কৰা হয় সেইটোৱেই হৈছে আচল কথা । যিহেতু আমাৰ সৰহভাগ মানুহে গাঁৱত বাস কৰে । দেখা যায় যে আমাৰ প্ৰায় শতকৰা আশী ভাগ মানুহেই গাঁৱত বাস কৰে, সেই আশী ভাগ লোকৰ আৰ্থিক অৱস্থা ভাল কৰিবৰ কাৰণে চেষ্টা কৰা হল আৰু সেই সকল লোকক মাটি বাৰী আদি দিয়াৰ কাৰণে সুবিধা দিয়াৰ কাৰণে এতিয়ালৈকে কাম কৰা হৈছে আৰু মইনিজেই জানো যে মই নিজে কংগ্ৰেছত থকা দিনৰে পৰা আজি পোন্ধৰ যোল্ল বছৰ ধৰি এই বিভিন্ন এডভাইচৰি কমিটি আদিৰ যোগেদি বহুত মানুহক মাটি দিয়া হৈছে । ইয়াৰ দ্বাৰা যে বহুত মাটিহীন লোক উপকৃত হৈছে তাত কোনো সন্দেহ নাই । এতিয়া যিটো প্ৰস্তাৱ আনিছে দুখীয়া মানুহ খিনিক সুবিধা দিয়াৰ কথা আহিছে কিন্তু আন্তৰিকভাৱে কাম কৰি থকা হৈছে আৰু যদি এনেভাৱে কাম কৰি থকা হয় তেতিয়াহলে মই আশা কৰো যে আমাৰ দেশৰ দুখীয়া লোক সকলে নিজৰ জীৱিকা নিৰ্ব্বাহ কৰিবলৈ অৱলম্বন পাব আৰু ভূমিহীন লোকসকলে অলপ অচৰপ হলেও মাটি পাব । উদাহৰণ স্বৰূপে এজন বুঢ়াৰ যদি চাৰি-পাঁচ জন লৰা হয় তেতিয়া বুঢ়াৰ যদি পাঁচ বিঘা বা পাঁচ পুৰা মাটি থাকে সেই মাটিখিনি সেই চাৰি-পাঁচ জন পুতেকৰ মাজত ভাগ হব আৰু তাৰ পিচত আকৌ চাৰি-পাঁচ জন পুতেকৰ পৰা আৰু সংখ্যা বাঢ়িব আৰু তেনেকৈয়ে মাটিৰ ভাগ হৈ মাটি কমি যাব এতিয়া গৃহহীন লোকক মাটি দিয়া হৈছে ঘৰ বান্ধিবলৈ আৰু ভূমিহীন লোকক খেতি কৰিবলৈ মাটি দিয়াৰ ব্যৱস্থা কৰি

* Speech not Corrected

থকা হৈছে। বিশেষকৈ এই জৰুৰীকালীন অৱস্থা আৰম্ভ হোৱাৰে পৰা ৰাজ্যত
থকা ভূমিহীন লোকখিনিক ভূমি বিতৰণ কৰাৰ কাৰণে যথেষ্ট চেষ্টা কৰি থকা
হৈছে আৰু বহুত ভূমিহীন খেতিয়কে মাটি পাইছেও। এতিয়ালৈকে প্ৰায় সাত
হাজাৰৰো বেছি লোকে মাটি পাইছে। বহুত ভি-জি আৰ আৰু পি-জি আৰ
খুলি দিয়া হৈছে আৰু কম পক্ষেও এক বিঘাকৈ মাটি দিয়া হৈছে। প্ৰায়
দেড় দুশ তিনিশ মান মানুহক মাটি দিয়া হৈছে। এই ক্ষেত্ৰত চৰকাৰে
আন্তৰিকতাৰে কাম কৰি আছে আৰু মাটিহীন লোকক মাটি দিয়েই আছে
ফলত মাটিহীন লোকৰ সংখ্যা কমি গৈছে। মই চৰকাৰক অনুৰোধ কৰো যেন
সমান আন্তৰিকতাৰে এই মাটি বিতৰণৰ কাম কৰি থাকে আৰু তেতিয়াহলে
আমাৰ মাটিহীন লোকখিনিয়ে মাটি পাব পাৰিব।

* শ্ৰীমতী প্ৰণীতা তালুকদাৰ: মাননীয় অধ্যক্ষ মহোদয়, এই সদনত মান-
নীয় সদস্য সকলে ভূমিহীন আৰু গৃহহীন লোকক নগৰ আৰু চহৰত ঘৰ
বন্ধাৰ কাৰণে আৰু খেতিৰ কাৰণে মাটিৰ ব্যৱস্থা কৰি দিয়াৰ কাৰণে যিটো
প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত মই দুআৰমান কথা কব
খুজিছো। মই একেষাৰতে কব খোজে যে এই সদনত এই প্ৰস্তাৱ অনাৰ বিশেষ
আৱশ্যকতা নাছিল। যদিও প্ৰস্তাৱটো খুব গুৰুত্বপূৰ্ণ। কাৰণ আমাৰ মাননীয় সদস্য
সকলে জানে যে আমাৰ চৰকাৰে সিদ্ধান্ত লৈ আমাৰ ৰাজ্যখনৰ মাটিহীন বা ভূমিহীন
লোকক মাটি দিয়াৰ বাবে আৰু গৃহহীন পৰিয়ালক ঘৰ বন্ধাৰ কাৰণে মাটি
দিয়াৰ কাৰণে নানা ব্যৱস্থা গ্ৰহণ কৰিছে। আমি স্বাধীনতাৰ পিচত ৰাজনৈতিক
মুক্তি লাভ কৰিছো যদিও আৰ্থিক দিশত আমি এতিয়াও মুক্ত হব পৰা নাই।
সেই কাৰণতেই স্বাধীনতাৰ পিচত প্ৰতি পাঁচ বছৰে বছৰে আমাৰ পাঁচবছৰীয়া পৰি-
কল্পনা কৰি অহা হৈছে আৰু দেশখনক অৰ্থনৈতিক স্বাৱলম্বী কৰাৰ কাৰণে চেষ্টা
কৰা হৈছে আৰু সেই অনুৰূপে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই কথা এই সদনৰ
মাননীয় সদস্যসকলেও জানে যে আমাৰ দেশত জৰুৰীকালীন অৱস্থা ঘোষণা
কৰাৰ দিনৰ পৰাই প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে কুবিদফীয়া অৰ্থনৈতিক আঁচনি
ঘোষণা কৰিছে আৰু সেই মতে গৃহহীন লোকক ঘৰ বান্ধিবলৈ মাটি দিয়া,
ভূমিহীন লোকৰ কাৰণে খেতিৰ কাৰণে মাটিৰ ব্যৱস্থা কৰা এই বিলাক ব্যৱস্থাই
প্ৰধানকৈ বৰ্ত্তমান আমাৰ চৰকাৰে হাতত লৈছে আৰু কাৰ্য্যকৰী কৰিবলৈ
উপযুক্ত ব্যৱস্থাও হাতত লৈছে। এই সংক্ৰান্তত প্ৰথম পদক্ষেপ হব আমাৰ

* Speech not Corrected

যি সকল গৰীব জনসাধাৰণ পিচপৰি আছে, অৱহেলিত হৈ আছে, অৰ্থনৈতিক ভাৱে দুৰ্দ্দশাগ্ৰস্ত সেই সকলৰ কাৰণে চৰকাৰী ভাৱে ব্যৱস্থা লোৱা হৈছে। ৰাজহুৱা ভাৱে গৰীব জনসাধাৰণক মাটি দিয়াৰ কাৰণে ৰাজ্যিক চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে এইটো কথা আমি সকলোৱে জানো আৰু বহুত ঠাইত যিবিলাক জনজাতীয় পিচপৰা ঠাই আছে সেই সকল লোকক মাটি দিয়াৰ কাৰণেও চৰকাৰে ব্যৱস্থা হাতত লৈছে। এই প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত মই ঘৰ বান্ধিবৰ কাৰণে এক বিঘাতকৈ বেছি-মাটি দিয়াৰ কাৰণে ব্যৱস্থা হাতত লবলৈ মই চৰকাৰক অনুৰোধ জনাইছো।

তাৰ পিচত আন এটা কথা হল যে আমাৰ ইয়াত হাউচিং বোৰ্ডৰ জৰিয়তে কিছুমান ব্যৱস্থা লোৱা হৈছে। আমাৰ এই হাউচিং বোৰ্ডৰ চেয়াৰমেন হল পাৰ্লিয়ামেণ্টৰি এফেয়াৰ্চৰ মন্ত্ৰী মহোদয় আৰু বোৰ্ডত ভালেকেইজন সদস্য আছে। এই বাৰ তেখেতৰ চেষ্টাৰ ফলতেই বোম্বে আদি ঠাইত গৈ সেই সেই ঠাই বিলাকৰ হাউচিং বোৰ্ডে কি ভাৱে মাটি বিতৰণ কৰাৰ ব্যৱস্থা হাতত লৈছে সেইবিলাক কথা আমি নিজে গৈ জানি আহিব পাৰিছো। এই কাৰণে এই সুযোগতে মই চেয়াৰমেন মহোদয়ৰ শলাগ লৈছো। অৱশ্যে সেই বিলাক ৰাজ্যত হাউচিং বোৰ্ড বিলাক পুৰণা আমাৰ ইয়াতহে বোৰ্ড গঠন কৰাৰ বেছি দিন হোৱা নাই। তথাপি আমাৰ এই বোৰ্ডৰ যোগেদি বহুত আঁচনি লোৱা হৈছে। তাৰ ভিতৰত ল' ইনকাম গ্ৰুপ অৰ্থাত মধ্যবিত্ত পৰিয়ালক সুবিধা দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে আঁচনি লোৱা হৈছে তাৰ উপৰিও ইণ্ডাষ্ট্ৰিয়েল গ্ৰুপ, লেবাৰ শ্লেন্‌টেচন আঁচনি আদিৰ নিচিনা আঁচনি লোৱা হৈছে। ইয়াৰ ওপৰিউ গ্ৰামাঞ্চলত সহায় সহযোগ আগবঢ়াবলৈ কৰেল হাউচিং স্কীম আদিও লোৱা হৈছে।

আমাৰ সমাজৰ সামাজিক আৰু আৰ্থিক উন্নয়ন কল্পে সকলোকে সমপৰ্য্যায়ত আগবঢ়াবৰ বাবে অমোৰ সমাজৰ গৃহহীন লোক আৰু ভূমিহীন লোকক যদি আমি গৃহ আৰু ভূমি দি তেওঁলোকৰ সংস্থান কৰিব পাৰো তেতিয়া-হলে আমি প্ৰকৃতপক্ষে আমাৰ সমাজ উন্নয়নৰ কামত এটা দৃঢ় পদক্ষেপ লব পাৰিম বুলিয়েই মই ভাৱো। এই ভূমিসংস্কাৰৰ অৰ্থে প্ৰতি চাৰ্কলত একো-টাকৈ কমিটি গঠন কৰা হৈছে। আৰু তেনেকৈ প্ৰতি পঞ্চায়ত এলেকাটো একোটা কমিটি গঠন কৰি দিছে এনেকুৱা কমিটি বিলাক গঠন কৰাত যি প্ৰকৃত উদ্দেশ্য সেই উদ্দেশ্য যাতে সাধন হয় অৰ্থাত যিবিলাক প্ৰকৃত ভূমিহীন

মানুহ তেওঁলোকক হে যেন ভূমি দিয়া হয়। আমি এতিয়ালৈকে বহুত ক্ষেত্ৰত দেখিছো যে যিসকল মাটিহীন মানুহক মাটি দিব লাগে সেই সকলক মাটি দিব পৰা নাই অথচ যিসকলৰ মাটি আছে সেইসকলেইহে লিষ্টত অন্তৰ্ভূত হৈছে। অদূৰ ভৱিষ্যতে যেন এনে ধৰণৰ দুৰ্নীতিৰ আমি হাত সাৰিব পাৰো তাৰ কাৰণে যতপৰোনাস্তি চেষ্টা কৰিব লাগে আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰীয়ে বৰ্ত্তমানে যি পদ্ধতিৰে মাটি দিবলৈ লৈছে ই বৰ সুখৰ কথা। এই ক্ষেত্ৰত মোৰ নিজা অভিজ্ঞতাৰ কথাকে কওঁ। মোৰ সমষ্টিলৈকে ৰাজহ মন্ত্ৰীয়ে নিজে গৈ যিবিলাক ঠাইত জলসিঞ্চনৰ কোনো ব্যৱস্থা নাই সেই বিলাক ঠাইত পানী যোগানৰ ব্যৱস্থা কৰিছে। যিসকলৰ এডৰাও খেতি-মাটি নাই পাৰ্য্যমানে সেই সকলৰ কাৰণে মাটিৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত মই সানন্দে অনুৰোধ কৰো যাতে মোৰ এলেকাৰে যি সকল অনুসূচীত জনজাতীয় লোক আছে তেওঁলোকৰ কাৰণে মাটিৰ ব্যৱস্থা কৰিব।

এইখিনিতে মই আমাৰ হাউচ বোৰ্ডৰ কৃতকাৰ্য্যতাৰ কথা অলপ কওঁ যে আজিলৈ তেখেতসকলে যি খিনি কাম কৰিব পাৰিছে সেইটো পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে আমাৰ অৱস্থা অতি শোচনীয়। যোৱা ২ বছৰৰ ভিতৰত আমি এই অসমৰ কিমান গৃহহীন লোকক ঘৰ বান্ধিবলৈ টকা দিব পাৰিছো মোৰ বোধেৰে খুব বেছি নহলেও অন্ততঃ আমি কিছু বেছিকৈ দিব পৰা উচিত আছিল। নিম্নতম উপাৰ্জন লোকক অৱশ্যে কিছু নিৰ্দয়া নহয়; কিন্তু মধ্যবিত্ত লোকৰ কাৰণে একো কৰিব পৰা হোৱা নাই। ভালকৈ নিৰিক্ষণ কৰিলে দেখা যায় যে এই মধ্যবিত্ত লোকৰ অৱস্থা অতিকৈ শোচনীয়। ইয়াৰ প্ৰধান কাৰণ হ'ল আমাৰ বিত্ত বিভাগে অৰ্থৰ অনুদান দিয়াত কিছু কতকিন কৰিছে। গতিকে সোনকালে যাতে বিত্ত বিভাগে আমাৰ বোৰ্ডক প্ৰয়োজন অনুসাৰে সাহাৰ্য্য কৰিব বুলি মই আশা কৰো। যোৱা দুবছৰত আমি মাত্ৰ দুবাৰহে ঘৰ বান্ধিবলৈ টকা দিবলৈ সক্ষম হৈছো। কিন্তু যথোপযুক্ত সাহাৰ্য্যৰ কাৰণে আৰু ভালেখিনি কোৰ দৰকাৰ। এতিয়াও আমাৰ বহুসংখ্যক দৰখাস্তকাৰী লোক আছে কিন্তু আমি পুজিৰ অভাৱত তেওঁলোকক ঘৰ বন্ধাৰ বাবে টকা দিব পৰা নাই। অনতিপলমে আমাৰ বিত্ত বিভাগে আমাৰ অভাৱ খিনি পুৰণ কৰিব বুলি মই আশা কৰিলো। এই মৰ্মে আমাৰ চেয়াৰমেন মহোদয়েও তাৰ কাৰণে বিত্ত বিভাগক কিছু হেচা দিব বুলি মই ভাবো।

মহোদয়, আমাৰ বহুতো চৰকাৰী বিষয়া আছে যিসকলে বাসস্থানৰ অভাৱত বহুত দূৰৰ পৰা আহি চাকৰি কৰিবলগীয়া হৈছে। আমি এই সকলক অফিচৰ ওচৰত কোনো বাসস্থান দিব পৰা নাই। বৰ্তমানে এই লোক সকলৰ কাৰণে গৃহ নিৰ্মাণ বিভাগে জু-ৰোড আৰু দিশপুৰত কিছুমান কম মূল্যতে যাতে আমি মাটি দিব পাৰো তাৰ ব্যৱস্থা কৰিছো। আৰু বহুতৰে এই ব্যৱস্থাৰ ওপৰত আস্থা আছে। আমি যাতে সোনকালে এই লোক সকলৰ বসবাসৰ ব্যৱস্থা আঁচনিটো কাৰ্য্যকৰী কৰিব পাৰো তাৰ কাৰণে সংশ্লিষ্ট সকলো লোকে যাতে তৎপৰ হয় সেইটো মই আশা কৰিলো।

মই বিশেষ মকওঁ অৱশেষত মই এইটোকে অনুৰোধ কৰো যাতে আমাৰ প্ৰকৃত গৃহহীন লোকক ঘৰ দি সহায় কৰিব পাৰো লগতে আমাৰ ইণ্ডাষ্ট্ৰিয়েল লেবাৰ সকলক কম টকাতে আমি ঘৰ বান্ধি দিব পাৰো তাৰ কাৰণে আমি যত্নপৰ হব লাগিব কিয়নো অন্যান্য ৰাজ্যত ঘৰ বান্ধি দি তেওঁলোকৰ পৰা মাহে ২০ টকা ২২ টকা লৈ ৰেণ্ট দিছে। সেই অনুসাৰে আমাৰ ৰাজ্যতো যাতে আমি তেনে এটা ব্যৱস্থা কৰিব পাৰো সেইটোকে আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীজগদীশ দাস : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ প্ৰমুখ্যে যি সকল সদস্যই গৃহহীন আৰু ভূমিহীন গাৱলীয়া আৰু চহৰীয়া মানুহৰ কাৰণে যি প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱত সমৰ্থন কৰি মই দুআষাৰ মান কবলৈ বিচাৰিছো। আমাৰ যিসকল ভেটিহীন মানুহ, সেই সকলক ভেটি দিয়াটো এটা ডাঙৰ সমস্যা বুলি মই ভাবো। মই এইটো বৃহত সমস্যা বুলি কিয় কব খুজিছো। তাৰ কাৰণ হ'ল আজি আমাৰ ৰাজ্যত প্ৰায় ডেৰ কোটি মানুহে বসবাস কৰিছে। মোৰ হিচাব মতে তাৰ ভিতৰত প্ৰায় ৭৫ ভাগ মানুহেই আৰ্থিক দুৰবস্থাৰ ভুক্তভোগী। এই বৃহত সমস্যাটো সমাধানাৰ্থে আমি অহৰহ্যে বহুত আচনি লৈছো হক। কিন্তু বহুতো আঁচনি কাৰ্য্য পৰিণত কৰিব পৰা নাই কাৰণে আমি এই সমস্যা সমাধান কৰাত বিশেষ আগবাঢ়িব পৰা নাই। যোৱা ২৭ বছৰৰ ভিতৰত চৰকাৰে ভূমি হীনক ভূমি দিয়াৰ সিদ্ধান্ত কৰিছে অৱশ্যে পাৰ্যমানে যি পাৰে কৰিছে। আজি জৰুৰী কালিন অৱস্থা ঘোষনা কৰাৰ পিচত আৰু প্ৰধান মন্ত্ৰীৰ কুৰি দফিয়া আঁচনি কৃতকাৰ্য্য কৰাৰ ক্ষেত্ৰত ভেটি হীনক ভেটি দিয়াৰ ব্যৱস্থটো সৰ্বভাৰতীয়

* Speech not corrected

ব্যৱস্থা হিচাবে লোৱাটো আমি বৰ সন্তোষ পাইছো। আমাৰ চৰকাৰে এনে এটা বৃহত সমস্যা সমাধান কৰিবলৈ যি তত্পৰতা দেখুৱাইছে তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো আৰু আমাৰ যিসকলে এনেধৰণে কৰ্মৰত হৈছে তেওঁলোকো আমাৰ ধন্যবাদৰ পাত্ৰ। এইক্ষেত্ৰত আৰু বিপদ ঘটিছে যে আমাৰ প্ৰকৃত ভেটিহীন মানুহক আচুতীয়াকৈ বাছি উলিওৱাটো সুকঠিন হৈছে সেই কাৰণে আমাৰ যিবিলাক পঞ্চায়তৰ ভূমিহীনৰ তালিকা আছে তাৰ প্ৰায় ভাগ মানুহ ভেটি থকা মানুহ আৰু তাৰ ভিতৰত সৰ্বসাধাৰণ লোক পৰা নাই।

Mr Speaker : আপুনি পিচত কব। The house stands adjourned till 2-30 p.M.

(After lunch)

Mr Speaker- I have received a message from the Governor. I am reading it out.

"Dear Mr. Speaker- I thank you for your D. O. letter No; 1455/LA dated 19th February, 1976, informing me of the motion adopted by the Assam Legislative Assembly at its meeting held on 18th February, 76, in regard to my address. I take this opportnnity of sending you and the Assembly my best wishes.

With kind regards,

Yours Sincerely,

Sd : L. P. Singh.

Now Shri Jagadish Das.

* শ্ৰীজগদীশ দাস : অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ভূমিহীন খেতিয়কসকলৰ মাজত ভূমি বিতৰণ যি পদ্ধতি অৱলম্বন কৰিছে সেই বিষয়ে মই আগতেই কৈছো। এই মৰ্মে চৰকাৰে বৰ্তমান ভূমিহীন লোকৰ যি তালিকা তৈয়াৰ কৰিবলৈ সিদ্ধান্ত কৰিছে আৰু সেই মতে গাওঁ পঞ্চায়ত লেভেলত ৰাজহুৱা সভা-সমিতি পাতি যিবিলাক মাটি ভেটি নোহোৱা মানুহ আছে তেওঁলোকক বাছি উলিয়াই লিষ্টি ভুক্ত কৰাৰ ব্যৱস্থা কৰাটো প্ৰসংসনীয়। আৰু সেয়ে হলে আমাৰ গাওঁৰ ভূমিহীন লোক সকলে মাটি পোৱাত সুবিধা পাব। এই খিনিতে মই এটা কথা কব খুজিছো যে এই ধৰণৰ মাটি-ভেটিহীন মানুহ অকল গাওঁতেই নহয় চহৰ অঞ্চলটো বাস কৰি আছে। আমাৰ গাওঁ পঞ্চায়ত বিলাকে যদি অকল গাওঁৰ

* Speech not corrected.

মানুহবেই লিষ্ট কৰে তেনেহলে চহৰ অঞ্চলত বাস কৰা তেনে ধৰণৰ মানুহ বিলাকৰ নাম লিষ্টিভূক্ত নহব। আৰু এই চহৰ অঞ্চলত বাস কৰা মানুহবিলাক তাৰ পৰা বাদ পৰি যাব। বৰ্ত্তমান চহৰত এনেকুৱা ধৰণৰ বহুত মানুহ আছে যি সকল মানুহে গাওঁৰ পৰা চাকৰি-বাকৰি বা অন্য জীৱিকাৰ উপায় যেনে— মুটি কাম কৰি, মাছ বিক্ৰী কৰি, মাটিৰ বাচন তৈয়াৰ কৰি চহৰত ঘৰ ভাৰা আদি কৰি আছে। ইয়াৰ উপৰিও যি বিলাক অনুসূচীত জাতিৰ লোক চহৰ অঞ্চলত থাকে তেওঁলোকেও নানা ধৰণৰ সৰু-সুৰা ব্যৱসায় কৰি মাটি ভেটিহীন অৱস্থাত চহৰত বাস কৰি আছে। গতিকে মই ভাবো যে ভূমিহীন লোকৰ লিষ্টত এই মানুহ বিলাক যাতে অন্তৰ্ভূক্ত হয়।

অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গত মই এই কথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে যোৱা ২৮ বছৰ এই মানুহ বিলাকৰ সুবিধাৰ কাৰণে এনে কোনো আঁচনি গ্ৰহণ কৰা নাছিল যাৰ দ্বাৰা এই যোত্ৰহীন মানুহ বিলাকে মাটি পাইছে। আজি চহৰ অঞ্চলতেই হওক বা গাওঁ অঞ্চলতেই হওক তেওঁলোকে আগৰ দৰে মাটিৰ দৰখাস্ত দি মণ্ডল আৰু এচ, ডি, চিৰ পিচে পিচে ঘুৰিব লগীয়া নহব কাৰণ চৰকাৰে সেই সম্পৰ্কত আদৰ্শ হিচাপে লিষ্ট কৰি তেওঁলোকৰ সুবিধা কৰিব খুজিছে। চৰকাৰে আগতে চিলিং চাৰপ্লাচ ভূমিৰ যি ব্যৱস্থা লৈছিল সেই মতে ভূমি অধিগ্ৰহণ কৰি ভূমি বিতৰণ কৰিব পৰা নাছিল কিন্তু এতিয়া এই আইনৰ দ্বাৰাই চাৰি লাখ বিঘা মাটি অধিগ্ৰহণ কৰিছে আৰু তাৰ বিতৰণ ব্যৱস্থা হাতত লৈছে। ইয়াৰ ফলত গাওঁতেই বা চহৰতেই এই ধৰণৰ যি বিলাক মানুহ আছে তেওঁলোকে নিজৰ জীৱিকা নিৰ্ব্বাহৰ কাৰণে উপকৃত হব বুলি আশা কৰা হৈছে।

অধ্যক্ষ মহোদয়, আজি যি বিলাক মাটিহীন মানুহক মাটি দিছে তাৰ ভিতৰত অনুসূচীত জাতিৰ লোকক স্পেচিয়েল প্ৰগ্ৰেমত মাটি দিবলৈ বিচাৰিছে। মাননীয় ৰাজহ মন্ত্ৰী শ্ৰীগগৈ ডাঙৰীয়াই জনাইছিল যে অক্টোবৰ মাহৰ ভিতৰতে ৪ হেজাৰ অনুসূচীত জাতিৰ লোকক মাটি দিবলৈ সিদ্ধান্ত লৈছে। সেই মৰ্মে মোলৈ দিয়া চিঠিখন এনেকুৱা নীন ক্ষেত্ৰত পোনপতীয়াকৈ ব্যক্তিগত ভাৱে কাম কৰি জীৱন নিৰ্ব্বাহ কৰা অনুসূচীত জাতিৰ যি সকলৰ নিজা ঘৰৰ ভেটি বা বতি-ভূমি নাই তেওঁলোকৰ প্ৰতি পৰিয়ালক এবিঘাকৈ ভেটি মাটি দিয়াৰ কথা অসম চৰকাৰে বিবেচনা কৰিছে। এই কাম অতি জৰুৰী ভাৱে

কৰাৰ প্ৰয়োজন হৈছে। কিন্তু চৰকাৰৰ হাতত এই সম্পৰ্কে তথ্য পাতি নাই, কোনো পৰিসংখ্যাও সম্প্ৰদায়গত ভাবে নাই। আনহাতে এই পৰিসংখ্যা আমাক চলিত মাহৰ ১০ তাৰিখৰ ভিত-ৰতে লাগে। এই চিঠি পোৱাৰ লগে লগে আমি মানুহৰ লিষ্ট দিছিলো আৰু প্ৰত্যেক ঠাইতে মাটি দিবলৈ চৰকাৰে ঠিক কৰি-ছিল। তাৰ ভিতৰত অনুসূচীত লোকৰ সংখ্যা হল এই ধৰণে। কোকৰাঝাৰ ১৫৬, ধুবুৰী ১৫৬, গোৱালপাৰা ২২০, বৰপেটা ২২৮, গুৱাহাটী ৩৫৬, নলবাৰী ১৪৮, মঙ্গলদৈ ১৫৬, তেজপুৰ ১৮৮, নগাওঁ ৫৫৬, মৰিগাওঁ ১৮৪, শিৱসাগৰ ৮৪, যোৰহাট ১৮৪, গোলাঘাট ১১২, উত্তৰ লক্ষীমপুৰ ১২৮, তিনিচুকীয়া ১৬৪, ধেমাজি ৫৬, শিল-চৰ ৪০৮, হাইলাকান্দি ১৬০, কৰিমগঞ্জ ৩৫৬, এইদৰে মুঠ ৪ হেজাৰ পৰিয়ালক মাটি দিবলৈ সিদ্ধান্ত লৈছিল। সেই মৰ্মে দিয়া ৰাজহ বিভাগৰ চিঠিৰ নং আৰ, এচ, এচ ২৩৪-৭৪ তাং ৯-১-৭৫।

"I am also to ampros upon you that Government intend to give homestead land to 4,000 Scheduled Castes families in Government waste lands' P. G. R. and V. G. R. lands and acquired celling surplus lands already vested in Government by granting settlement $\frac{1}{2}$ to One bigha per scheduled Caste family on annual lease by the 15th February, 1975 and you are, therefore, requsested to make selection of eligible families and suitable plots as already instructed immediately on population percentage basis as annexure attached."

কিন্তু চৰকাৰে এইদৰে চাকুলাৰ দিয়াৰ পিচতো আজি পৰ্য্যন্ত মাটি দিয়াৰ কাম সম্পুৰ্ণ কৰা নাই। অৱশ্যে কাম এতিয়াও চলি আছে। এতিয়ালৈকে প্ৰায় ২২৮৪ জনক মাটি দিয়া হৈছে। এটা কথা চৰকাৰক জনাও যে স্পেচিয়েল প্ৰগ্ৰেমত যি মানুহক মাটি দিয়াৰ সিদ্ধান্ত কৰিছিল সেই বিলাকক মিনিমাম নিদচ আঁচনিৰ অন্তৰ্ভূক্ত কৰিব। কিন্তু এতিয়া দেখিছো কৰা নাই। সেই কাৰণে যি নগদ টকা পাব লাগিছিল সেইয়া পোৱা নাই। সেই মৰ্মে দিয়া তাঁৰ খন

Telegram No. 1705 CA 28

"GOVERNMENT DECIDED TO SELECT ATLEAST FOUR-THOUSAND SCHEDULED CASTE HOMELESS FAMILEES WHO ARE PROFESSIONAL FISHERMEN UNDER MINIMUMNEED PROGRA-MME IN FIRST PHASE"

এই ৪ হেজাৰ মানুহক দিব লগা নগদ ধনৰ সাহায্য এতিয়াও দিয়া নাই। এই নগদ ধন সোনকালে দিবলৈ চকাৰক অনুৰোধ কৰিছো।

আমাৰ মাচ মৰীয়া মানুহৰ অৱস্থা শোকলগা। সিদিনা মুখ্যমন্ত্রী এখন গাৱঁলৈ গৈ নিজে দেখি আহিছে। মিনিমাম নিদচৰ জৰিয়তে কেৱল এবিঘা মাটি দিয়েই শান্তি লভিলে উদ্দেশ্যৰ পৰা আঁতৰি যাব। মই আশা কৰো এই মানুহবোৰক দিব লগা ১৫০ টকা দিয়াৰ ব্যৱস্থা কৰক।

চিলিং চাৰপ্লাচৰ যি মাটি দিছে তাৰ ভিতৰতো অনুসূচীত লোক আছে। কিন্তু অতি কম। অৱশ্যে সেই মানুহবোৰে আগৰে পৰা মাটি দখল নকৰাৰ ফলত চিলিং চাৰপ্লাচৰ মাটিৰ সুবিধা লব পৰা নাই। আনহাতে দখল কৰি থকা বাকীবোৰ মানুহৰ মনোভাব অনুসূচীত লোকৰ প্রতি অতি দুখলগা। এই সম্পৰ্কে ওপৰ মহলত যিদৰে ভাৱে তলৰ মহলৰ বিষয়া সকলে সেইদৰে নেভাবে। দ্বিতীয়তে আমাৰ মানুহবোৰক মাটি ঘৰৰ ওচৰতে লাগে, ৪০-৫০ মাইল দূৰত দিলে জীৱিকা নিৰ্বাহ কৰাত অসুবিধা হয়। সেইকাৰণে বহুত মানুহক মাটি দিয়া স্বত্বেও ব্যৱহাৰ কৰিব পৰা নাই। সেইকাৰণে ঘৰৰ ওচৰতে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিবিলাকক এবিঘা মাটি দিছে আৰু ১৫০ টকাও দিছে সেই টকাৰে ঘৰ সাজিব পৰা নাই! সেইবাবে অন্য ঠাইত যেনেকৈ ঘৰ সাজি দিছে আমাৰ ইয়াতো সাজি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

গতিকে ১৫০ টকীয়া সাহাৰ্য্যৰে গৃহ নিৰ্মাণ কৰিবলৈ অসমৰ্থ হোৱাত তেওঁ-লোকৰ সেই টকাৰে প্রকৃত কাম হোৱা নাই। সেই কাৰণে অন্যান্য দেশৰ নিচিনাকৈ এই লোক সকলক মাটি দিয়াৰ লগে লগে বাসস্থান এটা দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লব লাগে। সেইটো কৰা নহলে ঘৰ নিৰ্মাণ কৰি তেওঁলোক থাকিব নোৱাৰে ইয়াৰ ওপৰিও লগৰে অন্যান্য সা-সুবিধা যেনে খোৱা পানী ৰাস্তা ঘাট শিক্ষা অনুস্থান নিৰ্ম্মান কৰি দিব লাগে। কাৰণ দেখা গৈছে যে দিয়া মাটিত দুই চাৰি দিন থাকি এই খোৱা পানীৰ অভাৱতে তাৰ পজাটো ভাঙি ফিৰি আহিব লগা হৈছে। চতুৰ্থ পৰিকল্পনাৰ ভিতৰত আমাৰ অনুন্নত, অনুসূচীত সম্প্রদায়ৰ এলেকাত পানীৰ যোগান দিয়াৰ আঁচনি লোৱা হৈছিল বৰ্ত্তমানে এই পানী যোগান আঁচনি চৰকাৰে মহকুমা পৰিষদৰ জৰিয়তে কৰিছে আৰু এনেধৰণৰ দুৰ্বল শ্ৰেণীৰ এলেকাতো পানীৰ যোগান দিব পৰা নাই। চৰকাৰে যাতে সেই মৰ্মে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে আৰু যিসকলক এক বিঘাকৈ মাটি দিছে

লগতে তেওঁলোকক পানী যোগানৰ ব্যৱস্থা, ৰাস্তা-ঘাটৰ ব্যৱস্থা, শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান আদিও স্থাপন কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লব বুলি মই অনুৰোধ কৰো। বৰ্তমান দিয়া মাটিলৈ যাতায়তৰ ব্যৱস্থাৰ অভাৱত মানুহ বিলাক তালৈ যাব পৰা নাই। পাহাৰ অঞ্চল বা বিলৰ পাৰতেই হওক তেওঁলোকৰ যোৱাৰ ব্যৱস্থাও কৰি দিব লাগে। ইয়াৰ বিনিময়ত ১৫০ টকা মাত্ৰ দিলে তাৰ দ্বাৰা আমাৰ উদ্দেশ্য সিদ্ধি নহয় বৰং সেই টকা খিনি অপব্যৱহাৰহে হব। আমি অনু-সূচীত এডভাইচৰি কমিটিৰ জৰিয়তে বৰ্ত্তমানে যিবিলাক মানুহক বসবাসৰ ব্যৱস্থা দিয়া হৈছে সেই মানুহ বিলাকক আমি তিনি ভাগত বিভক্ত কৰিছো। প্ৰথমতে বান বিধ্বস্ত লোক। দ্বিতীয়তে যিবিলাক অনুসূচীত জাতি আৰু তৃতীয়তে অন্যান্য মাটিহীন লোক। আমাৰ অনুসূচীত এডভাইচৰি বোৰ্ডৰ মিটিঙত এনে এটা কথাই সিদ্ধান্ত কৰা হৈছিল। কিন্তু আমি পৰ্য্যবেক্ষণ কৰি দেখিছো যে অন্যান্য গৰীৱ সম্প্ৰদায়বো বহুতো ভূমিহীন লোক আছে সেই বিলাককো যাতে সাঙুৰিব পৰা হয় তাৰ ব্যৱস্থাও হাতত লবলৈ মই চৰকাৰক অনুৰোধ কৰো। যোৱা বানপানীত যিবিলাক লোক বিধ্বস্ত হৈছে আজিকোপতি সেই সকল লোকৰ ভেটি মাটি দিব পৰা নাই ফলত তেওঁলোকে মথাউৰিৰ ওপৰতে আছে। বিশেষকৈ মাজুলীৰ ক্ষেত্ৰত বিধ্বস্ত লোকসকলক সোনকালে পুনৰ সংস্থাপনৰ ব্যৱস্থা অপৰিহাৰ্য্য সত্বেও আমি একো কৰিব পৰা নাই। আমি এতিয়া যিবিলাক গাওঁ ইতিপূৰ্ব্বে ভাঙি নিছে আৰু যিসকল লোক এতিয়াও মথাউৰিৰ ওপৰত বা জঙ্গলত পৰি আছে সেই সকল লোকৰ কথালৈ প্ৰথমতে লক্ষ্য কৰিব লাগিব। তাৰ পিচত যিসকলৰ খেতি মাটি নাই সেই সকলৰ কথা পৰ্য্যবেক্ষন কৰি চালে বহুতো মানুহ ওলাব যে এই লোকসকলৰ ভিতৰত দৈনিক কাম কৰি খোৱা বহুতো মানুহ সোমাই আছে তাৰ ভিতৰত বহুতো মিঞা মানুহ আছে। এই সকলোবিলাককে আমি ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰি তেওঁলোকৰ এটা যথাযথ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ ভিতৰতে মিঞা আৰু চিডিউল কাষ্টৰ বহুতো মানুহ আছে সেই সকলক পুনৰ সংস্থাপন কৰিব লাগিব। এতিয়া সমস্যা হৈছে যে এই লোকসকলৰ যদি সকলো খুটিনাটি চোৱা যায় তেতিয়াহলে দেখা যায় যে কোনো কেটিগৰিৰ ভিতৰতে এই লোকসকল নপৰে। তথাপিও চৰকাৰে তেওঁ-লোকৰ ভেটিমাটি এডোখৰ দিয়াৰ ব্যৱস্থা কৰা কৰ্ত্তব্য বুলি মই ভাবো। আমাৰ যিখন অক্টোবৰত মিটিং হৈছিল তাত মুখ্যমন্ত্ৰী নিজেও উপস্থিত আছিল।

" There should be financial provision and help should be available to those who have been covered by the said programme. "

গতিকে তাৰ অন্তৰ্নিহিত কথাখিনি কাৰ্য্যকৰী কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তাৰ পিচত আমাৰ কুৰিদফীয়া আঁচনিত মাননীয় প্ৰধান মন্ত্ৰীয়ে আমাৰ বাইজৰ আগত দাঙি ধৰিছে আৰু ইয়াৰ সন্দৰ্ভত আমাৰ মাটিহীন আৰু দুৰ্ব্বল শ্ৰেণীৰ মানুহক ধৰিছে। অৱশ্যে এই ক্ষেত্ৰতো আমাৰ চৰকাৰ বহুখিনি আগবাঢ়িছে। এইটো বৰ সন্তোষৰ কথা। আমাৰ প্ৰায় আঠ হেজাৰ ছয় শ পচিশ টা পৰিয়ালক মাটি দিব পাৰিছো আৰু তাৰ কাৰণে ১৯৭৪-৭৫ চনত তেৰ লাখ চৌসত্তৰ হাজাৰ ন-শ টকাৰ অনুদান দিয়া হৈছে। ইয়াৰ বাহিৰেও আমি মাটি দিয়াৰ কাৰণে কিছুমান প্ৰগ্ৰেম হাতত লৈছিলো তাৰ ভিতৰত প্ৰথমে গুৱাহাটীৰ কথাকে উল্লেখ কৰো। তাৰ প্ৰায় দুশ ঘৰ চিডিউল কাষ্ট পৰিয়ালক মাটি দিয়াৰ কথা হৈছিল আৰু মাটি দিয়াৰ কাৰণে সকলোখিনি ঠিকঠাক হোৱাৰ পিচত এই সদনৰে আলোচনা বিলোচনাৰ পৰিণতি হিচাবে সেই আঁচনিটো বন্ধ হৈ থাকিল। দুমাহ আগতে চিডিউল কাষ্ট কমিটিৰ ভাইচ চেয়াৰম্যান আৰু গুৱাহাটীৰ উপায়ুক্তই আলোচনাক্ৰমে ধাৰ্য্য কৰিলে যে এই লোকসকলক মাটি দিব লাগে। এই দুশ ঘৰক মাটি দিয়াৰ কাৰণে আমি এখন ঠাইও পৰিদৰ্শন কৰিছিলোঁ। কিন্তু কিবা কাৰণত এতিয়াও সেই পৰিয়াল সকলক মাটি দিব পৰা নাই গতিকে চৰকাৰে সোনকালে সেইটো ব্যৱস্থা কৰিব লাগে।

এই চিদুল কাষ্ট এডভাইজৰী কাউনচিলৰ ভাইচ চেয়াৰমেন আৰু উপায়ুক্তক চেয়াৰমেন হিচাবে লৈ এখন কমিটি কৰি দিছিল আৰু সেই কমিটিয়ে মিটিং পাতি চৰকাৰৰ ফালৰ পৰা ২০০ ঘৰ পৰিয়ালৰ অনুসূচীত সম্প্ৰদায়ৰ লোকক মাটি দিব লাগে বুলি আমি প্ৰস্তাৱ লৈছিলো আৰু সেই মতে এই ২০০ ঘৰ মানুহক মাটি দিয়া হব বুলি সিদ্ধান্ত হৈছিল কিন্তু আজি পৰ্য্যন্ত সেই মাটি দিয়া হোৱা নাই। আৰু এটা কথা এই গুৱাহাটী চহৰতে প্ৰায় ৪ হেজাৰ মানুহে বহু ঠাইত সৰু সুৰা ঘৰ বান্ধি আছে, আজি বহু দিন সেই ঠাইবোৰত ব্যয় কৰি অহা স্বত্বেও তেওঁলোকক সেই মাটি সম্পূৰ্ণ দখলি দিয়া হোৱা নাই। সেই মানুহবিলাক সচৰাচৰতে অতি দুখীয়া মানুহ তেওঁলোকে কোনো মতে সৰু সুৰা কিবা এটা কৰি জীৱন নিৰ্ব্বাহ কৰি আছে। সেই সকল মানুহৰ গুৱাহাটী চহৰত মাটি-বাৰী কিনি ঘৰ-বাৰী বান্ধি থকাৰ সামৰ্থ নাই। অতি শোচনীয় অৱস্থাৰে তেওঁলোকে পেট প্ৰৱৰ্ত্তাই আছে। কোনো পশ্চিমীয়া ধৰণেৰে এওঁলোকে থকা-মেলাৰ

কথাও ভৰা নাই, গতিকে এই মানুহখিনিক যি কোনো প্ৰকাৰে ঘৰ আৰু মাটি
দি যাতে তেওঁলোকৰ সংস্থাপন কৰে তাৰ বাবে আন্তৰিকতাৰে বিবেচনা কৰে।
উপাধ্যক্ষ মহোদয়, যোৱা এপ্ৰিল মাহতে লেগু ইউচ কমিটি যি গঠন কৰা হৈছিল
সেই কমিটিয়ে অনুসন্ধান কৰি জনোৱা মতে এই যিখিনি মানুহক মাটি দিয়া হৈছিল
বুলি কোৱা হৈছে তেওঁলোকৰ বেচি ভাগেই অনুসূচীত সম্প্ৰদায়ৰ মানুহ কিন্তু যদিও
তেওঁলোকক মাটি দিয়া হৈছে বুলি কৈছে কিন্তু আজি পৰ্য্যন্ত তেওঁলোকে সেই
মাটিৰ দখলি পোৱা নাই। তাৰোপৰি বহু সময়ত দেখা যায় যে এই দুখীয়া মানুহ
বিলাকক মাটি দিয়াৰ ক্ষেত্ৰত তাত থকা কিছুমান গুণ্ডিয়াল আৰু চালাক মানুহে
নানা ধৰণে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। কোনো কোনে সময়ত তেনেবোৰ ঠাইত
ৰাজহুৱা অনুষ্ঠান ইত্যাদি হব বুলি সেই মানুহবিলাকক মাটি দিয়াৰ পৰা বাধাৰ
সৃষ্টি কৰে। উদাহৰণ স্বৰূপে মই জনাব বিচাৰিছো আমাৰ মৰিগাওৰ শালমৰা
ৰিজাৰ্ভত মাটি দিয়াৰ ক্ষেত্ৰত দেখা যায় যে তাত স্থানীয় মানুহ আহি নানা ধৰণে
আপত্তি কৰিলে. সেইদৰে খিং মহৰীতো মাটি দিয়াৰ প্ৰস্তাব লোৱাৰ সময়ত তাত
পুলিচৰ সহায় সহযোগ লাগে বুলি জনোৱা হল কিন্তু তাত কোনো পুলিচৰ সহায়
পোৱা নহল কিয়নো তাৰ স্থানীয় মানুহে শৰাই লৈ চৰকাৰী বিষয়া ইত্যাদিক নানা
প্ৰকাৰ অযুহাত দেখুৱালে আৰু অনুৰোধ কৰিলে যাতে তাত বাহিৰৰ মানুহক মাটি
দিয়া নহয়, এইদৰে নানা ধৰণে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে। গতিকে মই মান-
নীয় মুখ্যমন্ত্ৰীক এই কথাটো অনুৰোধ কৰিব বিচাৰিছো যাতে তেখেতে এই কথাটো
গুৰুত্ব সহকাৰে বিবেচনা কৰে। আৰু বহু সময়ত চৰকাৰী কৰ্ম্মচাৰী আৰু বিষয়াক
স্থানীয় ৰাইজে উচতনি দিয়ে আৰু কৰ্ম্মচাৰী আৰু বিষয়া সকলেও সেই স্থানীয়
মানুহ বিলাকক নানা প্ৰকাৰে উচতনি দি কয় যে তোমালোকে সেই ঠাইত
ৰাজহুৱা অনুষ্ঠান ইত্যাদি হব বুলি চৰকাৰক আপত্তি কৰা যাতে তাত এই দুখীয়া
মানুহ বিলাকক মাটি দিয়াতো বন্ধ হয়। তেনে ধৰণৰ ঘটনা এটা মই নিজেই
দেখিছো এজন সৰু সুবা অফিচাৰে সেই দৰে স্থানীয় মানুহ বিলাকক উচতাই
দি কৈছিল তেতিয়া সেই মানুহ বিলাকে মাটি বিতৰণৰ সময়ত মই থকাতে
নানা প্ৰকাৰে বাধা দিছিল কিন্তু তেতিয়া মই বুদ্ধি বুদ্ধা কৰি কলো যে সেই
আচনিতো কেন্দ্ৰীয় চৰকাৰৰ আচনি, তেতিয়াহে সেই দুখীয়া মানুহ বিলাকক
মাটি দিব পৰা গল। কোনো কোনো সময়ত দেখা যায় যে এই মানুহ বিলাকে
সেই মাটি বিলাক কাকো নিদিয়াকৈ পেলাই থোৱাৰ কাৰণে জোৰ দিয়ে আৰু
পিচত অলপ অলপকৈ সেই মাটি বিলাক তেওঁলোকে দখল কৰি লয়। একেদৰেই

বশিষ্ঠৰ ওচৰত কেইজনমানে এনে ধৰণৰ দুখীয়া মানুহক মাটি দিয়াৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল। গতিকে মই মাননীয় মুখ্য মন্ত্ৰীক অনুৰোধ জনাইছো যাতে এই প্ৰতিবন্ধকতা বিলাক দূৰ কৰাৰ কাৰণে চিন্তা কৰে আৰু ষত ওচৰে পাজৰে গাওঁ ইত্যাদি আছে তেনেবোৰ ঠাইত সেই দুখীয়া মানুহবিলাকক মাটি দিয়ে। হাবিৰ মাজত পৰ্ব্বতৰ গাত মাটি দিলে তেওঁলোক উপকৃত নহব। তাৰোপৰি অ জি কেন্দ্ৰীয় চৰকাৰৰ এই মাটিহীন মানুহ বিলাকক মাটিৰ লগতে ঘৰ বান্ধিবলৈ টকা দিয়াৰ কথা আছিল, গতিকে মই ৰাজহ মন্ত্ৰীৰ পৰা এই সংক্ৰান্তত কিমান টকা দিয়া হৈছে সেই বিষয়ে জানিব পাৰিলে ভাল পালোহেতেন। আমাৰ চৰকাৰে জয়ন্তী ভেলীত ১৬৬ জন মানুহক থাকিবলৈ সুবিধা কৰি দি যি ঘৰ-দুৱাৰ বান্ধি দিছে সেইটো বৰ প্ৰশংসনীয় হৈছে, তাত বাস কৰা মানুহ বিলাকে কেতিয়াও কল্পনা কৰা নাছিল যে এসময়ত তেওঁলোকে টিনৰ ঘৰৰ তলত আশ্ৰয় পাব। অকল এইখিনি মানুহকে মাটি দিলে যথেষ্ট নহয় আমাৰ প্ৰায় ৯ লাখ মানুহ আছে গতিকে ইয়াৰে অন্ততঃ ৪ লাখ মানুহকো যদি এই জয়ন্তী ভেলিৰ লেখিয়াকৈ থকা-মেলাৰ সুবিধা কৰি দিব পাৰি তাৰ বাবে যান্ত্ৰীয় ব্যৱস্থা লব বুলি মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আজি এনেকৈ ঘৰ সাজি দিয়াৰ আঁচনি অসমত এয়েই প্ৰথম আৰু সেইকাৰণেই অতি প্ৰশংসনীও হৈছে। এই আঁচনিৰ দ্বাৰা আমাৰ সমাজৰ প্ৰত্যেক দুখীয়া মানুহেই উপকাৰ পাইছে আৰু পাব। যি সকল মানুহে টিঙৰ ঘৰত বাস কৰাটো জীৱনত কেতিয়াও কল্পনাই কৰিব পৰা নাছিল সেইসকল লোকৰ আজি কল্পনা বাস্তৱত পৰিণত হৈছে। এই আঁচনিৰ দ্বাৰা অকল ১৬৬ জন মানুহক উপকৃত কৰিলেই নহব আমাৰ ৰাজ্যখনৰ চাৰিলাখ মানুহৰ ভিতৰত অন্ততঃ কমেও চাৰি হাজাৰ মানুহে উপকাৰ পাব লাগিব। আৰু এই আঁচনি সম্প্ৰসাৰিত হব লাগিব। এই বিলাক আঁচনিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পইচা আনি সেইবিলাক লোকৰ কেনেকৈ উন্নতি হব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই আমাৰ চৰকাৰক অনুৰোধ কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজেই জয়ন্তী ভিলেজ উদ্বোধন কৰিছিল আৰু সেই বিলাক লোক কেনেকুৱা অৱস্থাত আছে সেই কথাটোও তেখেতে নিজে দেখি শুনি অনুসন্ধান কৰি আহিছে। জনাহৰ নিছিনা কেনেকুৱা জেগাত মানুহে বসবাস কৰি আছে সেইটো দেখি তেখেতে ফৰেষ্টৰ পৰা হলেও মাটি আদি কাটি আনি তাৰ ব্যৱস্থা কৰি দিব বুলি অলপ আশ্বাস বাণীও দিছিল কিন্তু সেই পৰিপ্ৰেক্ষিতত আজিলৈকে কোনো কাম কৰা

দেখা নাই। এইখন যদি তেখেতে কৰি দিয়ে তেতিয়াহলে তাৰ দ্বাৰা বহুখিনি মানুহেই উপকৃত হব। এইখিনিকে তেখেতে কৰিব বুলি বিশ্বাস ৰাখি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীমাল চন্দ্ৰ পেগু: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীহাজৰিকা ডাঙৰীয়াই অনা প্ৰস্তাৱটোৰ সন্দৰ্ভত মই কেইটামান কথা কবলৈ আগবাঢ়িছোঁ।

চৰকাৰে আমাৰ দুখীয়া মানুহ বিলাকক ঘৰ বস্তি কৰিবৰ কাৰণে মাটি বাৰী দিয়াৰ যিটো ব্যৱস্থা কৰিছে সেইটোত মই অত্যন্ত ভাল পাইছো। লগতে আমি এই উদ্দেশ্যৰ কাৰণে যিখিনি মাটি দিয়াৰ দৰকাৰ সেইখিনিও দিব পাৰছোঁনে নাই সেইটো বিচাৰ কৰি চোৱাটো নিতান্তই বিচাৰ্য্য বিষয় বুলি মই ভাবো। এই কথাটো প্ৰথমতেই নিৰ্দ্ধাৰণ কৰিব লাগব। বানপানী, গড়াখহনীয়াত বিধ্বস্ত হৈ গৃহহীন হোৱা মানুহ বিলাকক 'প্ৰায়ৰিটি'ৰ ভিত্তিত মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। মাজুলীত এনেকুৱা হাজাৰ হাজাৰ মানুহ এতিয়াও মঠাউৰিৰ ওপৰতে আছে। তাৰে দহ ভাগৰ এক অংশকহে তাৰ পৰা লৈ গৈ পুনৰ সংস্থাপন দিছে যদিও আধুনিক সভ্যতাৰ বহুখিনি সা-সুবিধাৰ পৰা এই লোকসকল এতিয়াও বঞ্চিত হৈয়েই আছে। চিকিৎসা-পাতিৰ কোনো ব্যৱস্থা নাই, লৰা-ছোৱালীক পঢ়া শুনা কৰিবৰ কাৰণে শিক্ষাৰ কোনো ব্যৱস্থা নাই ইত্যাদি। তাৰোপৰি স্থানীয় লোক সকলকো তাতে একেলগে মাটি পট্টন দিয়াৰ কাৰণে এটা মতানৈক্যৰ সৃষ্টি হৈছে। এইবিলাক অসুবিধাৰ কাৰণেই মই জনাত ৫০।৬০ ঘৰ মানুহ এই বিলাক জেগাত থাকিব নোৱাৰি তাৰ পৰা ওভতি আহৰ লগা অৱস্থা হৈছে। স্থানীয় মানুহ বিলাকেও শতকৰা ৫০ ভাগ তেওঁলোকক দিব লাগিব বুলি দাবী কৰাৰ কাৰণে এই হুলস্থূলীয়া পৰবেশৰ সৃষ্টি হৈ এই বিলাক আঁচনি কাৰ্য্যকৰী কৰাত অলপ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। গতিকে স্থানীয় মানুহৰ লগতে যাতে এই বিধ্বস্ত লোক সকলকো একেলগে মাটি বাৰী আদি দিয়া নহয় তাৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো। ঘৰ-বস্তিৰ কাৰণে মাটি দিওঁতে এই কথাটোৰ প্ৰতিও আমি লক্ষ্য ৰাখিব লাগিব যে, এই লোক সকলে যাতে উপাৰ্জন কৰি খাব পৰা অৱস্থা হয় সেইটোৰ প্ৰতিও নিজৰ দিব লাগিব। ভাৰতৰ অন্যান্য ৰাজ্যবিলাকত যেনেকৈ ঘৰবস্তিৰ মাটি দিয়াৰ লগতে কৰ্ম্মসংস্থানৰো ব্যৱস্থা কৰিছে সেইদৰে

আমাৰ ৰাজ্যতো কৰিব লাগে। ধৰক এটা পৰিয়ালত পাঁচ বিঘাকৈ মাটি দিয়া হৈছে। তাতে দুই বিঘা মাটি যদি বস্তিৰ কাৰণে ব্যৱহাৰ কৰা হয় তেতিয়াহলে, বাকী তিনি বিঘাৰ উপাৰ্জনেৰে এটা পৰিয়াল কেতিয়াও পোহপাল যাব নোৱাৰে। ইয়াকে কৰিব নোৱাৰিলে এই পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ কোনো মূল্য নাই।

আমাৰ বৰ্ত্তমান চৰকাৰে ভূমিহীন মানুহক মাটি দিছে, কিন্তু কৰ্ম্ম সংস্থাপন চৰকাৰে কৰা নাই। এনেকুৱা কৰাৰ ফলত বাইজে বিশেষ কষ্ট ভোগ কৰিব লগা হৈছে। কিছুমান মানুহক ৫ বিঘা মাটি দিছে। এই মাটিৰে দুই বিঘাত ঘৰ বস্তি কৰি এটা পৰিয়াল পোহ পাল যাব নোৱাৰে। সেই কাৰণে মাটি দিয়াৰ উপৰিও ঘৰ বাৰি দি এটা কৰ্ম্ম সংস্থান দিয়াৰ ব্যৱস্থা কৰি দি স্থায়ী বসবাসৰ ব্যৱস্থা কৰি দিব লাগে। ইয়াৰ উপৰিও আমাৰ চৰকাৰৰ ফালৰ পৰা মোৰ বোধেৰে এখন আচনি লোৱা উচিত। বছৰে কিমান মানুহক মাটি দিব আৰু বছৰেকত কিমান মানুহক ঘৰ বান্ধি দিব এইভাৱে এখন আঁচনি কৰিলে ভাল হয়। অৱশ্যে যিবিলাক মানুহ অসমৰ বাহিৰৰ পৰা আহিছে তেওঁলোকৰ এই আঁচনিৰ লিষ্টিভুক্ত কৰি ঘৰ নিৰ্ম্মাণ কৰি দিয়াৰ কথা মই কোৱা নাই। অসমত জন্ম গ্ৰহণ কৰা স্থায়ী লোককহে এই আঁচনিৰ লিষ্টিভুক্ত কৰাৰ কথা কৈছো। এই আঁচনিখন ৫ বছৰৰ ভিতৰতেই যে কৰিব লাগিব বা খুব কম সময়ৰ ভিতৰতেই শেষ কৰিব লাগিব তেনে কোনো কথা নাই। ১০—১৫ বছৰলৈকে সময় লৈ হলেও গঢ়া খহনীয়াৰ কবলত পৰা আৰু মাটিহীন লোকক সংস্থাপন কৰি দিয়াৰ এটা সুব্যৱস্থা কৰিব লাগে। এনে ধৰণৰ আঁচনি ললে কাম কৰিবলৈকো সুবিধা হয় আৰু কামো আগবাঢ়িব। (ভইচ মাত্ৰ ১৫ বছৰৰ আঁচনি দীঘলীয়া হৈছে।) মই কও এই জুন মাহৰ ভিতৰতে এইটো সম্ভৱপৰ নহয়। যিটো সম্ভৱপৰ কথা সেইটো কৰিব লাগে। যিটো সম্ভৱ মই সেইটোৱেই কৈছো; অৱশ্যে চৰকাৰে ১৫ বছৰৰ ঠাইত ১০ বছৰো কৰিব পাৰে। প্ৰত্যেক সমষ্টিৰ পৰা ইমান জন, যেনে এটা সমষ্টিত যদি ৫ জনকৈ লয় তেন্তে প্ৰত্যেক সমষ্টিতে তেনেকৈয়ে লোৱাৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ লগতে আৰু দুআষাৰমান কথা যোগ দিব লগা হৈছে। আমাৰ বৰ্ত্তমান অসমত বেছি সংখ্যক লোক হৈছে ভৈয়ামৰ জনজাতীয় লোক আৰু তাৰ পাচতে চিডিউলকাষ্টৰ মানুহ। কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ চেনচাচ হোৱা নাই। মোৰ বোধেৰে যদি চেনচাচ কৰা হয় তেন্তেহলে

অনুসূচীত জাতি আৰু ভৈয়ামৰ জনজাতিয়েই ভূমিহীন গৃহহীন মানুহ ওলাব। এই ভৈয়ামৰ জনজাতি আৰু অনুসূচীত জাতিসকল বেলেগকৈ কোনো লিষ্টভূক্ত হোৱা নাই। তেওঁলোকো সৰ্ব্বসাধাৰণৰ লিষ্টভূক্ত হৈয়েই আছে। তেওঁলোকৰ দুখ কুশাই পাচিয়ে নথৰা হৈছে। এই লোকসকলে কেইবছৰমান আগলৈকে নৈৰ পাৰতে বাস কৰি আহিছে। আৰু সেইবাবে বৰ্ত্তমান তেওঁলোকৰ অৱস্থা গড়া খহনীয়াৰ কবলত পৰি বেছি শোচনীয় হৈছে। সেইকাৰণে আমাৰ অসম চৰকাৰে তথা ভাৰত চৰকাৰে এই লোকসকলক আৰ্থিক সাহাৰ্য্যৰ সৈতে পুনৰ সংস্থাপন কৰি দিয়াটো প্ৰধান কৰ্ত্তব্য হৈ উঠিছে। যদি চৰকাৰে উচিত সাহাৰ্য্য দিব খোজে তেন্তে মোৰ বোধেৰে তেওঁলোকৰ ফালৰ পৰা এখন আঁচনি কৰি লোৱা উচিত হ'ব। আমাৰ ডাবলিউ, বি, চি, ৰ মন্ত্ৰী বৰ্ত্তমান ইয়াত আছে গতিকে তেখেতক অনুৰোধ কৰিছো যে, তেখেতে এখন আঁচনি লব লাগে। এই আঁচনি কাৰ্য্যকৰী কৰিলে মোৰ বোধেৰে ১ বছৰৰ ভিতৰতে শেষ হৈ যাব। এবছৰ বোধকৰো নালাগিবই কাৰণ চৰকাৰে ট্ৰাইবেল আৰু ব্লক তৈয়াৰ কৰি ৰাখিছে। গতিকে তাত এই মানুহখিনিৰ কাৰণে এটা সুব্যৱস্থা দিব পাৰিব বুলি মোৰ ভাব হয়। এই ব্লকৰ মাটিত আন আন মানুহে বেদখল কৰি আছে। সেই সকলক উচ্ছেদ কৰি এই মানুহ বিলাকক বহুৱাই দিলেই মই ভাবো ৬ মাহৰ ভিতৰতে এই আঁচনি শেষ হৈ যাব। আমাৰ মাননীয় সদস্য শ্ৰীমতী তৰুলতা বৰাই এই বিষয়ে ভালকৈ জানিব। মোৰ বোধেৰে তাত ৯ লাখ বিঘা মাটি আছে। গতিকে তাত প্ৰত্যেক মানুহক কিমান মাটি দিব পৰা যায় সেইটো হিচাব কৰি উলিয়ালেই হৈ যাব। তাৰে ৬ লাখ মাটি খেতিৰ উপযোগি বুলি জনা হৈছে গতিকে অনুসূচীত জনজাতিৰ আৰু অনুসূচীত জাতিৰ কিমান মানুহ আছে আৰু প্ৰত্যেকে ভাগত কিমানকৈ মাটি পাব তাৰ এটা চেনচাচ কৰি দিলে মই ভাবো প্ৰত্যেকেই মাটি পাব বুলি মই ভাবো।

কিন্তু এই মানুহ বিলাকক দখল উচ্ছেদ কৰাৰ লগে লগে যি সকল মাটি পোৱাৰ যোগ্য তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল। তেওঁলোকে আজি উপায় নাপাই ৰিজাৰ্ভ ফৰেষ্টত সোমাই বসবাস কৰিব লগীয়া হৈছে। যাৰ ফলত নিৰ্ম্মমভাৱে তেওঁলোকক নহয় জনজাতি টঙিয়া ভিলেজাৰসকলক উচ্ছেদ কৰিছে। মাজুলীত ৩৫ ঘৰ জনজাতিয় গৰাখহনীয়া লোকক দুবছৰ আগতে ৰাজহ মন্ত্ৰীয়ে টঙিয়া গাওঁবাসী হিচাবে খালি ৰিজাৰ্ভত বসবাস কৰিব দিয়া হৈছিল। কিন্তু তেওঁলোকক যোৱা পাচ ফেব্ৰুৱাৰীৰ ভিতৰত উচ্ছেদ কৰা হব বুলি তাৰ

ৰেনজাৰ চাহাবে নটিছ দিছে। আৰু সেইমতে উচ্ছেদ কাৰীক মই তেতিয়া বন-বিভাগৰ মন্ত্ৰীক কোৱাত তেওঁ কনজাৰভেটৰ অব ফৰেষ্টক দৰকাৰ হলে হস্তক্ষেপ কৰিবলৈ কলে, কিন্তু উচ্ছেদ বন্ধ কৰিবলৈ নকলে। এই কথা মই মাননীয় মুখ্য-মন্ত্ৰীকো লিখিত ভাৱে জনাইছো তেখেতে কি ব্যৱস্থা লৈছে কব নোৱাৰো। তেওঁ-লোক ৰাষ্টাত পৰি আছে। বেদখল কাৰীক উচ্ছেদ কৰাত আমাৰ আপত্তি নাই কাৰণ যিবিলাক মানুহ বাহিৰৰ ফালৰ পৰা আহিছে তেওঁলোক জধেমধে যতে তে বহিছে। কিন্তু তেওঁলোকক উচ্ছেদ কৰাৰ লগে লগে অন্য ঠাইত বহাবো ব্যৱস্থা কৰিব লাগে। আজি দেখা গৈছে মাটি হীন সকল আৰু মাটিহীন হৈ গৈছে। গতিকে সামাজিক ব্যৱস্থালৈ চাইও এই লোক সকলক মাটি দিয়াটো নিত্যা-ন্তই দৰকাৰ। মাজুলীত এই ধৰণৰ মানুহ বহুত আছে। তেওঁলোকৰ ঘৰবাৰী বান-পানীয়ে উটাই লৈ গ'ল। গড়া খহনীয়াই মাটি খহাই লৈ গল। গতিকে এই মানুহ-খিনিক যদি সোনকালে সংস্থাপনৰ ব্যৱস্থা নকৰে তেন্তে তেওঁলোকৰ অৱস্থা আৰু বেয়ালৈ যাব। অসমত বহুতো ট্ৰাইবেল বেল্ট এণ্ড ব্লক আছে। এই গোটেই ট্ৰাই-বেল ব্লক এণ্ড বেল্ট বিলাকত নন ট্ৰাইবেল মানুহ বহি আছে। মই মুখ্য-মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে যিবিলাক বানপীড়িত লোক ৰাষ্টাৰ ওপৰত পৰি আছে অনতিপলমে তেওঁলোকক এই ট্ৰাইবেল ব্লক বিলাকত বহু-ওৱাৰ ব্যৱস্থা কৰিব লাগে। আজি জনজাতি লোক সকলে অফিচে অফিচে ঘূৰি পকি তেওঁলোকৰ নাহ্যপ্ৰাপ্য আদায় কৰিব নোৱাৰাৰ কাৰণে এই অৱস্থা হৈছে। যিবিলাক অন্য বিজাৰ্ভত বেদখলকাৰীয়ে বেদখল কৰি আছে তেওঁলোকক উচ্ছেদ কৰাৰ ব্যৱস্থা আছে কিন্তু ট্ৰাবেল বেল্ট ব্লকৰ ভিতৰত অনা ট্ৰাইবেল লোক বহুতে বেদখল কৰি আছে। তেওঁলোকক উচ্ছেদ কৰাৰ ব্যৱস্থা নাই। এই ক্ষেত্ৰত মই ডিব্ৰুগড়, লক্ষীমপুৰ আদি জিলাৰ ট্ৰাইবেল ব্লকৰ কথা ভালদৰে জানো। কাম-ৰূপ, গোৱালপাৰা, কোকৰাঝাৰ আদিতো বেল্ট ব্লক বিলাকত অন্যায় ভাৱে বেদখল কৰি আছে। তেওঁলোকক উচ্ছেদ কৰা হোৱা নাই কিয় ? মই চাব কমি-টিৰ ভ্ৰমনত কোকৰাঝাৰলৈ যাওতে তাৰ স্থানীয় বিষয়াসকলক এই বিষয়ে সুধি-ছিলো। তেখেত সকলে কলে যে উচ্ছেদ কৰিবলৈ যিখিনি টকা পইচা চৰকাৰৰ ফালৰ পৰা যাব লাগে সেইখিনি যোৱা নাই। কাৰণ উচ্ছেদ কৰিবৰ কাৰণে টকা পইচাৰো দৰকাৰ। এই মানুহ বিলাকে ২০ বছৰ ধৰি বেদখল কৰি আছে কিন্তু টকাৰ অভাৱত তেওঁলোকক উচ্ছেদ কৰিব পৰা নাই। গতিকে কিহৰ কাৰণে টকাৰ অভাৱ হৈছে মই বুজা নাই। যদি সচাকৈ টকাৰ অভাৱৰ কাৰণে এই বেল্ট

ব্লক বিলাকত উচ্ছেদ কাৰ্য্য চলাব পৰা নাই তেনেহলে মই ভাবো যে প্ৰতি সোন-কালে বিভিন্ন মহকুমাত উচ্ছেদ কাৰ্য্য চলাবলৈ টকা-পইচা দি দিব লাগে আৰু তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনালো। কোকৰাঝাৰৰ মহকুমাধিপতিয়ে কৈছে যে আমি টকাৰ কাৰণে লিখিছো কিন্তু টকা দিয়া নাই। আমি দুখ পাইছো যে অন্য ফৰেষ্ট ৰিজাৰ্ভ আদি উচ্ছেদ কৰাৰ কাৰণে টকাৰ অভাৱ নহয়, কিন্তু ট্ৰাইবেল বেল্ট ব্লক বিলাক উচ্ছেদ কৰিবলৈ টকাৰ অভাৱ। এইটো গুৰুত্ব সহকাৰে চোৱা উচিত। আজি আমাৰ ট্ৰাইবেল বেল্ট ব্লক বিলাকত যিমানবিলাক মাটি আছে সেইখিনি মাটিৰে এই লোকসকলক ভালকৈ বহুৱাব পাৰি। কিন্তু দেখা যায় যিবিলাক দুখীয়া শ্ৰেণীৰ মাটিহীন লোক তেওঁলোকে বিষয়াসকলক যিধৰণে কথা কব লাগে সেই ধৰণেৰে কথা কব নজনাৰ ফলত তেওঁলোকে মাটি আদি পাব পৰা নাই। তেওঁলোকে আজি এচ, ডি, চি, এচ, ডি. ও, আৰু ডি, চি,ক গৈ খাতিৰ কৰিব নোৱাৰে সেই কাৰণে তেওঁলোকৰ কাম নহয়। এই গৰাখহনীয়া জনজাতীয় লোক সকলৰ কাৰণে আপত্তি কৰি থকা সত্বেও একো কাম হোৱা নাই। গতিকে মই ভাবো এই অফিচ বিলাকত জনজাতি অনুসূচীত জাতিৰ যদি একোজন এচিষ্টেন্ট থাকে তেনেহলে তেওঁ এই সম্প্ৰদায়ৰ লোক সকলক সহায় কৰিবলৈ সুবিধা পাব। গতিকে জিলা বা মহকুমা পৰ্য্যায়ত এই ধৰণৰ সহকাৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে এই জনজাতি লোক সকলৰ মাটিবাৰি দিয়াৰ ক্ষেত্ৰত সহায় কৰিব পাৰে।

অধ্যক্ষ মহোদয়, ডি—চি বা এচ—ডি—অ, এজনে কিমান বিলাক দৰ্খাস্ত আহিল সেই বিলাক কলৈ গ'ল ইমান বিলাক হিচাব ৰাখিব নোৱাৰে। দৰ্খাস্তৰ ওপৰত লিখি দিয়াৰ পিচত সেই দৰ্খাস্তখন কলৈ গ'ল হিচাব ৰাখিবৰ তেওঁলোকৰ সময় নাথাকে আৰু সেইটো নিশ্চয় স্বাভাবিক। তাৰ পিচত কেৰাণী বা চুপাৰিন্টেণ্ডেণ্টে যিভাবে নোট দি পুট আপ কৰে সেই হিচাবেই কাম হৈ যায়। সেই কাৰণে এই ৰাজহুৱা দৰ্খাস্ত বিলাক দাখিল কৰাৰ পিচত সেই দৰ্খাস্ত বিলাক কলৈ যায় দৰ্খাস্ত খন কি হব বা কি নহব সেইটো বাইৰে যেতিয়া অনুসন্ধান কৰিবলৈ যাব তত্তাতৈয়াকৈ দিব পৰাকৈ এজন লোক ৰখা উচিত কিয়নো সেইটো নহলে বাইজে তিনি চাৰি দিন তাৰ কাৰণে থাকি টকা পইচা আদি খৰচ কৰি দৰ্খাস্তখনৰ খবৰ ৰাখিবলৈ থকাটো অসুবিধা হয়। অৱশ্যে যিসকলে থাকিব পাৰে টকা পইচা খৰচ কৰি তেওঁলোকে দৰ্খাস্তৰ খবৰ লৈ আহিব পাৰে। মই ভাবো সকলোৰে কাৰণে সেইটো অসুবিধা হয়। বৰ্ত্তমান দেখা যায়

যে একজিকিউটিভ ই-এ-চি সকলৰ কাম নাই। কাৰণ জুদিচিয়েল কাম বিলাক জুডিচিয়েল মেজিষ্ট্ৰেটে কৰে। গতিকে এক্সিকিউটিভৰ বাহিৰে ই-এ-চিৰো আন কাম নাই। মই ভাবো যেইকোনো এজন ই-এ-চিক সেই কামত ৰাখিব পাৰে। কিয়নো তেতিয়া হলে ৰাইজৰ দৰ্খাস্তসমূহ কলৈ যায় তিনি চাৰি দিনৰ ভিতৰতে কি ব্যৱস্থা লোৱা হব বা নহব সেই সম্পৰ্কত এটা সিদ্ধান্ত দৰ্খাস্তকাৰী ৰাইজক জনাই দিব পাৰিব। মই ভাবো কেৰাণীয়ে চহী কৰি দিয়াৰ পিচত সেইখন জপাই থৈ দিয়ে আৰু তাৰ পিচত বাকী কি কাম হব বা নহব সেইটো ৰাইজে জনাৰ কোনো উপায় নাই। মই ভাবো যে মুখ্য-মন্ত্ৰী মহোদয়ৰ এই বিষয়ত "ইন্টাৰেষ্ট" আছে আৰু তেখেতে এই মতে কাম কৰিবলৈ এনে ধৰণে অফিচাৰ নিয়োগ কৰিলে খৰতকীয়া কাম হব আৰু ৰাইজো উপকৃত হব বুলি মই বিশ্বাস কৰো। নানান ধৰণৰ দৰ্খাস্ত ৰাইজে কৰে সেই সকলো বিলাকৰ দায়িত্ব এজন অফিচাৰৰ ওপৰত ন্যস্ত কৰিলে নিশ্চয় ভাল হয় বুলি মই ভাবো।

(ভইচ: দৰ্খাস্ত বিলাক কোনে ৰিক'মেণ্ড কৰিব)

এইটো ৰিকমেণ্ড কৰাৰ কথা নহয়। কেৱল ৰাইজে দিয়া দৰ্খাস্ত কলৈ গল কি ব্যৱস্থা লোৱা হব বা নহব সেইটো ৰাইজক জনাবৰ ব্যৱস্থা কৰাৰ এটা উপায়হে মাথোন। ৰাইজৰ মাজৰ পৰা কোনোবাই খবৰ কৰিলেও যিহেতু কোনো এজন বিশেষ দায়িত্বত নাই তেওঁলোকে তেনেকুৱা দৰ্খাস্ত অহাই নাই বুলি উত্তৰ দিয়ে ফলত ৰাইজে দিয়া দৰ্খাস্তৰ ওপৰত কি ব্যৱস্থা লোৱা হল ৰাইজৰ জনাৰ কোনো উপায় নাথাকে। অৱশ্যে কেইদিন মান থাকি ঘাটি চালেহে আচল কথাটো ৰাইজে উলিয়াব পাৰে নহলে স ধাৰণ ৰাইজে দৰ্খাস্তৰ কোনো মোল বুজিবলৈ টান পায়। সেই কাৰণে এইটো ব্যৱস্থা অতি সোনকালে লব লাগে। আকৌ যিবিলাক মানুহৰ হোমষ্টীড লেণ্ড নাই সেই সকলক থকাৰ কাৰণে ঘৰ বান্ধিবৰ কাৰণে অন্ততঃ কম পক্ষে কিছু মাটি দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। চৰকাৰৰ ওচৰত এই কেইটা দিশৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমতী ৰেৱতী বালা দাস: মাননীয় অধ্যক্ষ মহোদয়, চাৰিজন মাননীয় সদস্যই এই অধিবেশনত দাঙি ধৰা এটা প্ৰস্তাৱৰ সমৰ্থনত আমাৰ এই সদনৰে ভালে কেইজন মাননীয় সদস্যই নানান দিহা পৰামৰ্শ আগবঢ়াইছে। মইও এই প্ৰস্তাৱৰ সমৰ্থনত কেইটামান দিশ আঙুলিয়াই দি কেইটামান কথা কব বিচাৰিছো। মাননীয় সদস্য কেইবাজনেও আলোচনাত অংশগ্ৰহণ কৰি কেইটামান গুৰুত্বপূৰ্ণ

দিশ আঙুলিয়াই দিছে তাৰ লগতে মইও কব বিচাৰিছো যে এই প্ৰস্তাৱটো এটা উপযুক্ত সময়ত লোৱা হৈছে। এতিয়া বৰ্ত্তমান আমাৰ অসমত ভূমিহীন মানুহৰ সংখ্যা কমাৰয়ে বাঢ়ি গৈছে এইটো কিয় বৃদ্ধি হৈছে তাৰ নিশ্চয় এটা সিদ্ধান্তত আহিব লাগে আৰু তাৰ গোটেইবোৰ দিশ চালিজাৰি চাই ব্যৱস্থা লোৱাৰ কাৰণে উপযুক্ত সময় হৈছে। কাৰণ আমাৰ যিবিলাক স্থায়ী বাসীন্দা সেই সকলৰ বহুতেই এতিয়াও ভূমিহীন হৈ আছে আৰু হঠাতে যি সকলে বাহিৰৰ পৰা আহিছে সেই সকলে অতিনোনকালে ভূমি পাইছে, এনেকুৱা অৱস্থাও কিছুমান ঠাইত দেখা গৈছে যে চাৰি পুৰুষ ধৰি থকা মানুহ অনুসূচীত জাতি বা অনুসূচীত জনজাতীৰ বা অন্যান্য সম্প্ৰদায়ৰ লোক আছে তেওঁলোক ভূমিহীনহৈ থকা দেখা গৈছে। আমৰ আজি মাননীয় প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ কুৰ-দফীয়া অৰ্থনৈতিক আঁচনিৰ প্ৰতি যি সকলে সমৰ্থন দিছে, আদৰণি জনাইছে কিন্তু ভূমিহীন লোকৰ যি লিষ্ট দাঙি ধৰিছে সঁচাকৈ সেই লিষ্টত কিছুমান দুখীয়া লোক বাদ পৰি গৈছে। মই বেছি দূৰৰ কথা নকওঁ আমাৰ ওচৰতে জালুকবাৰী সমষ্টিৰ মোৰ সমষ্টিৰ গুৱাহাটিৰ নিছেই কাষতে যিবিলাক গাওঁ আছে যেনে পত্নমৰণী তেতেলীয়া, পাণ্ডুনাথ এইখিনি লোক অতি পুৰণা বাসীন্দা। তাৰ ভিতৰত পত্নমকলিত পাচশ ঘৰ অনুসূচীত জাতিৰ মানুহ আছে। তেওঁলোক এতিয়াও ভূমিহীন হৈ আছে। এই সন্দৰ্ভতে কওঁ যে ৰাজহ মন্ত্ৰী ডাঙৰীয়া অলপতে তালৈ গৈছিল স্মাৰক পত্ৰ আদিও দাখিল কৰিছিল সেই মানুহখিনিয়ে কিন্তু যিহেতু সেই অঞ্চলটো জালুকবাৰী মিউ-নিচিপেল কৰপৰেচনৰ ভিতৰত পৰিছে সেই মানুহ খিনি মাটিৰ অধিকাৰ পোৱাৰ পৰা বঞ্চিত হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছিল যে এইসকল ভূমিহীন লোকক মাটি দিয়া হব কিন্তু দেখা গৈছে যে যিসকলক মাটি দিয়া হৈছে সেইসকলে পোৱা মাটি অন্যান্য মানুহে অধি গ্ৰহণ কৰি আছে আৰু অন্য মানুহে অধিকাৰ কৰি থকা কাৰণে যিসকলক মাটি দিয়া হৈছে সেই সকলে দখল কৰিবলৈ সুবিধা পোৱা নাই। যোৱা ১৯৭৫ চনতে ৰাজহমন্ত্ৰী ডাঙৰীয়াই শোৱালকুছি অঞ্চলত বাইশ ঘৰ মানুহক মাটি বিতৰণ কৰি দিছিল। সেই গড়া-খহনীয়াত পীড়িত হোৱা লোকসকলক মাটি দিয়া হৈছিল যদিও আজিকোপতি তাত তিনি ঘৰ মানুহ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ ওচৰতে থাকিবলগীয়া হৈছে। তেওঁ-লোকক দিয়া মাটিলৈ যাব পৰা নাই কাৰণে ধনী অৱস্থাপন্ন মানুহে তেওঁলোকক দিয়া মাটি দখল কৰি আছে। ফলত দুখীয়া আৰু বিধৱা লোক মাটিহীন সত্বেও চৰকাৰে তেওঁলোকক মাটি দিয়া সত্বেও সেই মাটিলৈ যাব পৰা নাই। এই

ৰিপোৰ্ট মই এতিয়া পাইছো গতিকে এই বিলাক কথাৰ অনুসন্ধান কৰাৰ কাৰণে চৰকাৰক অনুৰোধ জনালোঁ।

আমাৰ মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছে যে ভুমিহীন লোক সকলক মাটি দিয়া হব। যি সকলক মাটি দিয়া হৈছে সেই সকলে মাটি গ্ৰহণ কৰিব পৰা নাই। কাৰণ আগতে অধিগ্ৰহণ কৰি থকা মাটি তেওঁলোকক দিয়া হৈছে। ১৯৭৫ চনত ৰাজহমন্ত্ৰী শ্ৰীবৰ্দ্ধণ ডাওৰীয়াই শুৱালকুছিত ২২ টা গড়াখহনীয়াৰ কবলত পৰা পৰিয়ালক মাটি দি আহিছিল। তাৰে কেইটামান পৰিয়াল এতিয়াও নদীৰ পাৰতে বৈ আছে। তেওঁলোক মাটিলৈ যাব পৰা নাই। আগতে ধনী মানুহে দখল কৰি থকা মাটি তেওলোকক দিয়া হৈছে। ইয়াৰ ফলত যি সকল বিধবা সহায়হীন তেওঁলোক যাব পৰা নাই। গতিকে এই ক্ষেত্ৰত অনতি-পলমে যি সকল ভূমিহীন মানুহক মাটি দিয়া হৈছিল তেওলোকে যাতে মাটি গ্ৰহণ কৰিব পাৰে তাত ব্যৱস্থা কৰিব লাগে। চক্ৰান্তকাৰী সকলৰ যাতে শাস্তিমূলক ব্যৱস্থা লয় তাৰ বাবে অনুৰোধ জনাইছো। পাণ্ডুঘাটত ওম বাবাৰ নামত বহুতো বিঘা মাটি আছে। গৰাকী নাই কেতিয়াবাই মৰিল। সেই মাটিত ৰেলৱে বিভাগৰ ডাঙৰ ডাঙৰ বিষয়া বহি আছে আনহাতে ওচৰতে থকা স্থায়ী অনুসূচীত জাতিৰ লোক সকল তাৰ পৰা বঞ্চিত হৈ আছে। গতিকে যি সকলক মাটি দিয়া হৈছে তেও লোকে যাতে মানুহ হিচাবে বসবাস কৰিব পাৰে তাৰ ব্যৱস্থা যেন কৰে। এতিয়া দেখা গৈছে চিলিং এক্ৰত পোৱা মাটি বিলাক বিতৰণ কৰিবলৈ লোৱা হৈছে। এই মাটি বিলাক ৩০-৪০ মাইল দুৰত থকা কাৰণে লোকসকলে মাটিলৈ যাব নোৱাৰে। গতিকে ওচৰতে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ পিচত দেখা গৈছে যি বিলাক অস্থায়ী ভাবে আহিছে সেই সকলৰ নাম ভূমিহীন বুলি লিষ্টিভুক্ত কৰা হৈছে। গতিকে চৰকাৰে এই বিষয়ত ভালকৈ অনুসন্ধান কৰি প্ৰকৃত তথ্য লৈ লিষ্টি তৈয়াৰ কৰে তাৰ বাবে দৃষ্টি দিব বুলি আশা কৰিলো। তাৰ পিচত এনেকুৱা কিছুমান ঠাইত মাটি দিয়া হৈছে যত চিকিৎসা আদিৰ কোনো সুবিধা নাই। ৰাস্তা ঘাট নাই এনে ঠাইত থাকিবলৈ যোৱাৰ কোনো যুক্তি নাই। আন্তৰ্জাতিক মহিলা বৰ্ষ উপলক্ষে বাৰ্লিনলৈ যোৱাৰ মোৰ সৌভাগ্য ঘটিছিল। তাত দুখন গাওঁ দেখিছিলো। গাওঁ খন টাউন নে গাওঁ ধৰিব পৰা নাই। গাৱঁৰ মানুহ বিলাকক খেতি কৰিবৰ কাৰণে আবাস গৃহ আদি সকলো সুবিধা চৰকাৰৰ ফালৰ পৰা দিছে। তেওলোকে মানুহৰ জীৱনৰ মানদণ্ড বজাই জীয়াই থাকিব পাৰিছে।

তেওঁলোকক থকা খোৱাৰ সুবিধা কৰি দিছে। দেশৰ অৰ্থনীতিৰ সামাজিক যিটো মানদণ্ড সেইটো ৰক্ষা কৰিব পাৰিছে। আনহাতে আমাৰ ইয়াত দেখা গৈছে গাৱঁত আৰ্থিক সমস্যা দুৰ্ব্বল হৈ আহিছে আৰু ভূমিহীনৰ সংখ্যা বাঢ়িব লাগিছে। গতিকে ১৯৭৬ চনৰ জুন মাহৰ ভিতৰত যাতে প্ৰকৃত ভূমিহীন লোকে মাটি পায় আৰু আবাস গৃহ পায় তাৰ সুব্যৱস্থা তৎকালে কৰি দিব বুলি আশা ৰাখি প্ৰস্তাৱটো সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলো।

ডা: কৃষ্ণ কান্ত লহকৰ: অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো সময়োপযোগী হৈছে। আমাৰ গাৱঁে চহৰে দিনে দিনে গৃহ হীন আৰু ভূমিহীনৰ সংখ্যা বাঢ়ি যাব ধৰিছে। আমাৰ ভবিষ্যতে এনে এটা সময় আহিব যি সময়ত থকা ঘৰ দিব পৰা নহব। মোৰ সমষ্টিৰ এশ ঘৰ মানুহক ৰাজহ মন্ত্ৰীয়ে মাটি দিছিল। কিন্তু মাটিলৈ মানুহ বিলাক যাব নোৱাৰিলে। ইয়াৰ কাৰণ দুটা আছে। এটা হল মানুহ বিলাকৰ ঘৰ বান্ধিবৰ কাৰণে টকা পইচা নাই। আনটো ঘৰবান্ধিলে খাব কি? মানুহ জন কৃষিয়েই হওক বা ব্যৱসায়েই হওক কিবা এটা কৰিব লাগিব। তাত কোনো সুবিধা নাই। গতিকে মাটি দিয়া সময়ত ঘৰ বান্ধিবৰ কাৰণে এশ ডেৰশ টকা দিব লাগে। আৰু কৰ্ম্ম সংস্থাপনৰ কাৰণে কিছু টকা দিব লাগে। গো ৰিজাৰ্ভ বিলাকত দুই তিনি খন গাৱঁৰ মানুহে গৰু আদি চৰায়। সেই ঠাইত আন মানুহ আহি বহাটো গাৱঁৰ ৰাইজে সহ্য নকৰে। গতিকে দুই তিনিটা মহকুমা গোটাই একোটা ডাঙৰ ৰিজাৰ্ভত মাটি দিব লাগে। তেতিয়াহলে তাত ৰাস্তা ঘাটকে আদি কৰি পানীযোগানৰ ব্যৱস্থা কৰিব পৰা হব। তেনেকুৱা ঠাইত যি বিলাক অসমৰ মানুহৰ মাটি নাই তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ মানুহৰ বছৰে বছৰে বস্তি মাটি নাইকিয়া হৈ গৈছে। ইয়াৰ কাৰণ হল দুই তিনি বিঘা মাটি থকা মানুহে বিপদে আপদে' বিয়া বাৰু বেমাৰত বন্ধক থয়। এই বন্ধক দিয়া মাটি আৰু তেওঁলোকে মুকলাব নোৱাৰে। শেষত এই মানুহ খিনি মাটিহীন হৈ পৰে। গতিকে বিপদত পৰা মানুহ বিলাকক অনুসন্ধান কৰি উলিয়াই সহায় কৰাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক টকা পইচা আদি সকলো ৰকমৰ সুবিধা দিব লাগে। এই ক্ষেত্ৰত সমবায় সমিতি বিলাকৰ দ্বাৰা ব্যৱস্থা কৰা ভাল হব। এই এইখিনিকৈ কৈ সামৰণি মাৰিলো।

* শ্ৰীইদ্ৰীচ আলি ফকীৰ: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য

*Speech not Corrected

প্ৰমোদ গগৈ ডাঙৰীয়াকে প্ৰমূখ্য কৰি যি সকল মাননীয় সদস্যই এই প্ৰস্তাৱটো উত্থাপন কৰিছে সেই প্ৰস্তাৱটো সমৰ্থন কৰি এই সম্পৰ্কত দুষাৰ মান কব বিচাৰিছোঁ। আজি ঘৰত খেতি নথকা মাটিহীন মানুহক খেতি দিয়াৰ কাৰণে অৰ্থনৈতিক আচঁনিৰ যি খিনি কথা ঘোষণা কৰিছে আৰু সেই মৰ্ম্মে আমাৰ চৰকাৰে যথেষ্ট ঠায়ে ঠায়ে কামত আগবাঢ়িছে আৰু সেইখিনি মানুহক ঘৰ ভেটি ইত্যাদি দিয়াৰ কাৰণে যি আৰ্থিক সাহাৰ্য্য আগবঢ়াইছে সেইটো বেচ প্ৰশংসাৰ কাম হৈছে বুলি মই ভাবো। ইয়াৰ ভিতৰত ব্যক্তিগত ভাবে ২।১ টা কথাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ, এই সংক্ৰান্ততে মই পৰামৰ্শ দিব বিচাৰিছোঁ যে এতিয়ালৈকে অসমৰ বিভিন্ন ঠাইত অনুসূচিত জাতি আৰু জনজাতিৰ লোক সকলক ঘৰ-ভেটি ইত্যাদিৰ বন্দোবস্তি কৰাত বেচ অগ্ৰাধিকাৰ দিয়া হৈছে কিন্তু কোনো কোনো এনেকুৱা এলেকাও আছে য'ত এনেধৰণৰ সা-সুবিধা আগবঢ়োৱা হোৱা নাই, গতিকেই সেই অঞ্চলৰ দুখীয়া ৰাইজে চিন্তা কৰিবলৈ বাধ্য হৈ গৈছে যে এনেবিলাক অৰ্থনৈতিক আঁচনিৰ কাম ঠাই বিশেষেহে হৈছে নেকি যে তাৰ অংশিদাৰ তেওঁলোক হব নোৱাৰে? তেনে ক্ষেত্ৰত মই পৰামৰ্শ দিব বিচাৰিছোঁ যাতে প্ৰত্যেক মহকুমাতে বা ৰেভিনিউ চাৰ্কোলত তেনে ধৰণৰ আঁচনি লব লাগে, কমকৈ হলেও অন্তত ২।৪ ঘৰ মানুহকো সংস্থাপন দিব পাৰিলে তেওঁলোকৰ মনত আনন্দ আহিব। গাওঁ অঞ্চলত কিছু দিন আগতে এনেকুৱা এটা অৱস্থা হৈছে যে লেণ্ডচেইলিং টিনেন্সী আইন পাচ হোৱাৰ পিচত সেই মানুহ বিলাকৰ ওপৰত নানা কাৰণত জুলুম দবৰদস্তি হৈছিল, এই সম্পৰ্কে বহুতে আলোচনা কৰিছে বাজেট বক্তৃতাত আৰু ৰাজ্যপালৰ ভাষণতো মই এই বিষয়ে উনুকিয়াই আহিছোঁ। ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি মই কব বিচাৰিছোঁ যে এই আধিয়াৰ আইনৰ আঁচনি লৈ বহুতো মাটিগিৰি মানুহে এই দুখীয়া ৰাইজক ঘৰ-দুৱাৰ ভাঙি মেলি ঘৰত জুই লগাই দি তেওঁলোকক মাটিৰ পৰা উচ্ছেদ কৰিছে, সেইবিলাক অৱস্থাৰ মই কোনো কোনো সময়ত প্ৰত্যক্ষ দৰ্শী আছিলো। উপায় নাপাই সেই উচ্ছেদ হোৱা মানুহ বিলাকে নিজৰ মাটি ভেটিতো এৰি ওচৰৰ ভিজিয়াৰ পিজিয়াৰ বিলাকলৈ আশ্ৰয়ৰ কাৰণে যাবলগীয়া হৈছে, যিবিলাক ভিজিয়াৰ পিজিয়াৰ খেলপথাৰ হস্পিতাল ইত্যাদিৰ কাৰণে আচুতীয়াকৈ ৰখা হৈছিল। তাত সেই লোক সকলে কোনো মতে পজা ঘৰ বান্ধি বাস কৰি আছে, সেই লোক সকলক যাতে অগ্ৰাধিকাৰ দি তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাহিৰেও এই প্ৰস্তাৱত আৰবান এৰিয়াৰ

কথা আছে । ১৯৫০ চনত নগাওঁ জিলাৰ হোজাইত চিভিল চাবডিভিজনৰ
হেডকোৱাৰ্টাৰ হব লাগে বুলি প্ৰস্তাৱ লৈছিল আৰু সেই প্ৰস্তাৱৰ ঘোষণামতেই সেই
অঞ্চলৰ মানুহ বিলাকে অনুন্নত ঠাইখনক চহৰত পৰিণত কৰিলে আৰু বৰ্ত্তমান সেই
অঞ্চলত প্ৰায় ৪০ হাজাৰ মানুহ আছে । ৰাজহ মন্ত্ৰী সেই কালে গৈছিল আৰু মইও
উপস্থিত আছিলো, পৌৰ সভাৰ সভাপতিয়ে এচ, দি, চিলৈ নিবেদন কৰিছিল যে প্ৰায়
পাচ ভাগৰ তিনিভাগ মাটি হোজাইত চৰকাৰী হৈ আছে, তাত থকা সেই মানুহবোৰ
বিষম ভাবে ক্ষতিগ্ৰস্থ হৈ আছে আৰু এই মাটিৰ দখল দিয়া ক্ষেত্ৰত নানা ধৰণৰ
খেলিমেলি হৈ আছে । ৰাজহ মন্ত্ৰীয়ে এই বিষয়ে এটা তৎকালীন ব্যৱস্থা
লোৱা হব বুলি আশ্বাস দি আহিছিল । তাত আৰু পৰামৰ্শ দি আহিছিল
যে সেই মাটিহীন মানুহবোৰৰ দৰ্খাস্ত ষ্টাফলৈ দিয়া হওক আৰু সেই বিষয়ে
এচ, দি, চিয়ে যাতে ভাল ধৰণে তদন্ত কৰি ইয়ালৈ পঠিয়াই আৰু হোজাইত
থকা চিৰদিনীয়া গণ্ডগোলটোৰ অৱসান ঘটায় । শেষত কওঁ যে মাননীয়
মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে বনাঞ্চল সমূহত যদি কোনোবাই বেদখল কৰে
তেতিয়াহলে কাকো ক্ষমা কৰা নহব, প্ৰত্যেকেই তেনেবোৰ ঠাইৰ পৰা উচ্ছেদ
হব লাগিব । এই উচ্ছেদ কৰা কথাটো মই নীতিগত ভাৱে মানি লৈছো ।
কিন্তু সেই যিবিলাক মানুহ তাৰ পৰা উচ্ছেদ হয় সেই সকলক ঠায়ে ঠায়ে কেম্প
কৰি পুনৰ বন্দোবস্তী কৰা হওক । শেষত মই মাননীয় মন্ত্ৰী মহোদয়ক
অনুৰোধ কৰিব বিচাৰিছোঁ যাতে এই ধৰণে অ'ত ত'ত সিচৰিত হৈ কেম্পত
থকা মাটিহীন মানুহ বিলাকক মাটি-ভেটি দি তাত থকাৰ কাৰণে এটা বন্দো-
বস্তী কৰি দিয়ে যাতে যিকোনো উপায়ে তেওঁলোকে নিজৰ জীৱন ভৰণ-
পোষণ দিব পাৰে । এই খিনিকে কৈ সদনৰ সদস্য সকলক ধন্যবাদ জনাই
সামৰণি মাৰিলো ।

Mr. Speaker :—Now Bora.

* শ্ৰীমতী তৰুলতা বৰা :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য চাৰিজনে অনা
প্ৰস্তাৱটোৰ সমৰ্থনত মই কেইআষাৰমান কথা আণ্ডুলিয়াই দিব খুজিছো ।
এই প্ৰস্তাৱটো সময়োপযোগী হৈছে আৰু ভূমিহীন মানুহক মাটি
দিবৰ কাৰণে ২০ দফীয়া আচনিত এইটো অন্তৰ্ভুক্ত কৰা হৈছে ।
তাৰোপৰি ২০ (বিশ) দফীয়া আঁচনি খনক কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰে দ্ৰুত
গতিত কাম চলাই আছে । মই জনাত মোৰ সমষ্টিতে প্ৰায় চাৰিশ ভূমিহীন

* Speech not corrected

মানুহক মাটি বিতৰণ কৰা হৈছে। এইদৰে প্ৰত্যেক জিলা, প্ৰত্যেক মহকুমা আদিতে মাটিহীন মানুহৰ মাজত মাটি বিতৰণ কৰাৰ কাৰণে চেষ্টা কৰিছে। কিন্তু আমাৰ খেতিয়ক সকলক মাটি দিয়াৰ কথাটো চিন্তা কৰিলেই নহব। তাৰ লগে লগে নিম্নতম শ্ৰেণীৰ কম দৰ্মহা পোৱা চাকৰিয়াল সকলকো টাউন আদিত বস বাস কৰিবৰ কাৰণে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। কিয়নো আমি দেখা পাইছো যে, ধনীক শ্ৰেণীৰ লোক সকলেহে টাউন আদিত মাটিবাৰী লৈ সুবিধা ভোগ কৰি আছে আৰু কম দৰ্মহা পোৱা লোক সকলে টাউনত এটা পৰিয়াল পুহি ঘৰ ভাৰা দি থাকিব লগীয়া হলে ভীষণ কষ্ট স্বীকাৰ কৰিব লগীয়া হয়। কেৰেলা, বিহাৰ আদি ৰাজ্যত যেনেকৈ আবাসিক গৃহ আদি নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা কৰি দিছে সেই দৰে আচনি কৰি অসমতো তেনেকুৱা আবাসিক গৃহৰ ব্যৱস্থা কৰি দিলে উপকৃত হব বুলি ভাবি চৰকাৰক তেনে আচনি লবলৈ মই অনুৰোধ কৰিছো। ইতিমধ্যে প্ৰকৃত ভূমিহীন মানুহক মাটি দিয়াৰ উদেশ্যৰে ভূমিহীন মানুহৰ লিষ্টি তৈয়াৰ কৰিবৰ কাৰণে মহকুমা পৰিষদৰ ফালৰ পৰা পঞ্চায়তৰ প্ৰেচিডেন্ট বিলাকক নিৰ্দ্দেশ দিয়া হৈছে। সেই হিচাবে প্ৰত্যেক ঠাইতে মাটি দিয়া হব। এই মাটি বিতৰণ কৰাৰ লগে লগে সম্পূৰ্ণ আচনি তৈয়াৰ কৰি আবাসিক গৃহ তৈয়াৰ কৰাৰ আচনি লব লাগে।

ট্ৰাইবেল বেল্টৰ অৰু ব্লকৰ সন্দৰ্ভত মাননীয় সদস্য শ্ৰী পেগু ডাঙৰীয়াই যিটো কথা কৈছে সেইটো মই সমৰ্থন কৰিছো আৰু লগতে এটা কথা কব খুজিছো যে, এই বিলাক সংৰক্ষিত অঞ্চলত অন্য মানুহক কোনে বহিবলৈ দিছে সেইটোও বিচাৰ্য্য বিষয়। যি বিলাকে এই ট্ৰাইবেল বেল্ট আৰু ব্লকত অন্য মানুহ বহুৱাইছে সেইবিলাকৰ বিৰুদ্ধে ব্যৱস্থা কৰিব লাগে। মই জনাত শদিয়াত ট্ৰাইবেল সংঘৰ লোকেও মাটি বেছা কিনা কৰাৰ প্ৰমাণ আছে লাগিলে মই দিবপাৰো। এই বিষয়ে মই আৰু বেছি কথা নকও। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

* শ্ৰীদীপক শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সদনৰে মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো প্ৰস্তাৱ আজি এই সদনত উত্থাপন কৰিছে তাৰ মই সমৰ্থন জনাইছো এই কাৰণেই যে ই অতিসময়োপযোগী হৈছে আৰু এই সন্দৰ্ভতে দু আষাৰমান কথা মই কব খুজিছো। চাহ বাগানৰ বনুৱাৰ মাজত মাটি বিতৰণৰ যি ব্যৱস্থা কৰিছে তাত মই সন্তোষ প্ৰকাশ কৰিছো। কিন্তু

* Speech not corrected

ভাত অলপ আসোঁৱাহো হৈ গৈছে। যি সকল লোকে বহুতো বছৰব পৰাই মাটি ভোগদখল কৰি আহিছে সেই সকল লোককো মাটিৰ পৰা আজি বঞ্চিত কৰা হৈছে। তেনেকুৱা বহুতো উদাহৰণ আছে। মই এই ক্ষেত্ৰতে এইটো কথা কব খুজিছো যে, ট্ৰাইবেল আৰু অনুসূচীত আদি পিছপৰা লোক সকলৰ কাৰণে যেনেকৈ ট্ৰাইবেল বেল্ট ব্লক আদি কৰি মাটি সংৰক্ষিত কৰাৰ ব্যৱস্থা আছে সেইদৰে বাগানৰ উভবৃত্ত মাটি খিনিও চাহ বাগানৰ বনুৱা বিলাকৰ কাৰণে সংৰক্ষিত থকাৰ ব্যৱস্থা হব লাগে আৰু চাহবাগানৰ যি সকল মাটিহীন মানুহ সেই বিলাকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি অকল বসবাস কৰিবৰ কাৰণে মাটি দিলেই নহব। জীৱন নিৰ্ব্বাহৰ ব্যৱস্থা কৰিবৰ কাৰণে সেই মানুহ বিলাকক ভাৰতৰ অন্য কিছুমান ৰাজ্যৰ নিছিনাকৈ কৰ্ম্মসংস্থান বা আৰ্থিক সাহাৰ্য্যও দিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এইটো জানে যে, চাহবাগিছাত কাম কৰা মানুহ বিলাকৰ নিজা ঘৰ নেথাকে। বাগানৰ মহাজন বিলাকে সেই বিলাক ঘৰ সাজি দিয়ে আৰু চাকৰি শেষ হোৱাৰ লগে লগেই সেই বিলাক ঘৰ এৰি দিবলাগে। চাকৰি যোৱাৰ পিচতো যাতে বাগানৰ এই সকল লোক থাকিব পৰাৰ ব্যৱস্থা হয় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰি দিব লাগে। মোৰ সমষ্টিতে বহুতো চিড়িউল কাষ্টৰ মাটিহীন মানুহ আছে। এই সকলকো চৰকাৰে এই সকলোবিলাক ব্যৱস্থা পোৱাৰ দিহা কৰি দিব লাগে। এইখিনিকে মই আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীনুৰুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনত মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেইটো মই পোন প্ৰথমে আন্তৰিকতাৰে সমৰ্থন জনাইছো আৰু প্ৰস্তাৱটো অনাৰ কাৰণে মাননীয় সদস্যজনক আন্তৰিক অভিনন্দন জনাই দুআষাৰমান কব খুজিছো।

মই ইয়াৰ আগতেও এই পৱিত্ৰ সদনতে কৈছো যে, ২০ দফীয়া আচঁনি কাৰ্য্যকৰী কৰিবলৈ হাতত লোৱাটোৱেই হল আমাৰ জাতীয় জীৱনত এটা অভাৱনীয় পদক্ষেপ। যি মন্থৰ গতিত এই ২০ দফীয়া আচঁনিকাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আগবাঢ়িছে তাৰ দ্বাৰা আমাৰ জাতীয় জীৱনত এক হতাশা নৈৰাশ্য ভাৱে দেখা দিব আৰু ইয়েই আমাৰ দেশৰ আশা–আকাংখ্যাৰ এটা বিপদজনক অৱস্থা। মাননীয় সদস্য শ্ৰীগগৈদেৱে অনা প্ৰস্তাৱটোৰ লগত মইও একমত।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো

* Speech not corrected.

প্ৰস্তাৱ উত্থাপন কৰিছে সেইটোত মই একমত। আজি আমাৰ যি কুৰদফীয়া কাৰ্য্যসূচী টাইম বাউণ্ড হিচাপে যদি নলওঁ তেতিয়াহলে নিশ্চয় এটা বিপদৰ অৱস্থাৰ সৃষ্টি হব। আজি আমাৰ গভৰ্ণৰৰ ভাষণত দেখা যায় যে আমাৰ গোটেই ৰাজ্যখনত মুঠ চাৰি লাখৰ ওপৰত মাটি আমি পাইছো তাৰ ভিতৰত দেখা যায় যে মাত্ৰ দুই লাখ বিঘা মাটি আজিলৈকে বন্টন কৰা হৈছে, আৰু বাকী দুই লাখ কি হ'ল আৰু কি কাৰণত আজিলৈকে বন্টন কৰা নহল তাৰ কাৰণে যদি আমি আগতীয়াকৈ সুস্থিৰ ভাৱে চিন্তা কৰি এই দুই লাখৰো বন্টন কৰাৰ ব্যৱস্থা কৰিলোহেতেন তেতিয়াহলে নিশ্চয় আমাৰ উদ্দেশ্যত আমি সফলকাম হলোহেতেন। তাৰ লগতে মই এইটো কথাও কব খুজিছো যিটো কথা সিদিনাও মই কৈছিলো যে চৰকাৰী ভাৱে জনসাধাৰণক মাটি দিয়াৰ আমি যি প্ৰতিশ্ৰুতি দিছিলো সেই প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰাৰ কাৰণে এতিয়া এটা সুন্দৰ সুযোগ আহি পৰিছে। যদি এই সুযোগতে আমি আমাৰ প্ৰতিশ্ৰুতি ৰক্ষাৰ কাৰণে আঁচনি কাৰ্য্যকৰী কৰিব নোৱাৰো তেনেহলে আৰু এনেকুৱা সুবিধা আমি নাপাম। সেই কাৰণেই মই এই সুবৰ্ণ সুযোগ হাতত পাইও আমাৰ দেশৰ জনসাধাৰণৰ কাৰণে লোৱা আঁচনি সমূহ কাৰ্য্যত ৰূপায়ন কৰিবলৈ নোৱাৰিলে দুখজনক আৰু বিপদজনক অৱস্থা হব বুলি কব খোজো। আমাৰ বৰ্ত্তমান জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পিচৰে পৰা আমাৰ গঠনমুলক কাম বিলাক হাতত লোৱাৰ কাৰণে সুবিধা হৈছে। বহুত ঠাইত এই কাৰ্য্য সফল কৰাৰ কাৰণে এক সুস্থ বাতাবৰণৰ সৃষ্টি হৈছে কিন্তু এই ধৰণৰ অৱস্থাতো মাত্ৰ চাৰি লাখ গৃহহীন লোকক আমি ঘৰ সংস্থান দিব পৰা নাই। অৱশ্যে এতিয়ালৈকে আঠ হাজাৰটা পৰিয়ালক মাটি দিয়া হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীলহকৰ ডাঙৰীয়াই এটা কথা কৈছে আচলতে সেইটো ভাবিবলগীয়া কথা। এখন পৰিয়ালক যদি চল্লিশ পঞ্চাশ মাইল দুৰত মাটি দিয়া হয় আৰু তালৈ যদি উঠি যাবলৈ কোৱা হয় সেইটো আচলতে পুনৰ্বসতিৰ কাম কৰা মহব কিয়নো তালৈ যোৱাৰ লগে লগে কথা আহিব সেই পৰিয়ালটোৰ তাত গৈ জীৱিকা নিৰ্ব্বাহ কৰা তাত গৈ ঘৰ হুৱাৰ বন্ধা ইত্যাদি কথা। সেই ফালৰ পৰা মই ভাবো এই বিলাক কথা গভীৰ ভাৱে চিন্তা কৰি চাইহে ব্যৱস্থা লব লাগিব।

অধ্যক্ষ ডাঙৰীয়া, আজি আমাৰ দেশত যিমান খিনি মাটি আছে মই ভাবো সেই মাটিৰেই আমাৰ মাটিহীন লোকসকলক বণ্টন কৰিবলৈ যথেষ্ট হব। গগৈ ডাঙৰীয়াই চাৰিমাহৰ সময়ৰ কথা কৈছে মই কওঁ এইটো যথেষ্ট সময়

হ'ব। চাৰি লাখ মানুহক মাটি দিয়াৰ ওপৰিও যিটো ঘৰ বান্ধিবলৈ অনুদান দিয়া হয় সেই দেড়শ টকা নিচেই কম কিয়নো আজিকালি যি কোনো ঠাইতেই যিকোনো ধৰণৰ এটা ঘৰ সাজিবলৈ হ'লে দেড়শ টকাৰে নহয়। যদি সত্ উদ্দেশ্য আগত ৰাখি এই আঁচনি কাৰ্য্যকৰী কৰিবলৈ ললেহেঁতেন নিশ্চয় ইতিমধ্যে আমি বহুত খিনি সমাধা কৰিব পাৰিলোহেঁতেন। গতিকে সুস্থ ভাৱে সমাধা কৰাৰ কাৰণে আঁচনি লৈ এই আঁচনি বিলাক কাৰ্য্যকৰী কৰিব লাগে। মাননীয় সদস্য পেগু ডাঙৰীয়াই কৈছিল যে ইতিমধ্যে আঁচনি হাতত লোৱা হ'ল যদিও আজি আঠ মাহেও মাটিহীন লোকক মাটি দিয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো মাষ্টাৰ প্ল্যান লোৱা হোৱা নাই। আৰু যদি লৈছেও আমি নাজানো আৰু এইটোও ঠিক যে আমি যেতিয়া নাজানো আমাতকৈও পিচপৰা জনসাধাৰণে জনাৰ কোনো উপায় নাই। গতিকে মই ভাৱো অতি সোনকালে মাষ্টাৰ প্ল্যান লৈ এই সক্ৰান্তত কাম কৰিবলৈ আৰু আঁচনিৰ সফল ৰূপায়নৰ কাৰণে হাতে কামে লাগিব লাগিব। মাষ্টাৰ প্ল্যান হাতত লৈ যদি প্ৰতি মাহে প্ৰতি জিলাতে অন্ততঃ কম পক্ষে একহাজাৰকৈ হ'লেও পৰিয়ালক মাটি দিব পৰা হয় আৰু সেই পৰিয়াল কেইটাক এটা জীৱিকাৰ উপায় কৰি দিয়া হয় তেনেকুৱা এখন আঁচনিহে হাতত লব লাগে। মই ভাৱো যে প্ৰত্যেক জিলা কৰ্ত্তৃপক্ষৰ জৰিয়তে যদি প্ৰতি মাহতে অন্ততঃ একহাজাৰ মাটিহীন পৰিয়ালক মাটি দিয়াৰ ব্যৱস্থাৰ লক্ষ্য স্থিৰ কৰি দিয়া হয় তেতিয়াহ'লে চাৰি মাহৰ ভিতৰতে প্ৰায় এক লাখ মানুহক দিব পৰা হব বুলি মোৰ বিশ্বাস।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰোপৰি এটা কথালৈ আমি লক্ষ্য কৰিব লাগিব যে কুৰি দফীয়া আঁচনি কাৰ্য্যকৰী কৰিবলৈ যাওঁতে আমি চাব লাগিব যি বিলাক ক্ৰটি বিচ্যুতি হৈ গৈছে কিয়নো মোৰ বিশ্বাস আমি যদি সফলতাৰে এই কুৰি দফীয়া আঁচনিৰ ভিতৰত থাকি আঁচনিৰ সফল ৰূপায়নৰ কাৰণে ব্যৱস্থা লব পাৰো নিশ্চয় সেই ব্যৱস্থাৰ দ্বাৰা আমাৰ দেশৰ দাৰিদ্ৰতা নিবাৰণ কৰিব পাৰিম আৰু তাৰ কাৰণে জাতি ধৰ্ম্ম নিৰ্বিবশেষে যি সকলক নিস্পেষিত নিকৃত্ সাহিত লোক আছে সেই সকলো লোক আগবাঢ়ি অহাৰ কাৰণে চৰকাৰী ভাৱে আহ্বান জনোৱা হৈছে আৰু মই ভাৱো এনেভাৱে বিশেষ ব্যৱস্থাৰে আঁচনি লৈ ততালিকে কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা উচিত হব। আজি মই যিটো অঞ্চলৰ পৰা আহিছো সেই ধুবুৰী মহকুমাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত তিনিটা সমষ্টি আছে। তাৰ ভিতৰত মানকাচাৰ, দক্ষিণ শালমৰা আৰু

লক্ষীপুৰ। এই অধিবেশন চলি থকা সময়তে মই লক্ষীপুৰ সমষ্টিলৈ গৈছিলো। এই অঞ্চলত বাসিন্দা সকলৰ ভিতৰত প্ৰতি বছৰে প্ৰায় একহাজাৰ লোক ভূমিহীন হৈ আৰু গৃহহীন হৈ পৰে কিন্তু আজিলৈকে এই অঞ্চলৰ কাৰণে চৰকাৰী ভাবে কোনো ধৰণৰ গঠনমূলক কাম কৰিব পৰা নাই। অকল এশ দুশ বা তিনিশ টকা ধাৰ বা ৰিলিফ দিয়াৰ দ্বাৰাই এটা অঞ্চলৰ বা এটা জাতিৰ অৰ্থভাব দূৰ কৰিব নোৱাৰি। আৰ্থিক অৱস্থা স্বচ্ছল কৰিব নোৱাৰি। যি কোনো এখন দেশ বা জাতি এটাকে কেৱল গ্ৰাণ্ট অথবা ৰিলিফ দি বচাই ৰখা নাযায় যদিহে আৰ্থিক স্বাৱলম্বিতা অনাৰ কাৰণে কোনো স্থায়ী আৰু সুস্থিৰ চিন্তাপ্ৰসূত আঁচনি লোৱা নাযায় তেন্তে সেই দেশ বা জাতি ডুবি যাব। মই এই সদনতে আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো অৱশ্যে তেখেতৰো অবিদিত নহয় নিশ্চয় মুখ্যমন্ত্ৰী মহোদয়েও কথা হৃদয়ঙ্গম কৰিছে কিন্তু কিয় যে তাৰ উপযুক্ত ব্যৱস্থা হাতত লোৱা নাই মই নিজেও বুজি পোৱা নাই। এই অঞ্চলত হাজাৰ হাজাৰ লোক বসবাস কৰি আছে খাবলৈ নাপায়, উপাৰ্জনৰ কোনো পথ নাই, কামৰ অভাৱত এনেই ঘূৰি ফুৰিছে যদি কুৰি দফীয়া আঁচনিৰ যোগেদি আমি জীয়াই থাকিবলগীয়া হয় আমাৰ জাতীয় জীৱনক যদি সুদৃঢ় ভাৱে গঢ়ি তুলিব নোৱাৰো তেন্তে ই আমাৰ জাতীয় জীৱনত এটা ডাঙৰ কলংক হব। সেই কাৰণে মই বিশেষ ভাৱে অনুৰোধ কৰিব খুজিছো যেন অতি সোনকালে এই মানুহখিনিৰ কাৰণে এই মানুহখিনিক আৰ্থিক স্বাৱলম্বিতা দিয়াৰ কাৰণে তেওঁলোকৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ কাৰণে সফল প্ৰগ্ৰেম লব পাৰো কিয়নো জাতীয় জীৱনৰ কাৰণে চাৰি মাহ গোটেই কম সময় নহয়। এইটো এটা সুবৰ্ণ সুযোগ আহিছে আৰু যদি এই সুযোগতে আজি জাতীয় কাম কৰিব নোৱাৰো পৰি থকা মানুহ খিনিক আৰ্থিক স্বাৱলম্বিতা আনি দিয়াৰ কাৰণে সফল আঁচনি হাতত লব নোৱাৰো তেতিয়াহলে কেতিয়াও আমাক দেশে ক্ষমা নকৰিব, জাতিয়ে আমাক কেতিয়াও ক্ষমা নকৰিব। কাগজে কলমে পৰিকল্পনা কৰি ৰাখিলেই কাম নহব তাৰ সুস্থ কাৰ্য্যকৰীকৰণৰ কাৰণে চিন্তা কৰি সফল ভাৱে খটুৱাই আমাৰ জাতিক যদি অৰ্থনৈতিক দিশত আগুৱাই নিব নোৱাৰো তেনেহলে নিশ্চয় অন্যায় কৰা হ'ব আমাৰ জাতি তথা দেশৰ প্ৰতি।

অধ্যক্ষ মহোদয়, আমাৰ দেশৰ যিটো অৰ্থনৈতিক দুৰৱস্থা তাৰ একমাত্ৰ কাৰণ হল আমাৰ দেশ এখন কৃষি প্ৰধান দেশ। এই কৃষি প্ৰধান দেশৰ কাৰণে এটা কথা বাবে

বাবে কৈ অহা হৈছে আৰু সেই কথা ইতিহাসেও কৈ গৈছে যে যিকোনো কৃষি প্ৰধান দেশৰ উদ্বৃত্ত কৃষি শ্ৰমিক সকলৰ যদি শিল্প উদ্যোগলৈ পৰিবৰ্ত্তিত বা স্থানান্তৰিত কৰা নাযায় তেন্তে সেই দেশৰ কৃষিৰ উন্নতি কৰিব পৰা নাযায় বা আৰ্থিক উন্নতি কৰিব পৰা নাযায়। আজি দেখা গৈছে যে আমাৰ কৃষিৰ ক্ষেত্ৰত আমি যিমানখিনি আগবাঢ়িব লাগিছিল সিমানখিনি আমি আগবাঢ়িব পৰা নাই। ইয়াৰ কাৰণ হিচাবে মই ভাবো প্ৰথম কাৰণ হল যে দেশৰ মাটিহীন লোকসকলৰ যিটো সমস্যা সেই সমস্যা আমি এতিয়াও সমাধা কৰিব পৰা নাই। কিন্তু যদি আমাৰ দেশৰ মাটিহীন লোকসকলৰ যিটো সমস্যা সেই সমস্যা সমাধান কৰাটোৱেই যদি প্ৰধান কাৰণ বুলি আমি ভাবি থওঁ আৰু সেইটো সমস্যা সমাধান কৰিব পাৰিলেই কৃষি সমস্যা সমাধান হব বুলি ভাবি থলে এটা ডাঙৰ ভুল কৰা হব কিয়নো আমাৰ দেশৰ মাটিৰ সংখ্যা আগতে যিটো আছিল তাতকৈ কমি গৈছে। আমাৰ আগৰ অসমৰ পৰা মেঘালয়, নগালেণ্ড আৰু মিজোৰাম আদি ৰাজ্য ফাটি বাহিৰ হৈ গৈছে। গতিকে সেই নতুন নতুন প্ৰদেশ গঠিত হোৱাৰ লগে লগে বহু ঠাই ওলাই গৈছে আৰু আমাৰ জনসংখ্যাও আগৰ জনসংখ্যাৰ প্ৰায় দুগুণ হৈছে।

অধ্যক্ষ ডাঙৰীয়া, এই দুগুণ জনসংখ্যাৰ পুনৰ বসতিৰ কাৰণে যদি আমি চিন্তা কৰো তেতিয়াহলে আমাৰ ভুল কৰা হব কিয়নো মেঘালয়, মিজোৰাম আৰু নগালেণ্ড যোৱাৰ পিচত আমাৰ মাটি কমি গৈছে গতিকে এই মাটিৰ দ্বাৰা বৰ্দ্ধিত এই দুগুণ জনসংখ্যাৰ পুনৰবসতি বা অৰ্থনৈতিক উন্নতিৰ চিন্তা কৰিলে নিশ্চয় ভুল কৰা হব। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰো যাতে খেতিৰ উদ্বৃত্ত এই মানুহখিনিক শিল্পৰ প্ৰতি যদি মনোযোগ দিয়া নহয় আৰু উদ্বৃত্ত কৃষি বনুৱাক যদি শিল্পৰ প্ৰতি পৰিবৰ্ত্তিত কৰা নহয় স্থানান্তৰিত কৰা নহয় তেতিয়াহলে আমাৰ এই আৰ্থিক অৱস্থা পৰিবৰ্ত্তন কৰিব নোৱাৰিম বুলি মোৰ বিশ্বাস।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি চৰকাৰী চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী খিনিৰ কাৰণে কিয় থাকিবলৈ ঘৰ বান্ধি দিব পৰা নাই মই ভালকৈ বুজি পোৱা নাই। মই ভাবো এইটো আৰ্থিক অভাৱৰ কাৰণে বা টকা পইচাৰ অভাৱৰ কাৰণে নহয় আচলতে আমাৰ চিনচিয়াৰিটিৰ অভাৱৰ কাৰণেহে এইটো কৰিব পৰা নাই বুলি মই ভাবো। আমাৰ যিটো হাউচিং ব্যৱস্থা আছে সেই ভাৱে চাৰি মাহ কিয় এবছৰৰ ভিতৰতো এই অৱস্থা দুৰীকৰণ কৰিব পৰা হব বুলি মই নাভাবো।

আমাৰ এই অৱস্থা টনকিয়াল কৰিবলাগিব। মই এই সন্দৰ্ভত এটা কথা কব খুজিছো যে প্ৰতি জিলাতে যদি হাউচিং বিভাগত মানুহ নিয়োগ কৰি দিয়া হয় আৰু প্ৰতি জিলাৰ কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰা হয় আৰু অন্ততঃ যদি প্ৰতি গাওঁ সভা অৰ্থাত আমাৰ সৰ্ব্বনিম্ন প্ৰশাসনীয় গোট আছে তাৰ লগত যদি সমন্বয় ৰাখি প্ৰতি মাহে অন্ততঃ কম পক্ষে যদি পঞ্চাশ ঘৰ গৃহহীন লোকক ঘৰবান্ধি দিয়াৰ ব্যৱস্থা কৰি দিব পৰা হয় আৰু যদি তেনেকুৱা আঁচনি হাতত লব পৰা হয় তেতিয়াহে কাম হব বুলি মোৰ বিশ্বাস।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ জৰুৰীকালীন অৱস্থাত আৰ্থিক অৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ চেষ্টা কৰা হৈছে। আমি আজি কুৰি দফীয়া আঁচনিৰ অধীনত আমাৰ অৰ্থনৈতিক অৱস্থা পৰিবৰ্ত্তন কৰিবলৈ ওলাইছো। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে মই যিবিলাক এলেকাৰ কথা আগতে উল্লেখ কৰি আহিছো সেই এলেকা বিলাকৰ ভিতৰত ধুবুৰী মহকুমাই আটাইতকৈ বেছি বান পীড়িত হৈ আছে। ব্ৰহ্মপুত্ৰৰ বান আৰু গৰা খহনীয়াই বছৰে বছৰে হাজাৰ হাজাৰ লোকক কৱলত পেলাই জুলুম কৰি আছে কিন্তু আজিলৈকে ধুবুৰী মহকুমাত কিমান কেইটা পৰিয়ালে ঘৰ বান্ধিবৰ কাৰণে মাটি পাইছে এইটো যদি চোৱা হয় তেতিয়াহলে আমি দেখিম যে আজিলৈকে কোনেও পোৱা নাই। ইয়াৰ কাৰণ হৈছে আমাৰ যিটো প্ৰশাসনীয় যন্ত্ৰ সেইটো যদি আমি ঠিকমতে কন্টল কৰিব নোৱাৰো তেতিয়াহলে যি আচঁনিয়েই নলওঁ কিয় তাক কাৰ্য্যকৰী কৰাটো সহজ নহব। আৰু যদি আমি আমাৰ প্ৰশাসনীয় যন্ত্ৰটো ঠিক কৰিব নোৱাৰো আৰু হাতত লোৱা আচঁনি বিলাক এই বৰ্ত্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই সুৱৰ্ণ সুযোগতে কাৰ্য্যকৰী কৰিব নোৱাৰো তেতিয়া হলে আমাৰ ওপৰত জাতীয় অভিশাপ লাগিব আৰু আমাৰ অৰ্থনৈতিক ভাৱে পতন ঘটিব। সেই কাৰণে মই কব বিচাৰিছো যে সুস্থিৰ ভাৱে চিন্তা কৰি কুৰিদফীয়া কাৰ্য্যসূচী কেৱল গাই নাথাকি হাতে কামে লাগি যাতে জাতি ধৰ্ম্ম নিৰ্বিশেষ কাম কৰি আচঁনিৰ কৃতকাৰ্য্যতা কামনা কৰো তেতিয়াহে আমাৰ এই আচঁনি সমূহ কাৰ্য্যকৰী হব আৰু জাতি গঠন হব। আমাৰ জাতিৰ যি কোনো দলেই হওক ৰাজনৈতিক দলৰ কথা পাহৰি আহি আমাৰ সকলো দলৰে এইটো এটা মহান কৰ্ত্তব্য কিয়নো জাতি এটাৰ গঢ় দিয়াতকৈ আন কোনো কৰ্ত্তব্যই কোনো ৰাজনৈতিক দলৰ কাৰণে উচিত কাম হব নোৱাৰে। আমাৰ জাতিক শক্তিশালী কৰি গঢ়ি তোলাৰ দায়িত্ব আমাৰ সকলোৰে।

গতিকে আমাৰ মাননীয় নেত্ৰী প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে যিটো কুৰি দফীয়া আচনি দাঙি ধৰিছে এই আচনি নতুন নহয় বহুত পুৰণি এইটো কেৱল নতুন যুগত গঢ়ি তোলাৰ এই আচনি নতুন ৰূপ দিয়াৰ ভূমিকাহে আমাৰ ওপৰত অৰ্পিত হৈছে। এই দায়িত্ব আমাৰ হাতত্তে অৰ্পিত দায়িত্ব।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেই কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এই সুবৰ্ণ সুযোগতে যদি আমি এই অচনি বিলাক কাৰ্য্যকৰি কৰি তুলিব নোৱাৰো তেতিয়াহলে এই আচনি বিলাক বাঞ্চাল হৈ যাব। ভূমিহীনৰ মাজত ভূমি বিতৰণৰ নীতিত আজি প্ৰত্যেক বিলাক চাৰ্কোলতে হাজাৰ হাজাৰ কেচ পেণ্ডিং হৈ আছে। লোকেল কমিটি কিছুমান কৰি দিয়াহৈছে যদিওঁ তেওঁবিলাকৰ আইনৰ ওপৰত সম্যক জ্ঞান নাই, ওৱেল ভাৰ্চড্ নহয় অথবা জাত থকা মানুহখিনি নীতি নিয়ম জনাবুজা মানুহ নহয় কাৰণে বিভাগীয় কৰ্তৃপক্ষৰ পৰা প্ৰভাৱন্বিত হৈ পৰে। মই নিজে লক্ষীপুৰ চাৰ্কোলত দেখিছো যে এক বিঘা মাটিও অধিগ্ৰহণ হোৱা নাই। লক্ষীপুৰ চাৰ্কোলত অতিৰিক্ত মাটি এক বিঘাও অধিগ্ৰহণ নোহোৱাৰ মানেই হব নোৱাৰে যে তাত উদবৃত্ত মাটি নাই। অথচ ১৯৫৬ চনৰে পৰা এক বিঘা মাটিও অধিগ্ৰহণ কৰিব পৰ নাই ইয়াৰ কাৰণ হৈছে চৰকাৰৰ যিটো প্ৰশাসনীয় মেচিনাৰি সেইটোৰ গতি লেহেম। তাৰ কাৰণে যিবিলাক টকা পইচা থকা মানুহ সেই সকলে নিজৰ লৰাকে ভূমিহীন দেখুৱাই সেই নামত মাটি ৰাখিছে অথবা নিজৰ আত্মীয় স্বজনে আধিয়াৰ দেখুৱাই মাটি ৰাখি থৈছে। যদি এই বিলাক কথালৈ চৰকাৰে ঠিকমতে চকু নিদিয়ে তেতিয়াহলে মোৰ ভয় হয় আৰু মই বিশ্বাস কৰো যে এই সমলো বিলাক প্ৰগ্ৰেম বাঞ্চাল হৈ যাব। গতিকে ৰেভিনিউ ইন্টালিজেন্স এটা খোলাৰ অতি প্ৰয়োজন হৈছে। ঠায়ে ঠায়ে এই ধৰণৰ ৰেভিনিউ ইন্টালিজেন্স খুলি দিলে মোৰ বিশ্বাস এই বিলাক কথা ধৰা পৰিব আৰু বহুত বেছি উদ্বৃত্ত মাটি আমি অধিগ্ৰহণ কৰিব পাৰিম। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ অনুৰোধ কৰিব খুজিছো যে ইতিমধ্যে পোৱা অতিৰিক্ত মাটি যিখিনি অধিগ্ৰহণ নকৰাকৈ আছে সেই খিনি যাতে প্ৰশাসনীয় মেচিনাৰিৰ লেহেম গতিৰ কাৰণে নেহেৰুৱাই আৰু খৰতকীয়া ভাৱে অধিগ্ৰহণ কৰে। কিয়নো ১৯৫৬ চনতে ভূমি আইন সংশোধন কৰি এশ পঞ্চাশ বিঘা কৰা হৈছিল তাৰ পিচত পয়সত্তৰ বিঘা কৰা হল তাৰ ফলত বহুত মাটি আমাৰ হাতলৈ আহিব লাগিছিল কিন্তু চৰকাৰী মেচিনাৰিৰ লেহেম গতিৰ কাৰণেই অহা নাই বুলি মই ভাবো। আজি

এভিয়া আকৌ পয়সত্তৰ বিঘাৰ ঠাইত পঞ্চাশ বিঘা কৰা হল। কিন্তু ইন্টালিজেন্টলি গোপেনে তথ্য বিলাক সংগ্ৰহ নকৰিলে অতিৰিক্ত মাটি পোৱা নহব বুলিয়ে মোৰ বিশ্বাস আৰু তেতিয়া ভূমিহীন লোক ভূমিহীন হৈয়েই থাকিব গতিকে অধ্যক্ষ মহোদয়, আৰু বেছি কৈ সময় নিয়াব নোখোজো মোৰ বক্তৃতা শেষ কৰাৰ আগতে এটা অনুৰোধ কৰিব খুজিছো যেন চৰকাৰী চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ থকাৰ কাৰণে ঘৰ তৈয়াৰ কৰিবলৈ এই বছৰৰ ভিতৰতে যাতে কৰিব পাৰে আৰু তাৰ কাৰণে যাতে চৰকাৰী প্ৰশাসনীয় যন্ত্ৰটো টনকিয়াল কৰি আগুৱাই আমাৰ অৱস্থাৰ উন্নতি সাধনত ইন্ধন যোগায় তাৰ কাৰণে উনুকিয়াই থলো। মোৰ বিশ্বাস তেনে কৰিলে আমি নিশ্চয় কৃতকাৰ্য্য হব পাৰিম আৰু আমাৰ এইটো কৰা নিতান্তই দৰকাৰ হৈ পৰিছে কিয়নো আমাৰ হাতত যিটো জাতীয় দায়িত্ব পৰিছে সেইটো সুকলমে পালন কৰাটো আমাৰ কৰ্ত্তব্য আৰু তেনে কৰিলেহে কুৰি দফিয়া আচনি অনতিপলমে কাৰ্য্যকৰী ৰূপ দিব পাৰিম বুলি বিশ্বাস কৰো। এইখিনি কথাকৈ প্ৰস্তাৱ উত্থাপনকাৰীক মোৰ আন্তৰিক অভিনন্দন জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলোঁ।

শ্ৰীলক্ষীকান্ত শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত মাননীয় সদস্য শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো হ'ল যি সকল লোকৰ অসমত ভেটি মাটি নাই সেই সকল লোকক ১৯৭৬ চনৰ জুন মাহৰ ভিতৰত ভেটি মাটি দিবৰ কাৰণে চৰকাৰক পৰামৰ্শ দিয়া হওক। যিটো বিষয়ৰ ওপৰত শ্ৰীগগৈ দেৱে প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো বিষয় এনেকুৱা গুৰুত্বপূৰ্ণ যে ইয়াত দ্বিমত হোৱাৰ কাৰণ থাকিব নোৱাৰে। এই কথাটো সদনে জানে যে যেতিয়া কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্য চৰকাৰে পঞ্চম পৰিকল্পনাৰ খচৰা প্ৰস্তুত কৰে, সেই পৰিকল্পনাত যি সকল লোকৰ ঘৰ বান্ধিবৰ মাটি নাই তেওঁলোকক অকল ঘৰ বান্ধিবৰ মাটি দিয়াই নহয়, লগতে টকা পইচা পৰ্য্যন্ত দিবৰ কাৰণে নিম্নতম চাহিদা আঁচনিৰ অন্তৰ্ভুক্ত কৰি পঞ্চম পৰিকল্পনাৰ প্ৰথম বছৰৰ পৰাই আঁচনি লৈ তাক কাৰ্য্যকৰী কৰা হৈছে। দেশত জৰুৰী অৱস্থা ঘোষনা কৰাৰ লগে লগে প্ৰধান মন্ত্ৰী মহামান্যা শ্ৰীমতী ইন্দিৰা গান্ধীয়ে কুৰি দফীয়া অৰ্থনৈতিক আঁচনি ঘোষনা কৰা আঁচনি অনুসৰি আমাৰ যি সকল লোকৰ ভেটি মাটি নাই তেওঁলোকক ভেটি মাটি দিয়াটোয়েই কুৰি দফীয়া আঁচনিৰ অন্যতম কথা। সেই হিচাবে ৰাজ্য চৰকাৰৰ আচনিত অন্তৰ্ভুক্ত কৰা হৈছে আৰু ৰাজ্য চৰকাৰে সেই পথ অনুসৰণ কৰি ব্যৱস্থা লোৱাৰ কথা ৰাজ্যপালৰ ভাষণত

উল্লেখ কৰিছে। নিম্নতম চাহিদা আচনিৰ অন্তৰ্ভুক্ত লোকসকলক অকল মাটি দিয়াই নহয় তেওঁলোকক কিছু টকা দিয়া হৈছে। সেই ফালৰ পৰা বিবেচনা কৰি চালে এইটো প্ৰস্তাৱ আৰু বেলেগ নকৰি এই কাৰ্য্য যাতে অতি সোনকালে খৰতকীয়া ভাবে কৰিব পাৰি সেই কথাতে বেচি জোৰ দিব লাগে। শ্ৰীগগৈ ডাঙৰীয়াই এটা কথা ঠিকেই কৈছে যে দুখীয়া জনসাধাৰণক উপকাৰ কৰিবৰ কাৰণে, সহায় কৰিবৰ কাৰণে যিখিনি প্ৰতিশ্ৰুতি দি আহিছে সেই প্ৰতিশ্ৰুতি পালন কৰাত চৰকাৰৰ গতিবেগ তীব্ৰতৰ হব লাগে। এই বিষয়ত সম্পূৰ্ণ একমত যে জনসাধাৰণৰ মঙ্গলৰ কাৰণে, কল্যাণৰ কাৰণে যি বিলাক আচনি প্ৰস্তুত কৰা হৈছে সেই বিলাক কাৰ্য্যকৰী কৰাৰ সীমা বান্ধি দিলে কম সময়ত কাম কৰিব পাৰি। বহু কেইজন মাননীয় সদস্যই উল্লেখ কৰিছে যে নিম্নতম চাহিদা আঁচনিৰ ভিতৰত যি সকল অনুসূচীত জাতি আৰু জনজাতিৰ লোকক ভেটি মাটি আৰু টকা পইচা দিয়া হৈছিল সেই লোকসকল মাটিত থাকিব পৰা নাই। সেই উদ্দেশ্য দিয়া টকা বিলাকবো সদ ব্যৱহাৰ কৰিব পৰা নাই। আমি আঁচনি বিলাক দ্ৰুত গতিত কাৰ্য্যকৰী কৰিবলৈ যাওতে উন্নতি নাখাও তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। কিয়নো সেই সকল লোকক অকল মাটি বাৰী দিলেই নহব, তেওঁ লোকক ঘৰ বান্ধিবৰ কাৰণে আৰু জীৱন নিৰ্বাহ কৰিবৰ কাৰণে ব্যৱস্থা কৰি দিব লাগিব। জৰুৰী অৱস্থাৰ ভিতৰত যি সকল লোকক ভেটি মাটি দিছে দেখা গৈছে সেই আঁচনি অকল অনুসূচীত জাতি আৰু জনজাতিৰ মাজত আবদ্ধ ৰখা হৈছে। সেই লোক সকলে সকলো ঠাই পচন্দ নকৰে। সকলো সুবিধা কৰি দিলেও থাকিবলৈ টান পায়। সেই লোক সকলক এনেকুৱা ঠাইত মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে যত তেওঁলোকৰ ব্যৱসায় চলাব পাৰে আৰু এখন ভাল গাওঁৰ নিচিনাকৈ বাস কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। নহলে সেই মাটি বিলাক টকাৰ বিনিময়ত চহকী লোকৰ হাতলৈ যাব আৰু গৰীবৰ উপকাৰ কৰিবলৈ লোৱা কাৰ্য্যত উপনীত হব নোৱাৰিব। এই আঁচনি অকল অনুসূচীত জাতি আৰু জনজাতিৰ মাজতেই আবদ্ধ ৰখা হৈছে। যি সকল সৰ্বসাধাৰণ লোক গৰা খহনীয়াৰ কবলত পৰিছে আৰু সঁচাকৈ ভেটি মাটি নাই, তেওঁ লোককো পৰ্য্যায় ক্ৰমে এই আঁচনিৰ অন্তৰ্ভুক্ত কৰিব লাগে। কিয়নো 'মোৰ দেশ' এই ভাব ধাৰা গঢ়ি উঠিব লাগিলে প্ৰত্যেক জন মাটি নথকা মানুহে যাতে ভেটি মাটি পাব পাৰে সেইটোলৈ চোৱা উচিত। নিম্নতম আঁচনিত অন্তৰ্ভুক্ত লোক সকলক এশ ডেৰশ টকা দিয়া হৈছে। এই ক্ষেত্ৰত কথাটো পুনৰ

বিবেচনা কৰি চাব লাগে যাতে টকা দিয়াৰ পৰা আমি লাভবান হব পাৰো। আজি যি বিলাক ঋণ দিয়া হৈছে সেই বিলাকৰ সদব্যৱহাৰ নোহোৱাৰ ফলত গাঁৱৰ মানুহ বিপদত পৰিছে। এতিয়া তেওঁ লোকে কোনো ঋন লব নোৱাৰা অৱস্থা হৈছে। ইতিমধ্যে যি বিলাক দিয়া হৈছে তেওঁলোকে যাতে টকাটোৰ সদব্যৱহাৰ কৰিব পাৰে আৰু যি বিলাক তালিকা ভুক্ত হৈছে তেওঁলোকে যাতে টকাটোৰ সদব্যৱহাৰ কৰিব পাৰে সেইটোলৈ চোৱা উচিত। দৰকাৰ হলে এই টকাৰ পৰিমাণ বঢ়াই দিব লাগে। এশ টকাৰে ঘৰ বান্ধিব নোৱাৰে। মাননীয় সদস্য শ্ৰীনুৰুল ইচলাম ডাঙৰীয়াই গৃহ নিৰ্ম্মাণ বিভাগটো ইয়াৰ লগত সংযোগ কৰি ৰাইজক সহায় কৰাৰ কথা কৈছে। ৰাজহ বিভাগ, গৃহ নিৰ্ম্মাণ বিভাগ এই দুয়োটা বিভাগে লগ লাগি সামগ্ৰিক আঁচনি প্ৰস্তুত কৰিলে আমি আঁচনি কাৰ্য্যকৰী কৰি লাভৱান হম। ইতিমধ্যে আমাৰ ৰাজ্য চৰকাৰে এই আঁচনিৰ কাৰ্য্য আৰম্ভ কৰা হৈছে। সময়ৰ সীমা বান্ধি দিয়াৰ কাৰণে শ্ৰীগগৈদেৱে প্ৰস্তাৱ কৰিছে যদিও প্ৰধান মন্ত্ৰীৰ কুৰি দফীয়া আঁচনিৰ সন্দৰ্ভত সকলোলৈকে নিৰ্দ্দেশ আহিছে যে জুন মাহৰ ভিতৰত কাম শেষ কৰিব লাগে। গতিকে এই বিষয়ত বেলেগে প্ৰস্তাৱ গ্ৰহণৰ আৱশ্যক নকৰে। অকল অনুসূচীত জাতি আৰু জনজাতিয়েই নহয় অন্যান্য যি সকল লোকৰ ভেটি মাটি নাই চহৰত আৰু গাঁৱত উভয়তে তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে এই আঁচনি খৰতকীয়াকৈ কাৰ্য্যকৰী কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগগৈ দেৱে যি প্ৰস্তাৱ বিধান সভাত গ্ৰহণ কৰাৰ কাৰণে আগবঢ়াইছে এই প্ৰস্তাৱটো কুৰি দফীয়া আঁচনিৰ পৰিপ্ৰেক্ষিতত সদনে গ্ৰহণ কৰা নকৰা পাৰ্থক্য নাথাকে।

গৃহহীন এই যি সকল দুখীয়া লোক গাওঁ আৰু চহৰত বাস কৰি আছে সেই সকলক কেনে ধৰণে সংস্থাপন কৰিব লাগিব সেই বিষয়ে পৰ্য্যালোচনা কৰাৰ কাৰণে যি সুযোগ দিলে তাৰ কাৰণে শ্ৰীগগৈ ধন্যবাদৰ পাত্ৰ। আমাৰ যি সকল দুখীয়া গৃহহীন লোক গ্ৰাম অঞ্চলত বাস কৰে সেই সকল লোকক সংস্থাপন কৰাৰ কাৰণে চৰকাৰে যি বিহিত ব্যৱস্থা হাতত লৈছে তাত আমাৰ অকনো আপত্তি নাই। আমাৰ এই যি সকল দুখীয়া গৃহহীন লোক আছে তেওঁলোকৰ নিজৰ ঘৰটোকে সাজি লবৰ কাৰণে যিখিনি লোকৰ ভেটিৰ মাটিৰ দৰকাৰ সেই সকল লোকৰ কথা চিন্তা কৰিবলৈ হলে চাব লাগিব যাতে

তেওঁলোকক যি মাটি দিয়া হয় তাত যাতে তেওঁলোকে থাকি মেলি নিজৰ পেট প্ৰবৰ্ত্তাই চলিব পাৰে। তেওঁলোকক অন্ততঃ নিম্নতম সুবিধা খিনি আগবঢ়াব লাগিব যাতে সেই ভেটি মাটিত তেওঁলোকে যি কোনো প্ৰকাৰে হলেও জীৱন নিৰ্ব্বাহ কৰিব পাৰে আৰু তেওঁলোকক দিয়া মাটি ভেটিত যাতে খেৰ বাহ ইত্যাদি যোগাৰ কৰি গৈ তেওঁলোকে তাত থকা মেলাকৈ উপযোগী কৰি তুলি লব পাৰে। ইয়াৰ কাৰণে চৰকাৰে যি ১০০ টকা বা ১৫০ টকা দিছে সেইটো যথেষ্ট নহয়, গতিকে সেই টকা খিনিকে তেওঁলোকে কেনে ধৰণেৰে ভালদৰে ব্যৱহাৰ কৰিব পাৰে সেই বিষয়ে মই দুইএটা পৰামৰ্শ দিব বিচাৰিছোঁ। এই গাৱঁ অঞ্চলৰ লগতে নগৰতো এনেবিলাক নিম্নতম চৰকাৰী চাকৰীয়াল সকলৰ কাৰণে কোনো সুবিধা নহল কিন্তু আমাৰ ৰাজ্যৰ বাহিৰে আন আন ঠাইত সেইসকল লোকৰ কিছুমান ফ্লেট তৈয়াৰ কৰা হয় আৰু তেওঁলোকৰ দৰমহাৰ পৰা অংশ কাটি লয় আৰু সেই ধৰণে সেই ফ্লেট বোৰ লবলৈ তেওঁলোকক স্বত্ব দিয়া হয়, থিক তেনেধৰণে আমাৰ গাওঁ অঞ্চলতো তেনেধৰণে ব্যৱস্থা কৰিলে নিশ্চয় বহুতো মাটিহীন লোকক সংস্থাপন কৰিব পৰা হব। কিন্তু আন এটা দৰকাৰী কথা আছে সেইটো হল এই লোক সকলক কেবল মাটি সংস্থাপন কৰি দিলেই নহব কিয়নো সেই লোক সকল য'ত থাকে বা যি অঞ্চলত বাস কৰে তাৰে আশেপাশে সেই লোক সকলে কামলা যোগালি ইত্যাদিৰ কাম কৰি কোনো মতে জীৱন নিৰ্ব্বাহ কৰে, গতিকে কোনো এটা ঠাইত যদি তেওঁ-লোকক মাটিভেটি দিয়া হ'ল তেওঁলোকে সেই ঠাইৰ পৰা গৈ আগৰ ঠাইলৈ গৈ তাত সেই ধৰণে কামলা ইত্যাদিৰ কাম কৰাত অসুবিধা পাব। গতিকে যিবিলাক ভি.জি, য়াৰ পিজিয়াৰ আছে আৰু চিলিং আইনৰ যিবিলাক উদ্বৃত্ত মাটি সেই বিলাক উলিয়াই তাত ঘৰ-মাটি বান্ধি দিলে আৰু তাত থাকি তেওঁলোকে যাতে তেওঁলোকৰ দৈনন্দিন কাম কাজ কৰি জীৱন নিৰ্ব্বাহ কৰিব পাৰে সেইধৰণে এই কথাবিলাক চিন্তা কৰিলে বেচি ভাল হয়। অৱশ্যে আমাৰ যিবিলাক ফাৰ্ম্মীং কৰ্পোৰেশ্যন কৰা হৈছে সেইবিলাকো চৰকাৰে তেনে উদ্দেশ্যলৈয়েই কৰিছে যি সকল মাটিহীন লোক তেওঁলোকে যাতে এই ফাৰ্ম্ম বিলাকত থাকি ভাল ধৰণে জীৱন নিৰ্ব্বাহ কৰিব পাৰে। কিন্তু ফাৰ্মিং কৰপোৰেশ্যনৰ কাৰণে যেনে ধৰণৰ মাটি সাধাৰণতে দৰকাৰ হয় তেনে ধৰণৰ সকলো ঠাইতে পোৱাতো অসুবিধা, আৰু সেইটো নোহোৱাৰ কাৰণেই তেনেধৰণৰ সুবিধা সেইসকল লোকক আগবঢ়াব পৰা নাই। গতিকেই সেই লেখীয়াকৈ মাটি বাহিৰ কৰি এই মাটি ভেটি নথকা লোক সকলক আইন তৈয়াৰ কৰি হলেও বন্দোবস্তী দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। নিম্ন বেতনভোগী

লোক সকলৰ কাৰণে অনুৰূপ নগৰতো এটা ভাল ব্যৱস্থা কৰিলে আমি এই সমস্যা কিছু পৰিমাণে হলেও সমাধান কৰিব পাৰিম বুলি মোৰ বিশ্বাস। বহুতো নগৰ অঞ্চলত ঠায়ে ঠায়ে সৰু সৰু জুপুৰী ঘৰ সাজি কিছুমান গৰীব শ্ৰেণীৰ লোকে তাত বাস কৰি আছিছে আৰু তাত চৰকাৰৰ অনুমতি নোলোৱাকৈ পৰি থাকে গতিকে সেই অঞ্চলত সেই ঠাইবিলাক গৈ কিছুমান স্লাম এৰিয়াত পৰিণত হয়গৈ। গতিকেই সেই স্লাম এৰিয়াত থকা জুপুৰী ঘৰ বিলাক ভাঙি তাত ভালধৰণে ঘৰ বান্ধি দি এটা সুস্থ পৰিবেশৰে থকা দিহা কৰিলে বেছি ভাল হব। গতিকে আমাৰ এই ৰাজ্যত থকা কম বেতনভোগী চৰকাৰী কৰ্ম্মচাৰী সকলক ভাৰত-বৰ্ষৰ অইন অইন প্ৰদেশত থকাৰ নিচিনাকৈ বসবাস কৰিব পৰাকৈ কিছুমান সুব্যৱস্থাৰ দিহা কৰিব লাগে। আমাৰ ৰাজ্যত প্ৰায় সকলো কামতে লেহেম গতিত আৰম্ভ হয়। গতিকে যদি আমি অতি দ্ৰুত গতিৰে এই দিশত কাম কৰি যাওঁ আৰু ভাল ধৰণে চিন্তা চৰ্চ্চা কৰি এটা সুস্থ সবল নীতি হাতত লওঁ তেতিয়াহলে অহা জুন জুলাই মাহৰ ভিতৰতে আমি এই দিশত কৃতকাৰ্য্যতাৰে উপনীত হব পাৰিম। এইখিনি ব্যৱস্থাকে অতি সোনকালে কৰিব লাগে। ইয়াকে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

## ADJOURNMENT

Mr. Speaker: Sufficient Members have spoken and the debate should be taken as closed. On the next private Members' business day the Minister will reply.

The House stands adjourned till 10 A. M. on Wednesday, the 25th February.

The House than rose at 5 P. M. and stood adjourned till 10 A.M. on Wednesday, the 25th February, 1976,

Dated, Dispur
The 24th February
1976

P. D. Barua
Secretary
Assam Legislative Assembly